
# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

ত্ৰয়োদশ বছৰ ■ সংখ্যা ১০৩ ■ গুৱাহাটী ■ শনিবাৰ, ১৯ নৱেম্বৰ, ২০২২, ২ আঘোণ, ১৯৪৪ শক RNP/GH/248/2114-2017
■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XIII ISSUE NO. 103 Dainandin Barta ■ Guwahati, Saturday ■ 19 November, 2022
■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





আমিনগাঁৱত সপ্তাহজোৰা কাৰ্যসূচীৰে লাচিতৰ জয়ন্তী আৰম্ভ

# বীৰ লাচিত বৰফুকনৰ জাতীয় প্ৰেম আমাৰ হৃদয়ত থাকিব লাগিব ঃ ড° নৃপেন তালুকদাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৮ নৱেম্বৰ ঃ** ‘লাচিত বৰফুকন অসমৰ সৰ্বশ্ৰেষ্ঠ বীৰ। যিজন বীৰে যিকোনো ত্যাগৰ বিনিময়ত জাতিটো সুৰক্ষা দিবলৈ অহোপুৰুষাৰ্থ প্ৰয়াস কৰিছিল।’ এই মন্তব্য পূব কামৰূপ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° নৃপেন ডেকাৰ। উল্লেখ্য, অসমীয়া জাতিৰ অম্লান প্ৰতীক লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজি আমিনগাঁৱৰ শৰাইঘাট সৰোবৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি ড° ডেকাই কয় যে বীৰ লাচিত বৰফুকনৰ জয়ন্তী পালন কৰিলেই নহ’ব, আমাৰ সকলোৰে বুকুত জাতীয় প্ৰেম থাকিব লাগিব। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ৰ আদৰণী ভাষণ তথা কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীৰ ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত আন এজন আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ তালুকদাৰে। ড° তালুকদাৰে তেওঁৰ ভাষণত কয় যে বীৰ লাচিত বৰফুকনৰ বীৰত্ব জীয়াই ৰখাৰ বাবে চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে ইয়াৰ দ্বাৰাই জাতিটোক জাতীয় চেতনা বোধৰে উদ্বুদ্ধ কৰিব। একে সময়তে তেওঁ কয় যে অসম কেতিয়াও ভাৰতবৰ্ষৰ লগত নাছিল আৰু একে দিনতে দহ হাজাৰ সৈন্য নিহত হোৱা যুদ্ধ বিশ্বৰ ইতিহাসত নজিৰবিহীন। অনুষ্ঠানত কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অংশগ্ৰহণ কৰে। উল্লেখ্য, আজিৰে পৰা ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত সপ্তাহজোৰা কাৰ্যসূচীৰে ৪০০ বছৰীয়া বীৰ লাচিত বৰফুকনৰ জয়ন্তী পালন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰৰ পৰা এক বিশাল মাৰ্চপাষ্ট উলিওৱা হয়। এই বিশাল মাৰ্চ পাষ্টত জিলাখনৰ আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ জোৱান, এনচিচ কেডেটসকলে অংশগ্ৰহণ কৰে।

# ২০ নৱেম্বৰত অসম পুতলা নাচ শিল্পী সন্মিলন-২০২২

## ‘লাইফ ইন্ এ পাপেট’ৰ বিশেষ প্ৰদৰ্শনৰ প্ৰস্তুতিঃ উন্মোচন হ’ব পুতলা নাচৰ গ্ৰন্থ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১৮ নৱেম্বৰ ঃ** ২০ নৱেম্বৰত গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ’ব অসমৰ বিলুপ্তপ্ৰায় জাতীয় লোককলা পুতলা নাচক জীয়াই ৰখাৰ প্ৰয়াসেৰে ‘অসম পুতলা নাচ শিল্পী সমাৰোহ-২০২২’। অসমৰ বিভিন্ন প্ৰান্তত নীৰৱে পুতলা নাচক আজি পৰ্যন্ত জীয়াই ৰখা শতাধিক পুতলা নাচৰ শিল্পীৰে মুখৰ হ’ব গুৱাহাটীৰ জ্যোতি চিত্ৰবন। উল্লেখ্য যে বিগত বৰ্ষত অসমৰ বিভিন্ন প্ৰান্তত কঠোৰ সংগ্ৰামৰ মাজেৰে পুতলা নাচক জীয়াই ৰখা শিল্পীসকলৰ মৰ্মবেদনাৰ কথা পোহৰলৈ আহিছিল ৰাজেন দাস পৰিচালিত ‘লাইফ ইন্ এ পাপেট’ নামৰ চলচ্চিত্ৰখনৰ জৰিয়তে। অসমৰ সংবাদ মাধ্যমে জাতীয় দায়বদ্ধতাৰে ধাৰাবাহিকভাৱে পুতলা নাচৰ এই বিলুপ্তপ্ৰায় অৱস্থাৰ কথা প্ৰকাশ কৰি দৃষ্টি আকৰ্ষণ কৰিছিল। সেই বৰ্ষতে তেতিয়াৰ বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ আৰু বৰ্তমানৰ অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ তৎপৰতাত আৰু সভাপতিত্বত বজালীৰ সদৰ পাঠশালাত গঠন হৈছিল ‘অসম পুতলা নাচ শিল্পী সন্মিলন’। অসমৰ বিভিন্ন প্ৰান্তত অনাদৃত হৈ ৰোৱা পুতলা নাচৰ শিল্পীসকলক এই মঞ্চত একত্ৰিত কৰি হেৰাই যোৱা এই লোকশিল্পক বিশ্বজনীন প্ৰসাৰ দিয়াৰ প্ৰচেষ্টাৰ ফলস্বৰূপে চলিত বৰ্ষৰ অসম বিধানসভাতো পুতলা নাচৰ বিষয়টো উত্থাপন হৈছে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাস সভাপতি আৰু ৰাজেন দাসে সম্পাদক হিচাপে নেতৃত্ব লোৱা এই অসম পুতলা নাচ শিল্পী সন্মিলনৰ উদ্যোগতেই এক ব্যতিক্ৰমী প্ৰয়াসেৰে ২০ নৱেম্বৰত গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অসম পুতলা নাচ শিল্পী সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত অসমৰ পুতলা নাচৰ শিল্পীসকলৰ নীৰৱ সাধনাৰ কথা আলোচনা হোৱাৰ লগতে অসমৰ এই জাতীয় লোকশিল্পক বিশ্ব দৰবাৰলৈ আগবঢ়াই নিয়াৰ বাবে কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হ’ব। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰিব সমবেত পুতলা নাচৰ শিল্পীসকলে। ৯.৩০ বজাত পুতলা নাচৰ ওপৰত নিৰ্মাণ কৰা ৰাজেন দাস পৰিচালিত চলচ্চিত্ৰ ‘লাইফ ইন্ এ পাপেট’ৰ বিশেষ প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। ১০.৪৫ বজাত কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সভাপতিত্বত পুতলা নাচ শিল্পী সমাৰোহ অনুষ্ঠিত হ’ব। এই সমাৰোহতে ৰাজেন দাসৰ সম্পাদনাত ‘অসমৰ পুতলা নাচ’ শীৰ্ষক পুতলা নাচ সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ গ্ৰন্থ উন্মোচন হ’ব। অসমৰ পুতলা নাচৰ ইতিহাস সম্পৰ্কীয় বহু সমল এই গ্ৰন্থখনে সামৰি ল’ব। এই সমাৰোহত পুতলা নাচৰ কে’বাজনো প্ৰবীণ শিল্পীয়ে নিজৰ পুতলা প্ৰদৰ্শন কৰি নতুন প্ৰজন্মক পুতলা নাচৰ বিষয়ে অৱগত কৰিব বুলি জানিব পৰা গৈছে। সমাৰোহত জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী তৰালী শৰ্মাকে ধৰি বহুকেইগৰাকী সাংস্কৃতিক জগতৰ লগত জড়িত ব্যক্তি আৰু পুতলা নাচৰ ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত প্ৰবীণ শিল্পীয়ে অংশগ্ৰহণ কৰিব।

## ডিব্ৰুগড়ত বীৰ লাচিত বৰফুকনৰ সপ্তাহজোৰা জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** ৰাজ্যৰ আন জিলাৰ লগতে ডিব্ৰুগড়তো ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী অনুষ্ঠান অনুষ্ঠিত হৈছে। আগ্ৰাসী মোগলক পৰাভূত কৰা অসমৰ সৰ্বকালৰ বীৰ সেনানায়ক লাচিত বৰফুকনৰ জয়ন্তী প্ৰথম দিনৰ কাৰ্যসূচী উপলক্ষে আজি পুৱা সামৰিক বাহিনী, অৰ্ধসামৰিক বাহিনী, আৰক্ষীৰ জোৱান আদিৰ দ্বাৰা কুচকাৱাজ উলিওৱা হয়। ডিব্ৰুগড় আৰক্ষী ছাউনীৰ পৰা চৌকিডিঙ্গী খেলপথাৰলৈ উলিওৱা হয় এই সমদল। কুচকাৱাজ শুভ উদ্বোধন কৰে জিলা উপায়ুক্ত বিশ্বজিত পেগু আৰু জিলা আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই। ডিব্ৰুগড় অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়াই আঁত ধৰা বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া সপ্তাহজোৰা অনুষ্ঠানৰ শুভ উদ্বোধনী অনুষ্ঠানত উপায়ুক্ত পেগু, আৰক্ষী অধীক্ষক মিশ্ৰ আৰু বিতুল চেতিয়াই মহাবীৰগৰাকীৰ জীৱন-কৰ্মৰ ওপৰত বিস্তৃত বক্তব্য ৰাখে। চৌকিডিঙ্গীত খেলপথাৰত আৰক্ষী দলসমূহৰ লগতে ডিব্ৰুগড় শিক্ষাভেলী বিদ্যালয় আৰু নাহৰকটীয়াৰ চেন্ট জোচেফ বিদ্যালয়ৰ বেণ্ড পাৰ্টীৰ সমদলৰ কলা কৌশলী প্ৰদৰ্শনে সকলোকে আমোদ দিয়ে।

# বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী উপলক্ষে নাজিৰা মহকুমা প্ৰশাসনৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ নৱেম্বৰ ঃ** আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত মহকুমাধিপতি আয়ুষী জৈনৰ সভাপতিত্বত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী উদ্‌যাপন সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। উক্ত আলোচনাত সদৰী কৰা অনুসৰি আগন্তুক ২১ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈকে বীৰগৰাকীৰ দেশপ্ৰেম আৰু বীৰত্ব স্মৰণ কৰি মহকুমা প্ৰশাসনে কে’বাটাও কাৰ্যসূচী হাতত লৈছে। ২১ নৱেম্বৰত ‘Donate a book’ শীৰ্ষক প্ৰচাৰ অভিযান হাতত লোৱা হৈছে, য’ত বিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নাজিৰা পুথিভঁৰালত নিজৰ পছন্দ অনুযায়ী কিতাপ দান কৰিব পাৰিব। ২২ নৱেম্বৰৰ দিনা পুৱাৰ ভাগত বীৰ লাচিত বৰফুকনৰ জীৱন




সন্দৰ্ভত এখন আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হ’ব। তাৰ পিছত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেৰিয়াৰ কাউন্সেলিঙৰ বিষয়ে এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে, য’ত সফল ব্যক্তি ৰূপে একোজনকৈ অভিযন্তা, চিকিৎসক আৰু চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰিব। ঐতিহাসিক শৰাইঘাটৰ ৰণত বীৰ লাচিত বৰফুকনে প্ৰদৰ্শন কৰা বীৰত্বক সুঁৱৰি নাজিৰা মহকুমা প্ৰশাসনৰ সমীপত থকা বৰবৰুৱা পুখুৰী পাৰত ২৩ নৱেম্বৰত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুৱা ১০ বজাৰ পৰা চিত্ৰাংকন আৰু কলা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে তেখেতৰ প্ৰতিচ্ছবি নাজিৰা মহকুমাৰ পুথিভঁৰালত উদ্বোধন কৰা হ’ব। একেদিনাই, সন্ধিয়া ৫ বজাৰ পৰা ৭ বজালৈ এক সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হ’ব। আনহাতে, বৰবৰুৱা পুখুৰীপাৰৰ সৌন্দৰ্য বৰ্ধনৰ বাবে বৃক্ষৰোপণ কাৰ্যসূচীও হাতত লৈছে মহকুমা প্ৰশাসনে। মহকুমাধিপতি আয়ুষী জৈনে সকলো ৰাইজকে লাচিত দিৱসৰ কাৰ্যসূচী সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰিবৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাছে।

# বীৰ লাচিত বৰফুকনৰ জয়ন্তীৰ লগত সংগতি ৰাখি ধিং আৰক্ষীৰ সজাগতামূলক শোভাযাত্ৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধিং, ১৮ নৱেম্বৰ ঃ** বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি আজি ধিং আৰক্ষী আৰু ধিং থানাৰ গাঁওৰক্ষী বাহিনীৰ সহযোগত এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। ধিং আৰক্ষী থানাৰ পৰা উলিওৱা এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে ধিং আঞ্চলিক আছু, ধিং আঞ্চলিক আমছু, ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনচিচি গোট। এই শোভাযাত্ৰাত উপস্থিত থাকে ধিং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিটু দাস, আৰক্ষী চক্ৰ পৰিদৰ্শক অসীম বৰাৰ লগতে বিশিষ্ট ব্যক্তিসকল।

## পশ্চিম ঢকুৱাখনাত বিজ্ঞান লেখক প্ৰদীপ কুমাৰ দত্তৰ তৃতীয়খন গ্ৰন্থ ‘এণ্ডৰফিন’ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা, ১৮ নৱেম্বৰ ঃ** ঢকুৱাখনা মহকুমাৰ পশ্চিম ঢকুৱাখনা অঞ্চলৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান পশ্চিম ঢকুৱাখনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা বিজ্ঞান লেখক প্ৰদীপ কুমাৰ দত্তৰ তৃতীয়খন গ্ৰন্থ-‘এণ্ডৰফিন’ আজি উন্মোচন কৰা হয় পশ্চিম ঢকুৱাখনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰমোদ দত্তৰ সভাপতিত্বত হোৱা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থখন উন্মোচন কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা বিশিষ্ট লেখক ডিম্বেশ্বৰ গগৈয়ে। বিশিষ্ট লেখক গগৈয়ে গ্ৰন্থখন উন্মোচন কৰি কয় যে-‘লেখক প্ৰদীপ দত্তই সমাজৰ সৰ্বসাধাৰণ ৰাইজৰ উপকাৰ হোৱাকৈ অতি সহজ-সৰল ভাষাৰে কিছুমান স্বাস্থ্য সম্পৰ্কীয় আৰু সামাজিক সজাগতামূলক লেখাৰে এই গ্ৰন্থখন প্ৰণয়ন কৰিছে। এই ‘এণ্ডৰফিন’ৰ লেখাবোৰে পঢ়ুৱৈসকলৰ মনৰ মাজতো এণ্ডৰফিনৰ কাম কৰিব।’ ইফালে এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি অৱসৰপ্ৰাপ্ত শিক্ষাবিদ সৰ্বেশ্বৰ সূত বৰুৱা, লিখন চন্দ্ৰ বুঢ়াগোহাঁই, অৱসৰপ্ৰাপ্ত অধ্যক্ষ তুলধৰ শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক অমিয় কুমাৰ সন্দিকৈ, অধ্যাপক ড° অমল চন্দ্ৰ দত্ত, সমাজকৰ্মী যোগেন দত্ত, লেখক প্ৰদীপ দত্ত আদিয়ে বক্তব্য ৰাখে।

# এনটিপিচি, বঙাইগাঁৱে পিআৰচিআই বঁটাৰে গৌৰৱ কঢ়িয়াই আনিলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৮ নৱেম্বৰ ঃ** এনটিপিচি, বঙাইগাঁৱে ২০২২ৰ ১১ আৰু ১২ নৱেম্বৰত কলকাতাত ভাৰতীয় জনসংযোগ পৰিষদে আয়োজন কৰা ১৬সংখ্যক গ্ল’বেল কমিউনিকেচন কনক্লেভত ১২সংখ্যক পিআৰচিআই এক্সিলেন্স এৱাৰ্ডছ-২০২২ৰ অধীনত একাধিক বঁটা লাভ কৰিছে। ইয়াত এনটিপিচি, বঙাইগাঁৱে চাৰিটা বঁটা লাভ কৰে যথাঃ এটা প্লেটিনাম, এটা ৰূপ, এটা ব্ৰঞ্জ আৰু এটি সান্ত্বনা বঁটা। প্লেটিনাম বঁটাটি এনটিপিচি, বঙাইগাঁৱৰ উত্তম পৰিৱেশ-অনুকূল পন্থা (পৰিভ্ৰমী পক্ষীৰ চুটি ছবি) সন্দৰ্ভত নিৰ্মিত কৰ্প’ৰেট ফিল্মৰ বাবে লাভ কৰা হয়। এনটিপিচি, বঙাইগাঁৱত অনুষ্ঠিত উত্তৰ-পূব উৎসৱত কলা আৰু সংস্কৃতিৰ প্ৰোৎসাহৰ বাবে ৰূপৰ পদক, ভিন্ন উপলক্ষত সৃজনীশীলতাৰ উৎকৃষ্ট ডিজাইনৰ বাবে ব্ৰঞ্জ, চিএছআৰৰ অধীনত ‘ই-ভইচ’ পদক্ষেপত কন্টেন্টৰ সৰ্বোত্তম ব্যৱহাৰৰ বাবে সান্ত্বনা বঁটাটি প্ৰদান কৰা হৈছে। এনটিপিচি, বঙাইগাঁৱক এই বঁটাসমূহ প্ৰদান কৰে টাটা ষ্টীলৰ পৰিচালন সঞ্চালক সঞ্জীৱ কুমাৰ, ভাৰতীয় বিজ্ঞাপন মান পৰিষদৰ অধ্যক্ষ এছ কামাথ, পিআৰচিআইৰ সন্মানীয় অধ্যক্ষ তথা মুখ্য পৃষ্ঠপোষক এম বি জয়ৰাম, কানাড়া বেংকৰ প্ৰাক্তন জিএম ড° এছ টি ৰামচন্দ্ৰই। এনটিপিচি, বঙাইগাঁৱৰ এইচআৰ-কৰ্প’ৰেট কমিউনিকেচনৰ জ্যেষ্ঠ প্ৰবন্ধক মাধুৰ্য সিংহ লহকৰক বঁটাসমূহ প্ৰদান অনুষ্ঠানত পিআৰচিআইৰ আন আন জ্যেষ্ঠ সদস্যসকলো উপস্থিত থাকে। ষ্টেচনটোত উক্ত বঁটাসমূহ লাভৰ সন্তুষ্টি ব্যক্ত কৰি এনটিপিচি, বঙাইগাঁৱৰ চিজিএম কৰুণাকৰ দাসে ষ্টেচনটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে টীম বঙাইগাঁও আৰু এইচআৰ বিভাগক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ইয়াত জিএম (প্ৰকল্প) অৰুণাশিস দাস, এজিএম (এইচআৰ) শশী শেখৰ আৰু এজিএম (টিএছ) পৰেশ মাথুৰো উপস্থিত থাকে। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সংস্থাসমূহৰ ৬০ ৰো অধিক কোম্পানীয়ে এই বঁটাত অংশগ্ৰহণ কৰে। ভাৰতীয় জনসংযোগ পৰিষদে এই বঁটা আৰু প্ৰশংসা প্ৰদানেৰে জনসংযোগ, সৃষ্টিশীল যোগাযোগ বিষয়বস্তু যুগুত, কৰ্প’ৰেটৰ সামাজিক দায়বদ্ধতা আৰু অংশীদাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত লক্ষণীয় প্ৰদৰ্শন আৰু উচ্চ পেছাদাৰী মান নিৰ্ধাৰণ কৰা সংস্থাসমূহক স্বীকৃতি জনোৱা আৰু শলাগ লোৱাৰ প্ৰয়াস কৰি আহিছে। এই বঁটা প্ৰদান অনুষ্ঠানত এনটিপিচি লিমিটেডে চেম্পিয়ন অৱ চেম্পিয়নছ হিচাপেও আত্মপ্ৰকাশ কৰে।

**LOST**

I have Lost my HSLC Admit Card Roll B20 195 NO 0585 Mark Sheet Regn. NO 07/UP/0980/106307/18 and HS Marksheet Roll-0170 NO-20112 & Migration certificate Regn.NO-046677 year 2020-21
Name: Mustafiza Khatun
D/O.Abul Kalam Azad
Vill: Alisinga Jangal
PS: Dalgaon
Dist: Darrang (Assam)
Mobile: 9101135855

# কোকৰাঝাৰত বীৰ লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৮ নৱেম্বৰ ঃ** লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে আজি কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ নেতৃত্বত জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত এক সপ্তাহজোৰা অনুষ্ঠানৰ সূচী আৰম্ভ হয়। এই কাৰ্যসূচী কোকৰাঝাৰ আৰক্ষীৰ মাৰ্চ পাষ্ট ৰেলীৰ সৈতে আৰম্ভ হয়। কোকৰাঝাৰ চৰকাৰৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰৰ পৰা আৰম্ভ হোৱা মাৰ্চ পাষ্ট ৰেলীটো বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক লাইশ্ৰাম লাডু সিঙে ফ্লেগ অফ কৰে। সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে কয় যে ৰাজ্যখনৰ আন জিলাসমূহৰ লগতে কোকৰাঝাৰ আৰক্ষীয়েও সমগ্ৰ কোকৰাঝাৰ চহৰখনত এক পদযাত্ৰা কৰিছে, যাতে বীৰ লাচিত বৰফুকনৰ সাহসিকতা আৰু দেশপ্ৰেমৰ বাৰ্তা জিলাখনৰ প্ৰতিজন ব্যক্তিৰ ওচৰলৈ লৈ যাব পাৰে। মাৰ্চ পাষ্টত অসম আৰক্ষী, চিআৰপিএফৰ ১২৯নং বেটেলিয়ন, এছএছবিৰ ষষ্ঠ বেটেলিয়ন আৰু বিভিন্ন বিদ্যালয়ৰ স্কাউট আৰু গাইড উপস্থিত অংশগ্ৰহণ কৰে। কোকৰাঝাৰৰ উপায়ুক্ত বাৰ্ণালী ডেকাই এখন সভাত অংশগ্ৰহণ কৰি কোকৰাঝাৰ জিলাত অনুষ্ঠিত হ’বলগীয়া বিভিন্ন প্ৰতিযোগিতা যেনে মাৰাথন, চাইকেল ৰেলী, অনলাইন অনুষ্ঠান আৰু কোকৰাঝাৰৰ জনসাধাৰণৰ বাবে এনেধৰণৰ বহুতো কাৰ্যসূচীও থাকিব বুলি উল্লেখ কৰে। কাৰ্যসূচীটো ২৫ নৱেম্বৰ, ২০২২ তাৰিখে এক গ্ৰেণ্ড ফিনালেত সমাপ্ত হ’ব। উপায়ুক্ত ডেকাই সকলো কোকৰাঝাৰবাসী ৰাইজক আগুৱাই আহি অনুষ্ঠানসমূহত সম্পূৰ্ণৰূপে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায় আৰু লগতে লাচিত বৰফুকন এপত বীৰ লাচিত বৰফুকনৰ ওপৰত লিখা ৰচনাক আপলোড কৰিবলৈ আহ্বান জনায়। তেওঁ সকলো লোকক আগবাঢ়ি আহি উদ্‌যাপনত যোগদান কৰিবলৈ আহ্বান জনায়। লগতে জিলা প্ৰশাসনে এক সামগ্ৰিক আৰু বৃহৎ উদ্‌যাপনৰ বাবে মাৰ্চেণ্ট এছ’চিয়েচন, বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহ, বিভিন্ন সম্প্ৰদায় আধাৰিত সংগঠন আদিৰ সৈতেও আলোচনা কৰে।

# নলবাৰীত জনপ্ৰিয় ইউটিউবাৰ তথা বিশিষ্ট ব্যৱসায়ী উদ্ধৱ কলিতাই পালন কৰিলে হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ জন্মদিন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ নৱেম্বৰ ঃ** আজি জনপ্ৰিয় কণ্ঠশিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ৫০সংখ্যক জন্মদিন। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ অনুৰাগীয়ে পালন কৰিছে জন্মদিন। নলবাৰী জিলাও ইয়াৰ ব্যতিক্ৰম নহয়। সেইমৰ্মে নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰী দীঘেলীত জনপ্ৰিয় ইউটিউবাৰ উদ্ধৱ কলিতাই প্ৰতিবছৰৰ দৰে এইবেলিও কণ্ঠশিল্পী জুবিন গাৰ্গৰ জন্মদিন পালন কৰে। জুবিন গাৰ্গৰ দীৰ্ঘায়ু কামনা কৰি নেদেখাজনৰ ওচৰত নৈবদ্য আগবঢ়াই জুবিন গাৰ্গৰ কুশল কামনা কৰে ইউটিউবাৰ উদ্ধৱ কলিতাসহ গায়কগৰাকীৰ অনুৰাগীসকলে। উল্লেখ্য, সন্ধিয়া কে’ক্ কাটি হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ জন্মদিন পালন কৰি আনন্দ-উল্লাস প্ৰকাশ কৰে উদ্ধৱ কলিতা আৰু তেওঁৰ বন্ধুবৰ্গই।

# তামুলপুৰত জুবিন গাৰ্গৰ ৫০ বছৰীয়া জন্মদিন উদ্‌যাপন জুবিন ফেন ক্লাবৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ৫০ বছৰীয়া জন্মদিন উদ্‌যাপন হ’ল তামুলপুৰতো। আজি তামুলপুৰ প্ৰেছ ক্লাবত জুবিন ফেন ক্লাবে জুবিন গাৰ্গৰ ৫০ বছৰীয়া জন্মদিন গছপুলি ৰোপণ আৰু সন্ধিয়া কে’ক্ কাটি উদ্‌যাপন কৰে। শিল্পীগৰাকীৰ জন্মদিনৰ লগত সংগতি ৰাখি প্ৰথমে গছপুলি ৰোপণ আৰু পিছত কে’ক্ কাটি জুবিন গাৰ্গলৈ জন্ম দিনৰ শুভ কামনা জ্ঞাপন কৰে জুবিন ফেন ক্লাবৰ সদস্যৰ লগতে তেওঁৰ সতীৰ্থ বন্ধুৱে। উল্লেখ্য যে তামুলপুৰৰ সৈতে জুবিন গাৰ্গৰ শৈশৱৰ আছে এক মধুৰ সম্পৰ্ক। পিতৃৰ চাকৰিৰ সূত্ৰে জুবিন গাৰ্গে তামুলপুৰত কটাইছিল সোণালী শৈশৱ। জুবিন গাৰ্গৰ বাল্যকালৰ বহু স্মৃতি সুঁৱৰি আজি নষ্টালজিক হৈ পৰিল তেওঁৰ কে’বাজনো বন্ধু। ১৯৮৭ আৰু ১৯৮৮ চনতে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম আৰু দশম শ্ৰেণীত অধ্যয়ন কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল জুবিন গাৰ্গ। ইপিনে, তেওঁৰ সতীৰ্থ আৰু ফেন ক্লাবৰ সদস্যসকলে জুবিন গাৰ্গ থকা চৰকাৰী আৱাসটি সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনায়। জন্মদিন উদ্‌যাপন অনুষ্ঠানত জুবিনৰ বাল্যবন্ধু চন্দন শৰ্মা, জয়ন্ত কাকতি, ৰজনী ৰাজবংশীৰ ভাতৃ ৰিংকু ৰাজবংশী, জুবিন ফেন ক্লাবৰ সম্পাদক দীনেশ ৰাজবংশী, সহকাৰী সম্পাদক নীলোৎপল দাসৰ লগতে জুবিন ফেন ক্লাবৰ সদস্যসকল উপস্থিত থাকে।

**SHORT TENDER NOTICE**

It is for general information to all concerned that the sealed tender affixing non refundable Court Fee Stamp of Rs. 8.25 (Rupees Eight and Paise Twenty Five) only on the Tender Form are hereby invited for sale of Re-Assessed Timber Lots. The tender will be received on 29/11/2022 up to 3.00 PM (IST) in the O/o the Divisional Forest Officer, Kamrup East Division, Basistha, Guwahati - 29. The sale notice containing the details of the timber lots along with terms & conditions of sale notice may be procured from the O/o the undersigned during the working hours.

*Divisiondicorest Officer, Kamrup East Division, Basistha, Guwahati -29.*

*Janasanyog /C/14401/22*

O.O No:165

**CORRIGENDUM**

It is for information to all concerned that the tender dates for the re-tender invited for 2 (two) nos of Item of works of Jorhat Forest Division vide O.O. No. 162 published in news paper vide Notice No. Janasanyog/C/13723/22 Dated 11.11.2022, "Repairing of elephant proof Trench from Dhodar Ali to Meleng Beat (approx.500m)” and “Renovation of Gibbon Camp" at Hollongapar Gibbon Sanctuary under Mariani Range, under SOPD Scheme is hereby modified from 15/11/2022 to 05/12/2022 up-to 4 PM instead of 15/11/2022 to 29/11/2022 up-to 4 PM and the tender will be opened on 06/12/2022 at 11.30 AM in the office of the Divisional Forest Officer, Jorhat Division, Jorhat.

Divisional Forest Officer,
Jorhat Division, Jorhat.

*Janasanyog/C/14420/22*

# লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তীত আমিনগাওত এখন আদৰ্শ




**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৮ নৱেম্বৰ ঃ** অসমীয়া জাতিৰ সৌৰ্য-বীৰ্য, মহা পৰাক্ৰমৰ অম্লান প্ৰতীক লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী আজিৰে পৰা সমগ্ৰ ৰাজ্যত সপ্তাহজোৰা কাৰ্যসূচীৰে আৰম্ভ হৈছে। ৰাজ্য চৰকাৰে আয়োজিত কৰা এই বৰ্ণাঢ্য কাৰ্যসূচীৰ মাজতে আমিনগাঁৱত গঢ়ি তোলা হ’ল এখন কৃত্ৰিম আদৰ্শ গাঁও। কংক্ৰিটৰ মহানগৰীত হেৰাই যোৱা এখন অসমীয়া গাঁৱৰ প্ৰাঞ্জল ছবি দাঙি ধৰা হৈছে গাঁওখনত। গাঁওখনত উপলব্ধ বাঁহ-বেতেৰে তৈয়াৰী গ্ৰাম্য জীৱনৰ বিভিন্ন ঘৰুৱা সঁজুলি, বিভিন্ন প্ৰজাতিৰ ধানৰ বীজ, নামঘৰ, অসমীয়া সাজ-পোছাক, নাম-প্ৰসংগকে ধৰি গ্ৰাম্য জীৱনৰ বহু চহকী নিদৰ্শন। আচলতে এই কৃত্ৰিম গাঁওখন সৃষ্টি কৰা হৈছে আমিনগাঁৱৰ সৰলা বিৰলা জ্ঞানজোতি বিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত। এই বিদ্যালয়খনৰ দ্বাৰ উন্মোচন কৰি নষ্টালজিক হৈ পৰিল ৰাজ্যৰ শিক্ষা মন্ত্ৰী ৰণোজ পেগু। শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে গাঁৱৰ প্ৰতিটো মুহূৰ্তই তেওঁক হেৰাই যোৱা শৈশৱলৈ মনত পেলায়। উল্লেখ্য, লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি আজি বিদ্যালয়খনত এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীৰ অন্যতম সংযোজন আছিল এই বিশেষ গাঁওখন।

# মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে যোৰহাট জিলা প্ৰশাসনৰ সপ্তাহজোৰা কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ১৮ নৱেম্বৰ ঃ** আগন্তুক মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে অহা আজি পুৱা ৯.৩০ বজাত যোৰহাট ষ্টেডিয়ামত আৰক্ষী, অসম আৰক্ষী বেটেলিয়ন, চিআৰপিএফ চিআইএছএফ, এনচিচি, স্কাউট এণ্ড গাইড, অসামৰিক প্ৰতিৰক্ষা বাহিনী আৰু গৃহৰক্ষী বাহিনীৰ দ্বাৰা মাৰ্চ পাষ্ট আৰু ব্যেণ্ড প্ৰদৰ্শনীৰে যোৰহাট জিলা প্ৰশাসনে সপ্তাহজোৰা লাচিত দিৱস-২০২২ৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। যোৰহাটবাসী ৰাইজক অনুষ্ঠিত হ’বলগীয়া সকলো কাৰ্যসূচীতে উপস্থিত থাকিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

# নগাঁৱৰ ৰত্নকান্ত বৰকাকতি হাইস্কুলত গতি, অসমৰ জীৱনী গ্ৰন্থমেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** সামাজিক- সাংস্কৃতিক অনুষ্ঠান গতি, অসমে শেহতীয়াকৈ আহোমৰ প্ৰথমগৰাকী স্বৰ্গদেউ চ্যুকাফাৰ পৰা আৰম্ভ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱকে প্ৰমুখ্য কৰি অৰণ্য মানৱ যাদৱ পায়েংলৈকে অসমৰ এশগৰাকী বৰেণ্য ব্যক্তিৰ চমু জীৱনী গ্ৰন্থ প্ৰকাশেৰে শিশু আৰু যুৱচামক অসমৰ বৰেণ্য ব্যক্তিসকলৰ লগত পৰিচয় কৰাই দিয়াৰ প্ৰচেষ্টা গ্ৰহণ কৰে। আজি নগাঁও চহৰৰ পূব আমোলাপট্টিস্থিত ৰত্নকান্ত বৰকাকতি হাইস্কুলত গতি, অসম আৰু চিন্তামণি প্ৰকাশনৰ উদ্যোগত এখন জীৱনী গ্ৰন্থমেলা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থৰ মনোৰম জগতত প্ৰৱেশ কৰাই দিয়াৰ প্ৰয়াসেৰে আয়োজন কৰা এই গ্ৰন্থমেলাত ৰত্নকান্ত বৰকাকতি হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী তৃষ্ণা বৰাই উপস্থিত লোকসকলক আদৰণি জনায়। আনহাতে, গতি অসমৰ সম্পাদক অনুভৱ পৰাশৰে ১৯৯৭ চনৰ ৩ মে’ত জন্ম লাভ কৰা সামাজিক-সাংস্কৃতিক অনুষ্ঠান গতি অসমে শিশু আৰু চেমনীয়াসকলৰ বৌদ্ধিক বিকাশৰ বাবে গ্ৰহণ কৰি অহা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰাৰ লগতে চলিত বৰ্ষৰ মে’ মাহত অসমৰ এশগৰাকী বৰেণ্য ব্যক্তিৰ জীৱনীক সামৰি অসমৰ এশগৰাকী লেখকে ৰচনা কৰা এশখন জীৱনী গ্ৰন্থ প্ৰকাশ কৰাৰ বিষয়ে জানিবলৈ দিয়ে। উক্ত জীৱনী গ্ৰন্থসমূহৰ জৰিয়তে অসমৰ বৰেণ্য ব্যক্তিসকলক শিশু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে গতি, অসমে ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত জীৱনী গ্ৰন্থমেলা অনুষ্ঠিত কৰি অহাৰ বিষয়েও পৰাশৰে জানিবলৈ দিয়ে। এদিনীয়াকৈ অনুষ্ঠিত জীৱনী গ্ৰন্থমেলাত অংশ লৈ সাংবাদিক জিতেন বৰকটকী, ৰণাংগন আলোচনীৰ সম্পাদক মিন্টু দাস, ৰত্নকান্ত বৰকাকতি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা লেখিকা উৰ্মিলা বৰুৱা, অপৰাজিতা ফুকন আদিয়ে গতি, অসমৰ এনে প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে এই জীৱনীমূলক গ্ৰন্থসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ’ব বুলি আশা প্ৰকাশ কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী তৃষ্ণা বৰাই ৰত্নকান্ত বৰকাকতি হাইস্কুলত জীৱনী গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ বাবে গতি, অসমৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। নগাঁও জিলাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত গতি, অসমৰ জীৱনী গ্ৰন্থমেলাত ৰত্নকান্ত বৰকাকতি হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে আশানুৰূপ সঁহাৰি জনোৱা পৰিলক্ষিত হয়।

## মহাবীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তী উপলক্ষে বৰপেটাত আৰক্ষীৰ মাৰ্চ পাষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৮ নৱেম্বৰ ঃ** মহাবীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তী উপলক্ষে আজি বৰপেটাতো বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা হৈছে। শুকুৰবাৰৰ পৰা ২৪ নৱেম্বৰলৈকে জিলাখনত বিভিন্নধৰণৰ কাৰ্যসূচীৰে মহাবীৰ লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন কৰা হ’ব। আজি পুৱা বৰপেটা জিলাৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত মাৰ্চ পাষ্টেৰে লাচিত দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। মাৰ্চ পাষ্টৰ শুভাৰম্ভ কৰে বৰপেটা জিলাৰ উপায়ুক্ত আয়ুষ গৰ্গে। আৰক্ষীৰ মাৰ্চ পাষ্টৰ লগতে গায়ন-বায়ন, বিহুৱা দল আৰু ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰে। পৌৰসভাৰ খেলপথাৰৰ পৰা আৰম্ভ হোৱা এই অনুষ্ঠান পাঁচ আলি, মুছলিমপট্টি, নিউ কৰ্ট ৰোড, থানা ৰোড, তৰুণৰাম ফুকন হল পথ হৈ পুৰণি চিকিৎসালয় পথৰ মাজেৰে আগবাঢ়ি গৈ পৌৰসভা ফিল্ডত মাৰ্চ পাষ্টৰ সামৰণি পৰে।

## ৰাশিফলত আজিৰ দিনটো

**২ আঘোণ, শনিবাৰ, ১৯ নৱেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা দশমী, নক্ষত্ৰ ঃ উত্তৰ ফাল্গুনী ঃ ৰাশি ঃ কন্যা**
■ **সূৰ্যোদয়- ৫-৪৮-৪৯ সূৰ্যাস্ত- ৪-৩০-৬**



**মেষ ঃ** নিজৰ গৃহত নজৰ ৰাখিব ■ **বৃষ ঃ** উৎসৱত অংশগ্ৰহণ ■ **মিথুন ঃ** আৰক্ষীৰ সুনাম ■ **কৰ্কট ঃ** শ্ৰদ্ধা-ভক্তি বাঢ়িব ■ **সিংহ ঃ** মানসিক দিশ উন্নত ■ **কন্যা ঃ** নতুন প্ৰেৰণা লাভ ■ **তুলা ঃ** ৰাজনীতিত সাৱধান ■ **বৃশ্চিক ঃ** সৃজনীশীল কৰ্মত আত্মনিয়োগ ■ **ধনু ঃ** উত্তম ভোজন ■ **মকৰ ঃ** প্ৰেমৰ সন্ধানত ব্যস্ত ■ **কুম্ভ ঃ** নতুন প্ৰেমত আনন্দ ■ **মীন ঃ** সমস্যা সমাধান।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৩
ত্ৰয়োদশ বছৰ ■ সংখ্যা ১০৩ ■ গুৱাহাটী ■ শনিবাৰ, ১৯ নৱেম্বৰ, ২০২২, ২ আঘোণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XIII ISSUE NO. 103 Dainandin Barta ■ Guwahati, Saturday ■ 19 November, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মাৰপিটত ঘটনাত জড়িত তিনিজন ছাত্ৰক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ




### আন দুজন ছাত্ৰক বিশ্ববিদ্যালয়ত প্ৰৱেশ নিষিদ্ধঘোষণা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** উজনিৰ অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অৰাজক পৰিস্থিতি সৃষ্টি হৈছে। পুনৰ নতুন বিতৰ্কত নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়। কেইমাহমানৰ পূৰ্বে বিশ্ববিদ্যালয়ত মাচুল বৃদ্ধিক লৈ হৈছিল এক অপ্ৰীতিকৰ পৰিস্থিতি। এই ঘটনাৰ পিছত এইবাৰ ছাত্ৰৰ গুণ্ডাগিৰি আৰু অসভ্যালিৰ চৰম পৰ্যায় পাইছেগৈ বিশ্ববিদ্যালয়খনৰ হোষ্টেলত। সদ্যসমাপ্ত বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ পিছতেই মফিজুদ্দিন আহমেদ হাজৰিকা ছাত্ৰ নিৱাসত সংঘটিত হয় মঙলবাৰে ভয়াৱহ মাৰপিটৰ ঘটনা। যোৱা মঙলবাৰে নিৰ্বাচন শেষ হোৱাৰ ■ ৮ পৃষ্ঠাত

## ৭০খন দেশৰ প্ৰতিনিধিৰ সন্মুখত ক'লে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

# 'সন্ত্ৰাসবাদীক সমৰ্থন জনাই থকাসকলৰ নেটৱৰ্ক ভাঙিবই লাগিব'

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে দৃঢ়তাৰে কয় যে কেইবা দশক ধৰি বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদে ভাৰতক আঘাত কৰাৰ চেষ্টা কৰি আহিছে। সেই অপশক্তিবোৰক ■ ৮ পৃষ্ঠাত

# আন্দোলনত নেতাৰ মৃত্যু নহয় কিয় ঃ যাদৱ পায়েং

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৮ নৱেম্বৰ ঃ** খং উঠিছে অৰণ্য মানৱখ্যাত যাদৱ পায়েঙৰ। মানৱ সম্পদৰ অপচয় দেখি ক্ষোভ প্ৰকাশ কৰিছে পায়েঙে। আলফা স্বাধীনৰ পৰেশ বৰুৱাকো ধমক দি কৈছে বাঘজানৰ কাম কৰাসকলক অপহৰণ কৰা কাৰ্যত লাজ পাব লাগিছিল বুলি। একেদৰে যিকোনো অন্দোলনত নৱম-দশম শ্ৰেণীৰ ছাত্ৰহঁতে কিয় মৃত্যুক সাবটি ল'ব লগা হয় বুলি প্ৰশ্ন কৰি অন্দোলনত নেতাৰ মৃত্যু কিয় নহয় বুলি তীৰ্যক মন্তব্য কৰে। সৰু সৰু ল'ৰা-ছোৱালীক অন্দোলনত আগবঢ়াই দি নেতাসকল পঞ্চ ■ ৮ পৃষ্ঠাত



## ভূৰাগাঁৱৰ গেৰুৱাত ন-বোৱাৰীৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ গেৰুৱাত নিৰ্যাতনৰ বলি হৈ ন-বোৱাৰীয়ে আত্মহত্যা কৰে। মৃত বোৱাৰীগৰাকীৰ নাম ৰিয়া (১৭)। উত্তৰ প্ৰদেশৰ পৰা প্ৰেম সূত্ৰে গেৰুৱাৰ বিকি বৰা নামৰ যুৱকজনে পলুৱাই আনিছিল

## মিনি বলীউডলৈ পৰ্যবসিত অসম নিশাৰ ভিতৰত সৃষ্টি হৈছে গাঁও

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৮ নৱেম্বৰ ঃ** তেজপুৰ, বোকাখাত, কি কাৰ্বি আংলং। সকলোতে এতিয়া বলীউডৰ জ্বৰ। কংগনা ৰানাৱত ব্যস্ত বোকাখাত, কাৰ্বি আংলঙত। পূৰ্ণগতিত চলিছে 'ইমাৰজেঞ্চি'ৰ শ্বুটিং চলিছে। গাঁৱৰ ৰাইজৰ মনত স্ফূৰ্তি। ৰূপালী পৰ্দাৰ নায়িকাক ওচৰতে দেখা পাইছে তেওঁলোকে। পাৰ্যমানে সহায়ো কৰিছে বলীউডৰ ইউনিটক। আনহাতে, তেজপুৰত পূৰ্ণগতিত চলিছে 'ফাইটাৰ'ৰ দৃশ্য গ্ৰহণ। দৃশ্য গ্ৰহণত অংশ লৈছে বলীউডৰ তাৰকা ■ ৮ পৃষ্ঠাত

# লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী আৰম্ভ

**৮দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰ পৰা কামৰূপ জিলাত আৰম্ভ হ'ল বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ ঃ কামৰূপ আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত মাৰ্চ পাষ্ট ঃ উদ্‌যাপনৰ উদ্বোধনী সভাত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী**



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৮ নৱেম্বৰ ঃ** বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী আজিৰে পৰা ২৫ নৱেম্বৰলৈ বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজনৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰে প্ৰথম কাৰ্যসূচী হিচাপে আজি পুৱা আমিনগাঁওস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰৰ পৰা কামৰূপ আৰক্ষীৰ উদ্যোগত এক মাৰ্চ পাষ্ট অনুষ্ঠিত হয়। কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰা এই মাৰ্চ পাষ্ট হাজো চ'ক পৰিভ্ৰমণ কৰি পুনৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰলৈ অহাৰ পিছতে কামৰূপ আৰক্ষী তথা জিলা প্ৰশাসনৰ উদ্যোগত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বীৰ লাচিত বৰফুকন স্মাৰক সভাৰ লগতে লাচিতৰ বীৰত্বৰ গাথা সামৰি এক সংগীতালেখ্য অনুষ্ঠান অনুষ্ঠিত হয়। সংগীতালেখ্য পৰিৱেশন কৰে ■ ৮ পৃষ্ঠাত

## স্বীকাৰ বিত্তমন্ত্ৰীৰ
## সুস্থিৰ নহয় ব্ৰিটেইনৰ অৰ্থনীতি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ নৱেম্বৰ ঃ** ভাৰতীয় মূলৰ ঋষি চুনাকে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশেষকৈ দেশখনৰ ভাগি পৰা অৰ্থনীতি পুনৰুজ্জীৱিত কৰিবলৈ চুনাকে দেশবাসীৰ ওপৰত অতিৰিক্ত কৰৰ বোজা জাপি দিবলগীয়া হৈছে। এক কথাত ক'বলৈ গ'লে ব্ৰিটেইনৰ অৰ্থনীতি এতিয়া মুঠেও সুস্থিৰ নহয়। এই কথা স্বীকাৰ কৰিছে খোদ ব্ৰিটেইনৰ ■ ৮ পৃষ্ঠাত

## হায়দৰাবাদৰ মহাবিদ্যালয়ৰ পৰীক্ষাগাৰত গেছ লিক

## ৩৫গৰাকী শিক্ষাৰ্থী গুৰুতৰভাৱে অসুস্থ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ নৱেম্বৰ ঃ** মহাবিদ্যালয়ৰ পৰীক্ষাগাৰত শিক্ষাৰ্থীয়ে পৰীক্ষা কৰি থকাৰ সময়তে ঘটিল অঘটন। এক গেছ লিকৰ ঘটনাই আতংকিত কৰি তুলিছে হায়দৰাবাদৰ বাসিন্দাসকলক। হায়দৰবাদৰ কস্তুৰবা চৰকাৰী মহাবিদ্যালয়ৰ এটা পৰীক্ষাগাৰত ৰাসায়নিক গেছ লিক হোৱাৰ ফলত কমেও ৩৫ জন শিক্ষাৰ্থী অসুস্থ হৈ পৰে। অসুস্থ হৈ পৰা শিক্ষাৰ্থীসকলক লগে লগে চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হয়। গুৰুতৰভাৱে অসুস্থ হৈ পৰা ■ ৮ পৃষ্ঠাত

## সন্ত্ৰাসবাদৰ ভাবুকি কোনো ধৰ্ম, ৰাষ্ট্ৰীয়তা বা গোটৰে সম্পৰ্কিত নহয় ঃ অমিত শ্বাহ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ নৱেম্বৰ ঃ** বিশ্বশান্তি আৰু নিৰাপত্তাৰ বাবে সন্ত্ৰাসবাদ আটাইতকৈ গুৰুতৰ ভাবুকি। এই মন্তব্য কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে শুকুৰবাৰে কয় যে সন্ত্ৰাসবাদৰ ভাবুকি কোনো ধৰ্ম, ৰাষ্ট্ৰীয়তা বা গোটৰ সৈতে সম্পৰ্কিত হ'ব নোৱাৰে আৰু সেয়া কোনেও কৰিবও নোৱাৰে। তৃতীয় 'সন্ত্ৰাসবাদবিৰোধী' সন্মিলনত ভাষণ দি তেওঁ কয় যে ■ ৮ পৃষ্ঠাত



*বোকাখাতত এথলেটিকছ শিবিৰ মুকলি মন্ত্ৰী অতুল বৰাৰ, শুকুৰবাৰে*

## ডিব্ৰুগড়ত ৯ মাওবাদীৰ আত্মসমৰ্পণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** ডিব্ৰুগড় আৰক্ষীৰ ওচৰত ৯ মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে। ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই আজি আনুষ্ঠানিকভাৱে সংবাদ মাধ্যমৰ আগত এই বিষয়ত সদৰী কৰে। উল্লেখ্য যে ২০১৭ চনৰ পৰা মাওবাদীৰে সম্পৰ্ক ■ ৮ পৃষ্ঠাত

केनरा बैंक Canara Bank
सिंडिकेट Syndicate
**নগাঁও শাখা**
ভিআইপি ৰোড, খ্ৰীষ্টিয়ানপট্টী, ষ্টেডিয়াম মাৰ্কেটৰ ওচৰত, নগাঁও, অসম- ৭৮২০০১
যোগাযোগ নং. ০৩৬৭২-২৩০২১২/২৫৪৬৩৭

**দখলৰ জাননী [ধাৰা ১৩ (৪)]**
**(স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু
কানাৰা বেঙ্কৰ নিম্নস্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়া, বিত্তীয় সম্পদৰ সুৰক্ষা আৰু পুনৰ্নিৰ্মাণ আৰু সুৰক্ষা প্ৰৱৰ্তন সূত আইন, ২০০২ (২০০২ চনৰ আইন ৫৪) (ইয়াৰ পিছত 'আইন' বুলি গণ্য কৰা হ'ব) আৰু ধাৰা ১৩ (১২) ৰ ক্ষমতা প্ৰয়োগ কৰি লগতে পঢ়ি উঠি ছিকিউৰিটি ইণ্টাৰেষ্ট (বলবৎ) নিয়ম- ২০০২ অনুসৰি **১৮.০৮.২০২২ তাৰিখে এখন দাবী জাননী** জাৰী কৰা হৈছে ঋণ লওঁতা **শ্ৰীমতী দিপ্তী দাস (স্বৰ্গীয় ডিম্বেশ্বৰ দাসৰ উত্তৰাধীকাৰী)** যাতে উল্লেখ কৰা পৰিমাণ অনাদায় ধনৰাশী **৭,৬৭,৫৯৩.৭৩ টকা (সাত লাখ সাতষষ্ঠি হাজাৰ পাঁচশ তিৰানব্বৈ টকা আৰু তেসত্তৰ পইচা কেৱল)** উক্ত জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত আদায় দিয়া হয়।
ঋণ লওঁতা উক্ত ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে, জাননীৰ দ্বাৰা ঋণ লওঁতা আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্নস্বাক্ষৰকাৰীয়ে উপৰোক্ত আইনৰ ক্ষমতাপ্ৰয়োগ কৰি লগতে ধাৰা ১৩ (৪)ৰ অধীনত, পঢ়ি উঠি বিধি ৮ আৰু ৯ অনুসৰি উক্ত সম্পদ নিজৰ দখললৈ আনিছে **১৮ নৱেম্বৰ, ২০২২ তাৰিখে।**
ঋণ লওঁতা বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে উক্ত সম্পত্তিৰ কাৰণে যাতে কোনো লেনদেন কৰা নহয়, অন্যথা কানাড়া বেংকক আদায় দিব লাগিব **৭,৬৭,৫৯৩.৭৩ টকা** আৰু তাৰ ওপৰত সূত।
আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পতি সমূহক উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণ লওতাৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণঃ**
১) ভূমিৰ সকলো অংশ আৰু বিল্ডীং, পৰিমাপ হ'ল ০৫ কঠা আৰু ০১ লেচা। আৱৰি আছে দাগ নংঃ ৪০৪,৪১৯,৪২০,২১৮৬, পট্টা নংঃ ২০১। অৱস্থিত আছে গাঁওঃ ঘাঁহি মাজগাঁও, কিছাম-ভাটিকুৰী, মৌজাঃ জাগিয়াল, নামত আছে (স্বৰ্গীয়) ডিম্বেশ্বৰ দাস, পঞ্জীয়ন আছে নগাঁও জিলাৰ উপ- জিলা ৰহাৰ অধীনত।
**সম্পদৰ চাৰিসীমাঃ**
**উত্তৰেঃ** কুশাৰাম দাস, **দক্ষিণে ঃ** নিৰ্মল শইকীয়া, **পূৰেঃ** পানীৰ নলা, **পশ্চিমেঃ** নিজে (ডিম্বেশ্বৰ দাস)।

২) ভূমিৰ সকলো অংশ আৰু বিল্ডীং, পৰিমাপ হ'ল ১০ লেচা। আৱৰি আছে দাগ নংঃ ৪১৯, পট্টা নংঃ ২০১। অৱস্থিত আছে গাঁওঃ ঘাঁহি মাজগাঁও, কিছাম-ভাটিকুৰী, মৌজাঃ জাগিয়াল, নামত আছে (স্বৰ্গীয়) ডিম্বেশ্বৰ দাস, পঞ্জীয়ন আছে নগাঁও জিলাৰ উপ- জিলা ৰহাৰ অধীনত।
**সম্পদৰ চাৰিসীমাঃ**
**উত্তৰেঃ** ভাইটি দাস (ভেণ্ডৰ), **দক্ষিণে ঃ** ডিম্বেশ্বৰ দাস (ভেণ্ডী), **পূৰেঃ** ডিম্বেশ্বৰ দাস (ভেণ্ডী), **পশ্চিমেঃ** ভাইটি দাস (ভেণ্ডৰ)।

**তাৰিখ ঃ ১৮.১১.২০২২** **কৰ্তৃত্বশীল বিষয়া**
**স্থান ঃ নগাঁও** **কানাড়া বেংক**

RELIANCE MONEY
**ৰিলায়েন্স কমাৰ্চিয়েল ফাইনেন্স লিমিটেড**
আঞ্চলিক কাৰ্যালয়ঃ ৯বি, উড ষ্ট্ৰিট, চতুৰ্থ মহলা, কলকাতা-৭০০০১৬
পঞ্জীয়ন কাৰ্যালয়ঃ ৭ম মহলা, বি-উইং, ট্ৰেড ৱৰ্ল্ড, কমলা মিলছ কম্পাউণ্ড, এছ.বি. মাৰ্গ, লৱাৰ পাৰেল, মুম্বাই-৪০০ ০১৩

যিহেতু ঋণ লওঁতা/সহ-ঋণ লওঁতা/ গেৰাণ্টৰ/বন্ধকীসকলে ৰিলায়েন্স কমাৰ্চিয়েল ফাইনেন্স লিমিটেডৰ পৰা বিত্তীয় সাহায্য লাভ কৰিছিল। আমি কওঁ যে বিত্তীয় সাহায্য প্ৰাপ্ত কৰা স্বত্বেও, ঋণ লওঁতা/ গেৰাণ্টৰ/বন্ধকীসকলে নিৰ্দিষ্ট তাৰিখ অনুসৰি সূত আৰু মূলধন পৰিশোধ কৰাত ব্যৰ্থ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে জাৰী কৰা নিৰ্দেশনা/পৰামৰ্শ অনুসৰি ইয়াত উল্লেখ কৰা সংশ্লিষ্ট তাৰিখবোৰত অনা-কাৰ্যকৰী সম্পদ হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে, যাৰ ফলস্বৰূপে বিত্তীয় সম্পদৰ সুৰক্ষা আৰু পুনৰ্গঠন আৰু সুৰক্ষা সূত বলৱৎ আইন, ২০০২-ৰ অধীনত ৰিলায়েন্স কমাৰ্চিয়েল ফাইনেন্স লিমিটেডৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই নিৰাপত্তা নিয়ম-৩ (প্ৰৱৰ্তন) নিয়মৰ সৈতে পঢ়ি উঠি ধাৰা ১৩(২)ৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰা হৈছে। চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি- ২০০২ অধিনত দাবী জাননী জাৰি কৰা হৈছে ঋণ লওতা/ গেৰেণ্টৰ / বন্ধকীসকললৈ যাতে জাননীত উল্লেখ কৰা পৰিমাণৰ আৰু আনুষঙ্গিক ব্যয়, মাচুল আদি ৬০ দিনৰ ভিতৰত পৰিশোধ কৰে।
তেওঁলোকৰ অন্তিম জ্ঞাত ঠিকনাত তেওঁলোকলৈ প্ৰেৰণ কৰা জাননীবোৰ পৰিৱেশন নকৰাকৈ ঘূৰি আহিছে আৰু সেয়েহে তেওঁলোকক ইয়াৰ বিষয়ে ৰাজহুৱা জাননীৰ দ্বাৰা অৱগত কৰা হৈছে।

| ঋণ লওঁতা/ সহঃ ঋণ লওঁতাৰ নাম | সম্পদৰ বিৱৰণ | এন পি এ তাৰিখ | দাবী জাননীৰ তাৰিখ আৰু পৰিমাণ | ঋণৰ পৰিমাণ |
|---|---|---|---|---|
| ১. মঃ ছাদেক আলী<br>২. ৰৌছানাৰা বেগম<br>এল এ এনঃ আৰএলএএলজিইউ ডব্লিউ০০০৩৫২৫৫৭ | ভুমিৰ এটা খণ্ড, পৰিমাপ হ'ল ১ বিঘা, আৱৰি আছে দাগ নংঃ ৮০০, কেপি পট্টা নংঃ ১৯৮, ৰাজহ গাঁওঃ ৩ নং লাৰাকুছি, মৌজাঃ পশ্চিম বৰক্ষেত্ৰী, জিলাঃ নলবাৰী, অসম। লগতে আছে আবাসিক ঘৰ।<br>চুক্তি অনুসৰি ভুমিৰ চাৰিসীমাঃ<br>উত্তৰেঃ পথ, দক্ষিণেঃ ৰাসমান আলী, পূৰেঃ ছাভান আলী, পশ্চিমেঃ আবুল হুছেইন। | ৮ এপ্ৰিল, ২০১৯ | অনাদায় ধনৰ পৰিমাণ<br>৪৩,৯৭,৩১৩ টকা<br><br>জাননীৰ তাৰিখ<br>১৬.০৯.২০২২ | ঋণৰ পৰিমাণ<br>২৫,০০,০০০ টকা |

ওপৰোক্ত পৰিস্থিতিত, ইয়াৰ দ্বাৰা ওপৰোক্ত ঋণ লওঁতা, সহ-ঋণ লওঁতা আৰু / বা তেওঁলোকৰ গেৰাণ্টৰসকলক (য'ত প্ৰযোজ্য হয়) ভৱিষ্যতৰ সূত আৰু প্ৰযোজ্য মাচুলৰ সৈতে পৰিশোধ কৰিবলৈ দিয়া হৈছে, এই জাননীৰ ৬০ দিনৰ ভিতৰত। ইয়াৰ পিছত ৬০ দিন অতিক্ৰম কৰিলে ঋণ লওতা আৰু বন্ধকীসকলৰ বন্ধকী সম্পত্তি অধিগ্ৰহণ কৰাৰ পদক্ষেপ লোৱা হ'ব। বিত্তীয় সম্পদ আৰু সুৰক্ষা সূত প্ৰৱৰ্তন আইন, ২০০২-ৰ ধাৰা ১৩(৪)ৰ অধীনত ঋণ লওঁতা আৰু বন্ধকীৰ সুৰক্ষিত সম্পত্তি আৰু তাত প্ৰযোজ্য নিয়ম অনুসৰি।
অনুগ্ৰহ কৰি মন কৰিব যে উক্ত আইনৰ ধাৰা ১৩ (১৩)ৰ অধীনত, কোনো ঋণ লওঁতাই সুৰক্ষিত ঋণদাতাৰ আগতীয়া লিখিত সন্মতি অবিহনে জাননীখনত উল্লেখ কৰা তেওঁৰ কোনো সুৰক্ষিত সম্পত্তি বিক্ৰী, লীজ বা অন্য ঠাইলৈ স্থানান্তৰ নকৰে যেন।
স্বাক্ষৰ/-
**তাৰিখঃ ১৯-১১-২০২২** (কৰ্তৃত্বপ্ৰাপ্ত বিষয়া),
**স্থানঃ অসম** ৰিলায়েন্স কমাৰ্চিয়েল ফাইনেন্স লিমিটেড

NEMCARE Group of Institutions
ESTD : 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125

केनरा बैंक Canara Bank
सिंडिकेट Syndicate
**বিক্ৰী জাননী**
**গুৱাহাটী পাঞ্জাবাৰী শাখা**
ঘৰ নং ঃ ৩৫ (এ), পাঞ্জাবাৰী ৰোড, গাৰ্লচ হাইস্কুলৰ বিপৰীতে, পাঞ্জাবাৰী-৭৮১০৩৭

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**
জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **১৩.১২.২০২২** তাৰিখত কানাড়া বেংকৰ তলত উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **১২.১২.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ১৩.১২.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক গুৱাহাটী পাঞ্জাবাৰী শাখা, ঘৰ নংঃ ৩৫ (এ), পাঞ্জাবাৰী ৰোড, গাৰ্লচ হাইস্কুলৰ বিপৰীতে, পাঞ্জাবাৰী-৭৮১০৩৭<br>(খ) ঋণ লওঁতা ঃ [illegible] | এটা আৱাসিক ফ্লেট নং ৪ ই, চতুৰ্থ মহলা, নবীন এনক্লেভ, চুপাৰ বিল্ড এৰিয়া ৯৭১ বৰ্গফুট (০.৪০ আৰ)। আৱৰী আছে ডাগ নং ৪১৫৭/৪১৫৮ (পুৰণি)/৬৩২ (নতুন), কে পি পট্টা নং ৫৩৯/৩৬ [illegible] | (ক) মুঠ অনাদায় ঃ ৩১,৯৪,৫২০.৫৫ টকা + অতিৰিক্ত সুত আৰু ব্যয়।<br>(খ) সংৰক্ষিত মূল্য ঃ [illegible] |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক [illegible]
তাৰিখ ঃ ১৮.১১.২০২২, স্থান ঃ গুৱাহাটী কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক

केनरा बैंक Canara Bank
सिंडिकेट Syndicate
**বিক্ৰী জাননী**
**নলবাৰী শাখা**
পাল্লা ৰোড, ৱাৰ্ড নং-১১, হল্ডিং নং-২৩৫
ডাকঘৰ- গোপাল বজাৰ, নলবাৰীঃ ৭৮১৩৫৩

**স্থাৱৰ সম্পত্তিৰ কাৰণে ই-নিলাম বিক্ৰী জাননী, ছিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল এচেছ এণ্ড এনফ'চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**
[illegible]

| ক্ৰঃ নং | ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/ শাখাৰ নাম আৰু ঠিকনা খ) ঋণ লওঁতা / গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | ক) মুঠ দায়বদ্ধতা (টকা) খ) সংৰক্ষিত মূল্য (টকা) গ) ইএমডি (টকা) ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) |
|---|---|---|---|
| ১. | (ক) কানাড়া বেংক, নলবাৰী শাখা, পাল্লা ৰোড, ৱাৰ্ড নং-১১, হল্ডিং নং-২৩৫ ডাকঘৰ- গোপাল বজাৰ, নলবাৰী: ৭৮১৩৫৩ [illegible] | [illegible] | [illegible] |

[illegible]

জাতি, মাটি আৰু দেশৰ সেৱাত দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৯ নৱেম্বৰ ■ ২০২২ ■ ২ আঘোণ

# ধৰ্মান্তৰকৰণ আৰু চৰকাৰৰ দায়িত্ব

অসমত ধৰ্মান্তৰকৰণ শব্দটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। ইয়ে ৰাজ্যখনৰ প্ৰতি এক গুৰুত্বপূৰ্ণ ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰলোভন, প্ৰতাৰণামূলক কথা তথা বলপূৰ্বক ধৰ্মান্তৰকৰণৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। ইয়াৰ বিৰুদ্ধে বিভিন্ন সময়ত বিভিন্নজনে অভিযোগ উত্থাপন কৰি আহিছে যদিও ইয়াক ৰোধ কৰিব পৰা নাই। শেহতীয়াকৈ দেশৰ উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰি উল্লেখ কৰে যে নিজৰ ধৰ্ম গ্ৰহণ কৰাৰ বাবে প্ৰতিজন লোকৰে বিবেকৰ স্বাধীনতা আছে। অন্যথা বলপূৰ্বক, প্ৰলোভন দি আৰু প্ৰতাৰণামূলকভাৱে ধৰ্মান্তৰকৰণ উচিত নহয়। তাক বন্ধ কৰিবই লাগিব। চৰকাৰে এইক্ষেত্ৰত আগভাগ ল'ব লাগিব। উচ্চতম ন্যায়ালয়ৰ এনে ৰায়ে ৰাইজৰ মাজত শংকা ওপজা কাৰ্যত কাৰ্যতঃ গুৰুত্বপূৰ্ণ ৰায় বুলি বিবেচিত। ৰাজ্যখনত ধৰ্মান্তৰকৰণ আৰু অবৈধ কাৰ্যকলাপ চলাই থকা বহুতৰ বিপক্ষে অভিযোগ কৰি থকা হৈছিল বাবেই ইতিমধ্যে কিছুসংখ্যক বিদেশী নাগৰিকক চৰকাৰে গ্ৰেপ্তাৰ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। বাতৰিত প্ৰকাশ পোৱা মতে ইউৰোপীয় আৰু বাংলাদেশী কেইবাজনো নাগৰিকক এনে কাৰ্যৰ বাবে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু অবৈধ কাৰ্যত লিপ্ত থকাৰ প্ৰমাণো পাইছে। এইক্ষেত্ৰত অসমৰ জনজাতীয় আৰু চাহ বাগিচাৰ অঞ্চলাদিত অবৈধভাৱে ধৰ্মানুষ্ঠানৰ সভাপতি ধৰ্মান্তৰকৰণৰ অপচেষ্টা চলোৱাৰ অভিযোগ স্থানীয় ৰাইজে উত্থাপন কৰিছে। ৰাজ্য ভিন্ন প্ৰান্তৰ উপৰি মাজুলীৰ ৰাইজৰ জনজাতীয় বাসিন্দাসকল আটাইতকৈ লক্ষ্য হৈ পৰিছে। এইসকল সহজ-সৰল মানুহক প্ৰলোভন আৰু প্ৰতাৰণাৰে ধৰ্মান্তৰকৰণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ভাষা-সংস্কৃতিৰ প্ৰতি ই এক ভাবুকি হৈ পৰিছে। এইসকলক কিছু সা-সুবিধাৰ প্ৰলোভন দি সহজ বাবেই ই সহজ হৈ পৰিছে। কিন্তু ইয়াৰ ফলত তেওঁলোকৰ ভাষা-সংস্কৃতি, বিশ্বাস, জীৱনশৈলী সকলো লোপ পোৱাৰ উপক্ৰম হৈছে। ৰাজ্যখনৰ বিভিন্ন অঞ্চলত অসমৰ জনজাতীয় সমাজত বিশেষকৈ খ্ৰীষ্টান মিছনাৰীৰ কাৰ্যকলাপ বাঢ়ি যোৱাৰ উপক্ৰম পৰিলক্ষিত হৈছে। বিশেষকৈ প্ৰলোভন আৰু নানা হেঁচাত এই ধৰণৰ কাৰ্য অবিৰতভাৱে চলি থকাৰ অভিযোগ প্ৰকাশ পাই আহিছে। অৱশ্যে সত্ৰীয়া নাইবা নৱ-বৈষ্ণৱবাদী ধৰ্ম-সংস্কৃতি গ্ৰহণ কৰাসকলে জনজাতীয় সমাজক উপযুক্ত সন্মান দিব নোৱৰাটো অন্যতম কাৰণৰূপে চিহ্নিত হোৱাত তেওঁলোকে বহিৰাগতৰ প্ৰলোভনত নিজকে সমৰ্পিত কৰিব নোৱাৰিলেহেঁতেন। অৱশ্যে অসমীয়া সমাজে কোনো লোকক হেঁচা প্ৰয়োগৰ দ্বাৰা ধৰ্মান্তৰকৰণৰ চেষ্টা কৰা পৰিলক্ষিত নহয়, যাৰ বাবে জনজাতীয়ৰ ভাষা-সংস্কৃতি আজিও বৰ্তি আছে। অৱশেষত উচ্চ ন্যায়ালয়ে ধৰ্মান্তৰকৰণ এক ভাবুকি বুলি অতি গুৰুত্বপূৰ্ণ ৰায় দিলে। সেয়েহে চৰকাৰে সদিচ্ছাৰে ইয়াক বন্ধ কৰাৰ ব্যৱস্থা ল'লে সকলোৰে মংগল হ'ব বুলিয়েই আশা কৰে ৰাইজে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# গুজৰাটত বিজেপিক প্ৰত্যাহ্বান জনাব পাৰিব নে কংগ্ৰেছে?

দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ নিজ ৰাজ্য গুজৰাটত অহা ডিচেম্বৰত দুটা পৰ্যায়ত হ'ব বিধানসভা নিৰ্বাচন। প্ৰথম পৰ্যায় ১ ডিচেম্বৰত ৮৯খন আসনত আৰু দ্বিতীয় পৰ্যায়ত ৫ ডিচেম্বৰত ৯৩ আসনত ভোটগ্ৰহণ হ'ব। সমগ্ৰ দেশবাসীৰ দৃষ্টি এতিয়া গুজৰাটৰ নিৰ্বাচনৰ ওপৰত। মোদী মেজিকৰে আকৌ গুজৰাট দখল কৰিব পাৰিব নেকি বেজেপি নে আঢ়ৈ দশক ধৰি ক্ষমতাৰ বাহিৰত থকা কংগ্ৰেছে দখল কৰিব আকৌ গুজৰাট। আম আদমি পাৰ্টীৰ ভূমিকা কি হ'ব সেয়াও লক্ষণীয় হ'ব। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত গুজৰাটৰ ফলাফলে যথেষ্ট প্ৰভাৱ পেলাব। ১৯৯৮ চনৰ পৰা বিজেপিয়ে একেৰাহে গুজৰাটৰ ক্ষমতা দখল কৰি আহিছে। ইয়াৰ ভিতৰত ১৩ বছৰ নৰেন্দ্ৰ মোদী আছিল মুখ্যমন্ত্ৰী। ২০১৭ চনত কংগ্ৰেছে বিজেপিৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। শেষত ১৮২খন আসনৰ ভিতৰত মাত্ৰ ৯৯খন আসনত জয়ী হৈ বিজেপিয়ে আকৌ ক্ষমতাত বহে। পৰৱৰ্তী সময়ত কংগ্ৰেছৰ একাধিক বিধায়কে দলত্যাগ কৰি বিজেপিত যোগদান কৰে। বৰ্তমান সময়ত বিজেপিৰ বিধায়কৰ সংখ্যা ১১১জন। বিজেপিয়ে এই নিৰ্বাচনতো মোদীৰ জনপ্ৰিয়তাক ভৰসা কৰি নিৰ্বাচনী বৈতৰণী পাৰ কৰিব খুজিছে। কিন্তু নিৰ্বাচনৰ দিন ঘোষণাৰ আগে আগে মৌৰবীত দলং দুৰ্ঘটনাই বিজেপিক বিপদত পেলাইছে। যোৱা মাৰ্চ মাহৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটৰ বিভিন্ন চৰকাৰী প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰি আহিছে। দিল্লী এৰি নিজ ৰাজ্যৰ নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ সঘনাই গুজৰাটলৈ অহা-যোৱাক লৈ কংগ্ৰেছে প্ৰশ্ন তুলিছে। গুজৰাট কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত নেতা ৰঘু শৰ্মাই কয়— 'নৰেন্দ্ৰ মোদীৰ উচিত গান্ধীনগৰতে প্ৰধানমন্ত্ৰীৰ দপ্তৰৰ অস্থায়ী কাৰ্যালয় খুলি পেলোৱা।' ৰঘু শৰ্মাই আৰু কয় যে— 'ৰাজ্যত চৰকাৰবিৰোধী প্ৰবল ঢৌ উঠিছে। তাৰ বাবে প্ৰধানমন্ত্ৰী প্ৰতিমাহে গুজৰাটলৈ আহি এতিয়ালৈ এক লাখ কোটি টকাৰ আধাৰশিলা স্থাপন কৰিছে। আৰু এই একো একোটা অনুষ্ঠান আয়োজন কৰিবৰ বাবে প্ৰায় ১২ কোটি টকা খৰচ হৈছে।'

২০১৭ চনত কংগ্ৰেছৰ ৰণ-কৌশলে গুজৰাটত বিজেপিক প্ৰত্যাহ্বানৰ মুখলৈ ঠেলি দিছিল। পাঁচ বছৰ আগত কংগ্ৰেছৰ ৰণ-কৌশল আছিল ক্ষত্ৰিয়, হৰিজন বা দলিত, আদিবাসী বা পাতিদাৰ ভোটক এক গোট কৰা। এই বাৰো কংগ্ৰেছে সেই জাত-পাতৰ সমীকৰণক প্ৰধান অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব খুজিছে। কিছুদিন আগত ৰাহুল গান্ধী গুজৰাটত কংগ্ৰেছ ক্ষমতাত আহিলে কি কি কৰিব তাৰ ১১টা প্ৰতিশ্ৰুতি ঘোষণা কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল— ৫০০ টকাত ৰন্ধন গেছৰ যোগান, যুৱ-প্ৰজন্মক ১০ লাখ চাকৰি, ৩ লাখ পৰ্যন্ত ঋণ ৰেহাই দিব, ক'ভিডত মৃত পৰিয়ালক ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিব। কিন্তু গুজৰাটৰ কংগ্ৰেছ নেতাসকলৰ মতে নিৰ্বাচনী প্ৰতিশ্ৰুতি যিয়েই নহওক কিয় জাত-পাতৰ সমীকৰণেই শেষ ভৰসা। পাঁচ বছৰ আগত ক্ষত্ৰিয় তথা অ'বিচি নেতা অল্পেছ ঠাকুৰ, দলিত নেতা জিগনেশ মেৱানী, পেটেল নেতা হাৰ্দিক পেটেল আনকি আদিবাসী নেতা ছোটু বাসবা কংগ্ৰেছৰ প্ৰধান অস্ত্ৰ হিচাপে কাম কৰিছিল। কিন্তু অল্পেছ-হাৰ্দিক এতিয়া বিজেপিত।

কংগ্ৰেছত এই পৰ্যায়ৰ নেতা এতিয়া গুজৰাটত নাই। গুজৰাটত মুঠ জনসংখ্যাৰ ৫২ শতাংশ অ'বিচি, মুছলিম ৯-১০ শতাংশ, হৰিজন বা দলিত ৮ শতাংশ, আদিবাসী ১৫ শতাংশ আৰু পাতিদাৰ ১৮-১৯ শতাংশ। অল্পেছ-হাৰ্দিক বিজেপিত যোগদান কৰাৰ পিছত কংগ্ৰেছৰ প্ৰধান ভৰসা হৈছে আদিবাসী ভোট। ১৫ শতাংশ আদিবাসী হ'লেও গুজৰাটৰ পাঁচ জিলাত আদিবাসী ভোট ৫০ৰ পৰা ৯০ শতাংশ। আৰু পাঁচখন জিলাত ৫০ শতাংশৰ তলত হ'লেও ২০ শতাংশৰ ওপৰত। ২৭খন আসন জনজাতিৰ কাৰণে সংৰক্ষিত। আদিবাসী অঞ্চলত পাৰ-তাপি-নৰ্মদা নদী একত্ৰিত কৰাৰ প্ৰকল্পৰ বিৰুদ্ধে আদিবাসীসকলে আন্দোলন কৰিছিল, য'ত কংগ্ৰেছৰ সুখৰাম ৰাথৱা, অনন্ত পেটেলৰ দৰে আদিবাসী বিধায়কে তাৰ নেতৃত্ব দিছিল। যাৰ ফলত বিজেপি চৰকাৰে প্ৰকল্পৰ কাম বন্ধ কৰিবলৈ বাধ্য হৈছিল।

এই নিৰ্বাচনত তাৰ সুফল পাব বুলি কংগ্ৰেছে আশা কৰিছে। কিন্তু কংগ্ৰেছৰ বাবে মূৰৰ কামোৰণি হৈ পৰিছে আম আদমি পাৰ্টী আৰু আছাউদ্দিন ওৱেইছি। কাৰণ কেজৰিৱালো দলিত আৰু আদিবাসী ভোটক টাৰ্গেট কৰি লৈছে আৰু ওৱেইছিয়ে মুছলিম ভোটক টাৰ্গেট কৰিছে। গুজৰাটত কেজৰিৱাল আৰু ওৱেইছিৰ বাবে বিজেপিবিৰোধী ভোটবোৰ বিভাজন হৈ বিজেপি লাভৱান্বিত হ'ব। হয়তো ভোট বিভাজনৰ সম্ভাৱনাৰ উমান পায়েই মোদী-শ্বাহে গুজৰাটত এই বাৰ ৰেৰ্কডসংখ্যক আসনত জয়ী হোৱাৰ কথা কৈছে। সেয়ে কংগ্ৰেছৰ বাবে ইমান সহজ নহ'ব বিজেপিক গুজৰাটত ক্ষমতাচ্যুত কৰিবলৈ।

■ আনিছুৰ ৰহমান

■ লাচিত দিৱস উপলক্ষে ■

# অকৌ যদি যাব লাগে শৰাইঘাটলৈ



■ দিবাকৰ ৰেণু

লাচিত দিৱস। সমগ্ৰ অসমতে বৰ্তমান চৰ্চা আৰু অনেক প্ৰশ্নৰ কেন্দ্ৰ বিন্দু হ'ল লাচিত দিৱস। অসমীয়া জাতি সত্তাৰ এক স্বাৰৰ ইতিহাস হ'ল লাচিত বৰফুকন। ১৬২২ চনৰ ২৪ নৱেম্বৰত লাচিত বৰফুকনৰ জন্ম হৈছিল। বীৰ যোদ্ধাগৰাকীৰ দেউতাক আছিল ম'-মাই তামুলী যি আহোমৰ লান-ফিমা বংশৰ আছিল। লাচিত আছিল ম'-মাই তামুলীৰ সপ্তম পুত্ৰ। তেওঁ আছিল পিতৃৰ চতুৰ্থজন জীৱিত সন্তান। তেখেতৰ ভাতৃৰ নাম- মবাও-লাও আৰু লাপেট-লাও আৰু ভগ্নীৰ নাম আছিল লাইছেং। জন্মসূত্ৰে তেওঁৰ নাম লা-চিত।

ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা বাবে লাচিতে সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই ল'বলগীয়া হৈছিল। লাচিতৰ জন্ম ৰাজকীয় পৰিৱেশত হোৱাৰ বাবে কৰ্তব্যপৰায়ণ, কৰ্মনিষ্ঠা, সততা আদি গুণ পৰিয়ালৰ পৰাই পাইছিল। আহোমসকলৰ এটা বিখ্যাত ফৈদ হ'ল লান ফিমা বংশ। এই ফৈদৰে লোক আছিল বীৰ লাচিত। এই ফৈদৰ আদি পুৰুষজন চ্যুকাফাৰ লগতে অসমলৈ আহিছিল। লাচিত বৰফুকনে একেদিনাই ফুকনলুঙৰ পদ পোৱা নাছিল। বীৰগৰাকীয়ে প্ৰথমতে আছিল ঘোঁৰা বৰুৱাৰ পদত। এই পদত থাকোঁতে তেওঁ অতি দুৰ্দান্ত ঘোঁৰাক বশ কৰিছিল। ঘোঁৰা বৰুৱা, দুলীয়া বৰবৰুৱা, শিমুলগুৰীয়া ফুকন, দোলাকাষৰীয়া বৰুৱা হোৱাৰ পিছতহে চাওফা চুপুংমুঙৰ ফুকনলুং হৈছিল। দোলাকাষৰীয়া বৰুৱা পদত থাকোঁতে লাচিতৰ দক্ষতা চাওফাৰ চকুত পৰে। এদিনাখনৰ কথা- দোলাত বহি থকা চাওফাই লাচিতক মাতি আনি ক'লে—

'বঙাল শত্ৰু কাষতে আছে, কেনেকৈ ছৈয়দ ফিৰোজ আৰু ছৈয়দ চালাক ধৰিব পাৰি।'

লাচিতে উত্তৰ দিলে—

'চাওফাৰ ৰাজ্যত মানুহ নাই নেকি? বঙালনো কি? মানুহহে! আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ। চাওফা আদেশ দিবহে লাগে।'

তাৰ পিছতেই লাচিতক ফুকনলুঙৰ ভাৰ দিয়া হৈছিল। ফুকনলুঙৰ পদ পোৱাৰ আগতে লাচিতে আৰু এটা পৰীক্ষাৰ সন্মুখীন হৈছিল। লাচিতক চাওফাৰ ওচৰলৈ মাতি পঠিওৱা হ'ল। চাওফাৰ সমুখত আঁঠু ল'ব ধৰোঁতেই ক'ৰবাৰ পৰা লগুৱা এজন আহি লাচিতৰ মূৰৰ বস্ত্ৰ থাপ মাৰি লৈ গৈছিল। চাওফাই এইটো পৰিকল্পিতভাৱে কৰোৱাইছিল। লাচিতৰ স্বাভাৱিকতেই খং উঠিল আৰু খাপৰ পৰা হেংদাংখন উলিয়াই লগুৱাক খেদি গ'ল। চাওফাৰ হস্তক্ষেপত লগুৱা বাচিল। লাচিত নিৰ্ভীকতা আৰু আত্মমৰ্যাদাৰ পৰীক্ষাত উত্তীৰ্ণ হ'ল। চাওফা চুপুংমুঙে লাচিতক এখন সোণোৱালী হেংদাং পুৰস্কাৰ দি ফুকনলুং পদত অধিষ্ঠিত কৰিলে। লাচিতে দেহে-কেহে খাটি ১৬৬৭ চনৰ জহকালি আহোমৰ সেনাবাহিনী প্ৰশিক্ষণ দি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰস্তুত কৰি তুলিছিল। শৰাইঘাট যুদ্ধৰ শেষৰ ফালে মোগলৰ বিৰাট সৈন্য বাহিনীৰ আগত আহোমৰ সৈন্যই জয়ৰ আশা বাদ দি পিছ হুহঁকিবলৈ আৰম্ভ কৰিছিল। সেই সময়ত লাচিতৰ অতিপাত জ্বৰ উঠি আছিল। সেই নৰিয়া গাৰে এখন নৌকাত উঠি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহিছিল আৰু সৈন্যসকলক উদ্দেশি কৈছিল— 'অসমীয়া ৰণুৱাসকল মই যুঁজিহে মৰিম। নাইবা মোক বঙালে ধৰি লৈ যাওক তোমালোক সুখেৰে ঘৰলৈ যোৱা।' কথাখিনিয়ে সৈন্যসকলক উৎসাহ দিলে আৰু দুগুণ সাহসেৰে যুঁজি মোগলক পৰাস্ত কৰিলে। শৰাইঘাটৰ যুদ্ধ জয়ৰ পিছতেই লাচিতৰ মৃত্যু হৈছিল। যুদ্ধৰ সময়ত তেওঁৰ তীৰ কঁপে জ্বৰ উঠি আছিল আৰু সেই নৰীয়া দেহাৰে যুদ্ধ কৰিছিল। পিছত চাওফা উদয়াদিত্য সিংহই ১৬৭২ চনত যোৰহাটৰ পৰা ১৬ কিলোমিটাৰ আঁতৰত 'লাচিত মৈদাম' নিৰ্মাণ কৰে। প্ৰতি বছৰে ২৪ নৱেম্বৰৰ দিনটো গোটেই অসমতে লাচিত ফুকনলুঙৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ বিজয়ৰ স্মৃতিত লাচিত-দিৱস (বান-লা-চিত) হিচাপে পালন কৰা হয়। কিন্তু অসমে প্ৰতি বছৰে এই দিৱস পালন কৰিলেও পাহৰি যায় লাচিতৰ বীৰত্বৰ কথা, পাহৰি যায় তেখেতৰ ত্যাগৰ কথা। অসমৰ বিগত দিনৰ ইতিহাস আৰু বৰ্তমানৰ পৰিস্থিতিয়ে এই কথাকে প্ৰত্যায়িত কৰে।

অসমৰ আন্দোলনসমূহৰ ভিতৰত অসম আন্দোলন বা বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰধান উদ্দেশ্যসমূহ আছিল পূব পাকিস্তান বা বাংলাদেশৰ পৰা অহা অবৈধ অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰা, ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম আঁতৰোৱা আৰু তেওঁলোকক অসমৰ পৰা বহিষ্কাৰ কৰা। অসমৰ জনসাধাৰণেও এই বিক্ষোভৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি আগবঢ়ায়। আন্দোলনৰ নেতৃবৃন্দ আৰু ভাৰতৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মাজত কেইবালানিও আলোচনা হয়। ছাত্ৰ সন্থাই ১৯৫১ চনক অবৈধ অনুপ্ৰৱেশকাৰী বহিষ্কৰণৰ ভিত্তিবৰ্ষ হিচাপে ধৰিবলৈ দাবী জনায় কিন্তু চৰকাৰে ১৯৬৬ চনহে প্ৰস্তাৱ কৰে। ফলত আলোচনালানি বিফল হয়।

১৯৮০ চনৰ শেষৰে পৰা কেন্দ্ৰীয় চৰকাৰে আন্দোলনটোৰ প্ৰতি কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ ধৰে। লাহে লাহে জনসমৰ্থনো কমি আহে আৰু ১৯৮১ৰ পৰা ১৯৮২ চনলৈকে আন্দোলনৰ গতি স্থবিৰ হৈ পৰে। ৰাজ্যৰ ঠায়ে ঠায়ে হিংসাত্মক ঘটনাৱলী সংঘটিত হ'বলৈ ধৰে। ১৯৮৩ চনত ৰাইজৰ প্ৰবল বিৰোধিতা আৰু বৰ্জন সত্ত্বেও অসমত ৰক্তক্ষয়ী নিৰ্বাচন অনুষ্ঠিত হয় আৰু হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হয়। ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত নগাঁৱৰ নেলীত হোৱা হত্যাকাণ্ডত এদিনতে প্ৰায় ১৮০০ লোকৰ (চৰকাৰী সূত্ৰৰ মতে) মৃত্যু হয়। বহু আন্দোলনকাৰীৰো সেই সময়ছোৱাত মৃত্যু হয় আৰু ৮৫৫জন ছাত্ৰ সদস্য শ্বহীদ হয়। ১৯৮৪ চনৰ ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছত তৎকালীন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে আন্দোলনকাৰীসকলৰ লগত এলানি আলোচনাত মিলিত হয়। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টত ছাত্ৰ সন্থাৰ নেতৃবৃন্দ আৰু ৰাজীৱ গান্ধী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ মাজত নতুন দিল্লীত 'অসম চুক্তি' স্বাক্ষৰিত হয় আৰু ছবছৰীয়া অসম আন্দোলনৰ সামৰণি পৰে। চুক্তি মতে হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰে পদত্যাগ কৰে আৰু আন্দোলনৰ নেতাসকলে অসম গণ পৰিষদ নামৰ আঞ্চলিক ৰাজনৈতিক দল গঠন কৰে। ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনত এই দলে সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰে আৰু প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী নিৰ্বাচিত হয়। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে অসম গণ পৰিষদে অসমৰ শাসনৰ দায়িত্ব বহন কৰে। সেই সময়তে সংযুক্ত মুক্তি বাহিনী অসম নামৰ এটি সংগঠনে গা কৰি উঠে। সেই সংগঠনটোক দমন কৰাৰ নামত অনেক অসমীয়া ডেকা-গাভৰুৰ জীৱন শলিতা নুমাই যায়। অসম গণ পৰিষদ চৰকাৰখনত অনেক দুৰ্নীতি জন্ম হয়। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ স্বজন-তোষণ নীতিৰ দৰে এই চৰকাৰখনেও সকলো পৰ্যায়তে দুৰ্নীতিৰে নিমজ্জিত হয়। বিভিন্ন বিশৃংখলতাৰ পিছত ১৯৯০ চনৰ পৰা ১৯৯১ চনলৈ অসমত ৰাষ্ট্ৰপতি শাসন বলৱৎ হয়। ১৯৯১-১৯৯৬ লৈকে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত পুনৰ কংগ্ৰেছ চৰকাৰ অসমৰ শাসনলৈ আহিবলৈ সক্ষম হয়। ১৯৯৬-ৰ পৰা ২০০১ লৈকে পুনৰ অসম গণ পৰিষদ চৰকাৰ আহিবলৈ সক্ষম হয়। অসম গণ পৰিষদ দলটো ইয়াৰ আগতে নতুন অসম গণ পৰিষদ, অসম গণ পৰিষদ(প্ৰগতিশীল) বুলি তিনিটা গোটত বিভক্ত হৈ দুৰ্বল হৈ পৰিছিল যদিও, গোটেইকেইটা দল একত্ৰিত হৈ ২০০১ত চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। কিন্তু চৰকাৰখনৰ দুৰ্নীতি আৰু জনবিৰোধী স্থিতিৰ উত্তৰ হিচাপে ২০০১ৰ পৰা ২০১৬ লৈকে তৰুণ গগৈৰ নেতৃত্বত অসমত কংগ্ৰেছে ১৫ বছৰ ৰাজত্ব কৰিলে। কিন্তু দুৰ্ভাগ্যৰ কথা যে অসম সংযুক্ত মুক্তি বাহিনীৰ আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলনৰ কোনো সিদ্ধান্ত নহ'ল। চৌদিশে অন্যায় আৰু দুৰ্নীতিয়ে গা কৰি উঠিল। অমীমাংসিত এনেবিলাক সমস্যাৰ ফলত কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি অনেক সংগঠনৰ জন্ম হ'ল। নতুন বটলত পুৰণি সুৰাৰ দৰে, দল পৰিৱৰ্তন হ'লেও শাসক একেই থাকিল। যাৰ ফলৰ অসমৰ জনগণে বেয়াৰ মাজৰে ভাল বিচাৰিব আৰম্ভ কৰিলে। বিটিএডি এলেকাসমূহত কোনো কাম নকৰিলেও সেই জন বিধায়কক েই সমৰ্থন কৰিবলগীয়া হ'ল। জাতীয় নায়ক হিচাপে পৰিচয় লাভ কৰা সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ গঠন হ'ল। অক্সিজেনত পৰি থকা অসম গণ পৰিষদেও এই দলৰ লগত সহযোগ কৰিলে। কিন্তু এইখন চৰকাৰেও অসমীয়া জনগণৰ বুকুত বিশ্বাসঘাতকতাৰ শেল বহালে। নাগৰিক সংশোধনী বিধেয়কৰ জৰিয়তে অসমত বিদেশীক স্বদেশী কৰিবলৈ ওলোৱা এই কাৰ্যই অসমৰ থলুৱা সকলো সম্পদৰ ওপৰত প্ৰত্যাহ্বান হৈ পৰিল। ৰাইজে অসম গণ পৰিষদৰ সুবিধাবাদক বহু আগতেই চিনিছে, কিন্তু বিজেপিয়ে কৰা বিশ্বাসঘাতকতাক বহু ভালকৈ অসমীয়াই বুজি উঠিলে। অসমৰ জনগণৰ এই দুৰ্দশাৰ সময়ত অনেক সুবিধাবাদীয়ে নিজৰ নিজৰ পৰিচয় জাহিৰ কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিলে। গুৱাহাটীৰ চানমাৰিৰ অভিযান্ত্ৰিক খেলপথাৰত গীত-কবিতা-গানেৰে আন্দোলনৰ মহোৎসৱ হ'ল। টায়াৰ জ্বলিল। ৰাস্তা-ঘাট লণ্ডভণ্ড হ'ল। আৱেগিক জনতাই নেতাসকলৰ মুখলৈ চাই, সেই আন্দোলনত জঁপিয়াই পৰিল। তাৰ পিছতে কৰ'না মহামাৰী আহিল। সমগ্ৰ দেশজুৰি লকডাউন আৰম্ভ হ'ল। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বিদ্ৰোহী, আপোচবিহীন নেতা অখিল গগৈক চৰকাৰে কাৰাগাৰত বন্দী কৰিলে। মুখ বন্ধ কৰিবলৈ বিভিন্ন কৌশল ৰচনা হ'ল। তোষামোদ, উপঢৌকনেৰে বহুতকে অসম চৰকাৰে বহতীয়া কৰিলে। যাৰ যাৰ মুখ বন্ধ কৰিব নোৱাৰিলে তেওঁলোকক বিভিন্ন কৌশলেৰে মুখ বন্ধ কৰিলে। প্ৰকৃত জননেতা কোন, কোনে আচলতে নিজৰ বাবে নহয় জনতাৰ বাবে চিঞৰিছিল, সেয়া লাহে লাহে স্পষ্ট হৈ পৰিল। চানমাৰি পথাৰত হোৱা সেই আৱেগিক আন্দোলনটোৱে বহুকেইগৰাকী নেতাৰ মূল পৰিচয় প্ৰকাশ কৰিলে। ৭০টা সংগঠনে যিমান পাৰে ৰাজনৈতিক দলৰ জন্ম দিলে। যাক গাঁৱৰ ওচৰৰ এঘৰ মানুহে টানে-বিপদে নাপায়, যাৰ কোনো পৰিচয়ে নাছিল। যিসকল কেৱল স্বাৰ্থসিদ্ধিৰ বাবে এই আন্দোলনৰ লাচিত বৰ ফুকন হ'বলৈ গৈছিল। সকলোবিলাক নেতাৰ পৰিচয় ওলাল ৰাজনৈতিক দলৰ অংকৰ হিচাব-নিকাচৰ খেলত।

অসমে সেইগৰাকী নিঃস্বাৰ্থী লাচিতকহে বিচাৰিছিল, যিগৰাকী নেতাই দেশৰ কাৰণে নিজৰ মোমায়েকৰো শিৰশ্ছেদ কৰিছিল। নেতা যদি স্বাৰ্থপৰ হয়, তেন্তে তেওঁৰ পৰা আমি কি আশা কৰিম বাৰু। অসমত যি দলেই আহিছে, প্ৰতিটো দলেই অসমক ঠগিছে। নদীবান্ধৰ সমস্যা সমাধান হোৱাই নাই, বাংলাদেশী সমস্যা সমাধান হোৱাই নাই, পুনৰ নাগৰিক সংশোধনী আইন। এটাৰ ওপৰত আন এটা আইন, কিন্তু সমাধান শূন্য। কবি নীলমণি ফুকন ছাৰৰ দৰে লোকেও এইবিলাক দেখি এদিন কান্দি উঠিছিল। আৰু যে কিমানৰ চকুপানীৰ বিপ্লৱ চাব এই চৰকাৰখনে। অসমে এগৰাকী লাচিত বৰফুকন বিচাৰিছে, সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে যুঁজ দিবলৈ। সেইগৰাকী লাচিতৰ কেতিয়া অসমত অৱতাৰ হ'ব, সেয়া অসমবাসীৰ এক অদম্য আশা।


(বিঃ দ্ৰঃ লেখাটো প্ৰস্তুত কৰোঁতে বিভিন্ন উৎসৰ সহায় লোৱা হৈছে)

*ফোন ঃ ৮৬৩৮১-৪৩৮১৫*

# জুবিন গাৰ্গ আৰু বহু জীৱন সজাৰ সম্পৰ্কত এক চমু আলোকপাত

■ ৰাজ্জাক আলী

জুবিন গাৰ্গ, গীতৰ মাধ্যমেৰে, সামাজিক কৰ্মৰে, নিজৰ বিভিন্ন সৃষ্টিশীলতাৰে নিজৰ লগতে লক্ষ লক্ষ মানুহৰ জীৱন সজোৱা এক বৃহৎ অনুষ্ঠান। তেওঁ আজিৰ তাৰিখত ব্যক্তিবিশেষতকৈ এক অনুষ্ঠানলৈ পৰিণত হৈছে। সেয়া আজিৰ তাৰিখত প্ৰায় সকলোৱে বুজি উঠিছে। তেওঁ গম নোপোৱাকৈও বহু লোকৰ জীৱনলৈ তেওঁৰ বাবেই সুখৰ বতৰা উভতি আহিছে তথা জীৱনক উদ্‌যাপন কৰাৰ মন্ত্ৰ লাভ কৰিছে। বহুতে জুবিন গাৰ্গৰ বহু গীতৰ যাদুত জীৱনক বেয়া পাই থকা বহু লোক জীৱনক পুনৰ সুন্দৰকৈ পৰিচালনা কৰিবলৈ শিকিছে। জীৱনক ভাল পাবলৈ, জীৱনক যুঁজিবলৈ, জীৱনক সজাবলৈ, জীৱনক পৰিচালনা কৰিবলৈ জুবিনৰ বহু গীতে পথপ্ৰদৰ্শক হিচাপে কাম কৰে। মাথোঁ হৃদয়ংগম কৰিব জানিব লাগিব। তেওঁৰ সামাজিক কৰ্ম, মানুহক কৰা সহযোগিতাৰ তালিকাখন বহু দীঘল, লিখি থাকিলেও বহু লোক থাকি যাব সেয়া খাটাং। জুবিন গাৰ্গৰ অনুপ্ৰেৰণা, সাহসৰ বাবেই বহু প্ৰতিভাই নিজ নিজ মঞ্চত আজিৰ তাৰিখত জিলিকি আছে (সেয়া কেৱল সংগীত জগততে নহয় অন্যান্য বহু ক্ষেত্ৰতো) আৰু বহু



প্ৰতিভা অনাগত সময়ত জিলিকি উঠিবলৈ প্ৰস্তুতিত। প্ৰতিভা চিনাক্ত কৰাত জুবিন গাৰ্গৰ এই বিশেষ গুণটোক চেলুট।

অকলে খোজকঢ়া ব্যক্তি নহয় জুবিন গাৰ্গ, নিজে খোজকঢ়া কৰা সুন্দৰ বাটটোত বহুতক আগবঢ়াই লৈ যায়। লক্ষ্য সেই বাটটোৰ বাটৰুৱা যাতে কোনোদিনে নাইকিয়া হৈ নাযায়। বহুতে আজিৰ তাৰিখত নক'লেও এদিন ক'ব সেই কথা।

জুবিন গাৰ্গৰ গছপুলি ৰোপণ কৰা কাৰ্যসূচী তথা প্ৰকৃতিৰ প্ৰতি তেওঁৰ ভালপোৱাবোৰে যুৱ-প্ৰজন্মকো বহু প্ৰভাৱিত কৰি আহিছে। তেওঁ নিজেই অসমৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কৰাৰ লগতে ফ্ৰেণ্ড ক্লাববোৰৰ সৌজন্যতো গছপুলি ৰোপণ কৰা হৈ আহিছে বিগত বহু বছৰ ধৰি। যিবোৰৰ অধিকাংশই ডাঙৰ বৃক্ষলৈ পৰিণত হৈছে। সেউজীয়াৰ পৰশ সৃষ্টি কৰাতো জুবিন গাৰ্গৰ অৱদান বহুত। সেউজীয়া অহিবনে জীৱন চিন্তাই কৰিব নোৱাৰি... জুবিন গাৰ্গে কিমানজনক আৰ্থিক সাহায্য আগবঢ়াই থৈছে তাৰো কোনো লেখ-জোখ নাই। ডাৱৰীয়া মুখবোৰত ফৰকাল হাঁহি প্ৰদান কৰাটো তেখেত অন্যতম। অসম আৰু অসমীয়াৰ বাবে তেওঁ বহু কিছুয়েই দি আহিছে। তেওঁৰ বিষয়ে মনত চাৰি চুকত চলি থকা কথাবোৰ অৱলোকন কৰিলোঁ। তেওঁ সদায় ভালে থাকক, সুস্বাস্থ্যৱান হৈ থাকক। নেতিবাচকবোৰ তেখেতৰ কাযত নাহক। তেওঁ ভাল কৰ্মবোৰ কৰি যাবলৈ আৰু অধিক শকতি লাভ কৰক।

*ফোন ঃ ৯৬৭৮১-৫১৩২৭*

# হিয়াৰ আমঠু কণ্ঠশিল্পী হাৰ্টথ্ৰৱ জুবিন গাৰ্গ

■ চিন্ময় ডেকা

জুবিন গাৰ্গৰ ৫০বছৰীয়া জন্মদিন। ৰাজ্যত উৎসৱমুখৰ পৰিৱেশ শ্ৰোতা দৰ্শক তথা অনুৰাগীৰ মাজত। উল্লেখ্য যে, ৯০ দশকৰ পৰাই সংগীত ক্ষেত্ৰখনত নিজৰ চিনাকি দিবলৈ অহৰহ প্ৰয়াস কৰা এগৰাকী সংগীতশিল্পী, এগৰাকী সামাজিক দায়বদ্ধ নাগৰিক আৰু প্ৰায় প্ৰতিজন যুৱ-প্ৰজন্মৰ সকলোতকৈ আপোন ব্যক্তি জুবিন গাৰ্গৰ আজি ১৮ নৱেম্বৰ-২০২২ বৰ্ষত দুকুৰি দহ বছৰৰ জন্মদিন। দৰাচলতে ৰাজ্যৰ প্ৰতিটো প্ৰান্তত জুবিন ফেন ক্লাবৰ সৌজন্যত এক ব্যাপক প্ৰস্তুতিৰে উদ্‌যাপন কৰা পৰিলক্ষিত হৈছে। অৰ্থাৎ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ জন্মদিনটোক লৈ প্ৰায় প্ৰত্যেকগৰাকী ব্যক্তিয়েই উৎসাহী হৈ থকা দেখিবলৈ পোৱা গৈছে। জুবিন গাৰ্গ এটা ব্ৰেণ্ড, যি বহুতৰ বাবে অনুপ্ৰেৰণা। তেখেতে অসমীয়া বৰগীত, লোকগীত, ৰোমাণ্টিক আদিকে ধৰি হিন্দী সংগীত ক্ষেত্ৰখনতো নিজৰ কামেৰে পৰিচয় গঢ়ি প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। গৌৰৱান্বিত, নৱ-প্ৰজন্মৰ কণ্ঠশিল্পীসমূহক যেতিয়া সংগীত ক্ষেত্ৰখনত কেতিয়াৰ পৰা জড়িত অথবা তেওঁলোকৰ অনুপ্ৰেৰণাৰ বিষয়ে প্ৰশ্ন কৰা হয় তেতিয়া তেওঁলোক প্ৰত্যেকেই নাম লোৱা ব্যক্তিগৰাকী হয় 'জুবিন গাৰ্গ'। তাহানিৰ অনামিকা, মায়াৰ পৰা আৰম্ভ কৰি এতিয়াৰ জুবিন গাৰ্গৰ কণ্ঠৰে মুক্তিপ্ৰাপ্ত 'চিলা' শীৰ্ষক গীতটিলৈ হাৰ্টথ্ৰৱগৰাকীৰ জনপ্ৰিয়তা অব্যাহত আছে সমাজ, দেশ তথা বিশ্ববাসীৰ মাজত। এতিয়াও হয়তো বহুতেই এয়াও ক'ব যে, ৰাতি টোপনিটো আহিবলৈও সেই জুবিন গাৰ্গৰ 'মন যায়' গানটোৰেই বহু প্ৰয়োজন। ইয়াতেই আচলতে অংকুৰিত হৈ আছে জুবিন গাৰ্গৰ সফলতা আৰু জীৱন জীয়াৰ জনপ্ৰিয়তা। আজি এই পৱিত্ৰ দিনটোত মই তেখেতলৈ জনালোঁ অলেখ জন্ম দিনৰ শুভকামনা, লগতে 'দৈনন্দিন বাৰ্তা' কাকত কৰ্তৃপক্ষৰ তৰফৰ পৰাও জনালোঁ নৱ-প্ৰজন্মৰ কণ্ঠশিল্পী হাৰ্টথ্ৰৱ জুবিন গাৰ্গলৈ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা।

*ফোন ঃ ৬০০২৬-৬৬৫৯৩*



■ হিয়া শৰ্মা

# বীৰ পুৰুষ লাচিত বৰফুকন

উল্লেখ কৰিব লৈছোঁ সেইগৰাকী চিৰনমস্য মহাযোদ্ধাৰ সু-কথা। যাৰ বীৰত্বৰ কাহিনীয়ে যুগ যুগ ধৰি অসমবাসীৰ জাতীয় চেতনাক উদ্বুদ্ধ কৰি আহিছে শৈশৱৰে পৰা। প্ৰত্যেকজন অসমীয়াৰ বুকুত নিগাজি হৈ পৰা এগৰাকী আপোচবিহীন দেশপ্ৰেমী তথা মহাপৰাক্ৰমী যোদ্ধা লাচিত বৰফুকনৰ কথা। অশেষ সংগ্ৰামৰ মাজেৰে মোগলৰ হাতৰ পৰা অসমৰ পৱিত্ৰ ভূমিক ৰক্ষা কৰি নিজৰ বীৰত্বৰে আমাক দেশপ্ৰেমৰ পাঠ শিকাই যোৱা এইগৰাকী আহোম সেনাপতিৰ নাম অসমৰ ইতিহাসত চিৰযুগমীয়া হৈ ৰ'ব। লাচিত বৰফুকন আছিল অসমৰ আহোম ৰাজ্যৰ এজন ফুকনলং। তেখেতৰ জন্ম হৈছিল ২৪ নৱেম্বৰ ১৬২২ চনত। তেওঁৰ পিতৃ আছিল ম'-ছাই চেং কালুক। যি আহোমৰ লান-ফিমা বংশৰ আছিল। লাচিত আছিল ম'- ছাই চেং কালুকৰ সপ্তম পুত্ৰ। তেখেতৰ ভাতৃৰ নাম মবাও - লাও আৰু লাপেট - লাও আৰু ভগ্নীৰ নাম লাইছেং। জন্মসূত্ৰে তেওঁৰ নাম লা-চিত। ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা বাবে লাচিতে সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই ল'বলগীয়া হৈছিল। লাচিতৰ জন্ম ৰাজকীয় পৰিৱেশত হোৱা বাবে কৰ্তব্যপৰায়ণ, কৰ্মনিষ্ঠা, সততা আদি গুণ পৰিয়ালৰ পৰাই পাইছিল। আহোমসকলৰ এটা বিখ্যাত ফৈদ হ'ল বিখ্যাত লান ফিমা বংশ। এই ফৈদৰে লোক লাচিত। এই ফৈদৰ আদি পুৰুষজন চ্যুকাফাৰ লগতে অসমলৈ আহিছিল।

লাচিতেএকেদিনাই ফুকনলুঙৰ পদ পোৱা নাছিল। তেওঁ প্ৰথমতে আছিল ঘোঁৰা বৰুৱাৰ পদত। এই পদত থাকোঁতে তেওঁ অতি দুৰ্দান্ত ঘোঁৰাক বশ কৰিছিল। ঘোঁৰা বৰুৱা, দুলীয়া বৰবৰুৱা, শিমুলগুৰীয়া ফুকন, দোলাকাষৰীয়া বৰুৱা (দোলা কঢ়িওৱা আৰু পালি-পহৰীয়াসকলক চলোৱা) হোৱাৰ পিছতহে চাওফা চুপুংমুঙৰ ফুকনলুং হৈছিল।

দোলাকাষৰীয়া বৰুৱা পদত থাকোঁতে লাচিতৰ দক্ষতা চাওফাৰ চকুত পৰে। এদিনাখনৰ কথা— দোলাত বহি থকা চাওফাই লাচিতক মাতি আনি ক'লে— 'বঙাল শত্ৰু কাষতে আছে, কেনেকৈ ছৈয়দ ফিৰোজ আৰু ছৈয়দ চালাক ধৰিব পাৰি।' লাচিতে উত্তৰ দিলে— 'চাওফাৰ ৰাজ্যত মানুহ নাই নেকি? বঙালনো কি? মানুহহে। আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ। চাওফাই আদেশ দিবহে লাগে।

তাৰ পিছতেই লাচিতক ফুকনলুঙৰ ভাৰ দিয়া হৈছিল। ফুকনলুং পদ পোৱাৰ আগতে লাচিতে আৰু এটা পৰীক্ষাৰ সন্মুখীন হৈছিল। লাচিতক চাওফাৰ ওচৰলৈ মাতি পঠিওৱা হ'ল। চাওফাৰ সমুখত আঁঠু ল'ব ধৰোঁতেই ক'ৰবাৰ পৰা লগুৱা এজন আহি লাচিতৰ মূৰৰ বস্ত্ৰ থাপ মাৰি লৈ গৈছিল। চাওফাই এইটো পৰিকল্পিতভাৱে কৰোৱাইছিল। লাচিতৰ স্বাভাৱিকতেই খং উঠিল আৰু খাপৰ পৰা হেংদাংখন (তৰোৱাল) উলিয়াই লগুৱাক খেদি গ'ল। চাওফাৰ হস্তক্ষেপত লগুৱা বাচিল।

১৬৭১ চনত তেখেতে অসমীয়া সেনাৰ দ্বাৰা বিশাল মোগল সৈন্য বাহিনী পৰাজিত কৰি অসমৰ পৰা আঁতৰাই পঠাইছিল। শৰাইঘাটৰ যুদ্ধত লাচিতে দেখুওৱা বিক্ৰমৰ ফলস্বৰূপে অসম বুৰঞ্জীত তেখেতৰ নাম জিলিকি আছে। এইজন বীৰ পুৰুষ আছিল অসমৰ ইতিহাসৰ এক কিংবদন্তি চৰিত্ৰ। শৰাইঘাটৰ যুদ্ধত তেওঁৰ নেতৃত্বৰ বাবে সৰ্বাধিক পৰিচিত যিয়ে ৰামসিংহৰ নেতৃত্বত দীঘলীয়া প্ৰচেষ্টা বিফল হৈছিল। আদিম যোদ্ধা আৰু তেওঁলোকৰ সেনাধ্যক্ষজনে লিখিছিল—

'ৰজাৰ গৌৰৱ পৰামৰ্শ দাতাসকলক অভিনন্দন!
সকলোৰে কমাণ্ডাৰসকলক প্ৰশংসা কৰে
সকলোৱে দেশখনক প্ৰশংসা কৰে।

শৰাইঘাটৰ যুদ্ধৰ শেষৰ ফালে মোগলৰ বিৰাট সৈন্য বাহিনীৰ আগত আহোমৰ সৈন্যই জয়ৰ আশা বাদ দি পিছ হুঁহকিবলৈ আৰম্ভ কৰিছিল। সেই সময়ত লাচিতৰ অতিপাত জ্বৰ উঠি আছিল। সেই নৰিয়া গাৰে এখন নৌকাত উঠি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহিছিল আৰু সৈন্যসকলক উদ্দেশ্যি কৈছিল— 'অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম। নাইবা মোক বঙালে ধৰি লৈ যাওক তোমালোক সুখেৰে ঘৰলৈ যোৱা।' কথাখিনিয়ে সৈন্যসকলক উৎসাহ দিলে আৰু দুগুণ সাহসেৰে যুঁজি মোগলক পৰাস্ত কৰিলে।

লাচিতে যেতিয়া এদিন নিশা পলমকৈ পৰিদৰ্শনৰ বাবে উপস্থিত হৈছিল তেওঁ অনুমান কৰিছিল যে কাম সন্তোষজনকভাৱে আগবঢ়া নাই। উত্তৰ বিচাৰি চাওঁতে মোমায়েকে ক্লান্তিৰ কথা উল্লেখ কৰিছিল, যাৰ ফলত লাচিতে ঘটনাস্থলীত তেওঁৰ মোমায়েকৰ শিৰশ্ছেদ কৰালৈকে কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল আৰু ঘোষণা কৰিছিল—

'দেশতকৈ মোমাই ডাঙৰ নহয়'

শৰাইঘাটৰ যুদ্ধ জয়ৰ পিছতেই লাচিতৰ মৃত্যু হৈছিল। যুদ্ধৰ সময়ত তেওঁৰ তীৰ কঁপে জ্বৰ উঠি আছিল আৰু সেই জ্বৰীয়া দেহাৰে যুদ্ধ কৰিছিল। এনে এজন বীৰ পুৰুষৰ বাবে আমাৰ পৱিত্ৰ ভূমি ৰক্ষা পৰিছিল। প্ৰতি বছৰে ২৪ নৱেম্বৰৰ দিনটো গোটেই অসমতে লাচিত ফুকনলুঙৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ বিজয়ৰ স্মৃতিত লাচিত-দিৱস হিচাপে পালন কৰা হয়। এই মহান পুৰুষজনৰ ৪০০বছৰীয়া জন্ম-জয়ন্তীত তেওঁলৈ নিবেদিছোঁ অশেষ শ্ৰদ্ধা।

*(মঙলদৈ মহাবিদ্যালয়)*

# লাচিত দিৱস আৰু আমাৰ এক অনুভৱ

■ বনজিত ডেকা

অসম তথা অসমীয়াই চিৰদিন বুকু ফুলাই গৌৰৱেৰে নাম ল'ব পৰা ব্যক্তিসকলৰ ভিতৰত অন্যতম লাচিত বৰফুকন। প্ৰতিজন অসমীয়াৰ সিৰে সিৰে, হাড়ে-হিমজুৰে বৈ থকা সেই এষাৰি বাক্য– 'দেশতকৈ মোমাই ডাঙৰ নহয়'।

অসমীয়া জাতি তথা আহোম ৰাজশাসনৰ বীৰত্বৰ চানেকি দাঙি ধৰা বীৰ সেনাপতি লাচিত বৰফুকনৰ জন্ম হৈছিল ১৬২২ খ্ৰীষ্টাব্দৰ ২৪ নৱেম্বৰত। দেশমাতৃৰ প্ৰতি অগাধ প্ৰেম তথা শ্ৰদ্ধা কঢ়িয়াই ফুৰা এই লাচিত বৰফুকনেই ১৬৬৯ চনত অসমীয়া সেনাক একত্ৰিত কৰি বাঘ হাজৰিকা সহিতে মোগল সৈন্য বাহিনীক পৰাজিত কৰি অসমৰ পৰা খেদি পঠিয়াইছিল। শৰাইঘাটৰ যুদ্ধলৈ চালেই লাচিতৰ দেশপ্ৰেম, সাহস, পৰিশ্ৰম, কৰ্মনিষ্ঠতা, ৰাজনৈতিক বিচক্ষণতা সকলোৰে পৰিচয় পোৱা যায়।

ইতিহাসৰ পাত লুটিয়াই চালেই আমি দেখা পাওঁ লাচিতৰ বীৰত্ব। ২৪ নৱেম্বৰত এই মহাবীৰজনৰ জন্মোৎসৱৰ লাচিত দিৱস। এক কথাত অসমৰ বাবে এক বিশেষ দিন, গৌৰৱৰ ক্ষণ। কিন্তু এই মহাবীৰজনৰ বিষয়ে যিমান আলোচনা হ'ব লাগিছিল, বীৰত্বৰ কথা যিমান প্ৰচাৰ হ'ব লাগিছিল, সচাঁকৈয়ে হৈছেগৈনে। প্ৰশ্ন হয়, কেৱল ২৪ নৱেম্বৰ দিনটোতে সীমাবদ্ধ হৈ ৰৈ গৈছে নেকি লাচিত বৰফুকন। প্ৰাপ্ত খবৰ অনুসৰি অহা বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তী অনুষ্ঠান। দিল্লী, মুম্বাইৰ লগতে আহমেদাবাদৰ দৰে চহৰতো হ'ব লাচিতৰ ৪০০বছৰীয়া জন্ম-জয়ন্তী অনুষ্ঠান। আশা কৰিছোঁ এই অনুষ্ঠানৰ পৰাই আৰম্ভ হওক লাচিতৰ কৰ্ম, বীৰত্ব, জীৱনাদৰ্শৰ বিস্তৃত গৱেষণাধৰ্মী কাম। লাচিত বৰফুকনক লৈয়ো আৰম্ভ হওক তথ্যচিত্ৰ তথা কথাছবিৰ কাম। এই অনুষ্ঠানৰ পৰাই প্ৰচাৰ তথা প্ৰসাৰ হওক অসমৰ বাহিৰতো লাচিতৰ বীৰত্বৰ কথা। বিশ্বদৰবাৰত প্ৰতিষ্ঠিত হওক অসমৰ এইজনা বীৰ পুৰুষৰ বীৰত্বৰ জয়গান।

*(অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়)*

*ফোন ঃ ৬০০০৯-৭১৩৬২*

# খাউৰাঙত স্বৰহদকো স্বৰাঞ্জলি অনুষ্ঠানৰ সমাপন

## অসমৰ ১৩জন শিল্পীৰ সুৰেৰে মুখৰ হ'ল খাউৰাং



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰবকুণ্ড, ১৮ নৱেম্বৰ ঃ** সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ, ওদালগুৰি জিলা সমিতিৰ আয়োজনত ভাৰত-ভূটান সীমান্তৰ খাউৰাঙত ১৭ নৱেম্বৰৰ আবেলি ৪ বজাৰ পৰা আৰম্ভ হোৱা স্বৰহদকো স্বৰাঞ্জলি অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। বিশেষকৈ অভ্যৰ্থনা সমিতিয়ে পৰিকল্পনা কৰা মতে আলহী আৰু শিল্পীসকলক গীত-বাদ্যৰ লগতে ফুলেৰে আদৰণি জনোৱাৰ লগতে মঞ্চত প্ৰৱেশৰ লগে লগে আতচবাজীৰে অভ্যৰ্থনা জনোৱা হয়। সুৰৰ অঞ্জলি কাৰ্যসূচী আৰম্ভ কৰাৰ আগে আগে মঙলদৈ লোকসভাৰ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই ভাৰত মাতাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে আৰু তেওঁক সহযোগ কৰে ওদালগুৰি জিলা উপায়ুক্ত ড° সদনেক সিং, আৰক্ষী অধীক্ষক সুপ্ৰিয়া দাস, আমন্ত্ৰিত শিল্পীসকলে। তাৰ পিছতে আয়োজক সমিতিয়ে সম্পূৰ্ণ অতিথি আৰু শিল্পীসকলক গামোচা, আৰু আৰু স্মাৰক প্ৰদান কৰি সম্বৰ্ধনা জনায়। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ ৰাভাই আদৰণী ভাষণ আগবঢ়োৱাৰ পিছত সাংসদ দিলীপ শইকীয়াই সীমান্ত চেতনা মঞ্চৰ কাৰ্যক ধন্যবাদ জনাই শিল্পী আৰু সংস্কৃতি প্ৰেমী ৰাইজক সম্বোধন কৰি নিজৰ বক্তব্য আগবঢ়ায়। উক্ত স্বৰহদকো স্বৰাঞ্জলি কাৰ্যসূচীত নতুন দিল্লীৰ পৰা অহা হংস ফাউণ্ডেচনৰ বিভাগীয় কৰ্তৃপক্ষ আৰু ভুটানৰ পৰা অহা অতিথিসকলকো বিশেষ সম্বৰ্ধনা জনোৱা হয়। স্বৰহদকো স্বৰাঞ্জলি অনুষ্ঠানত আমন্ত্ৰিত শিল্পীসকল পদ্মশ্ৰী দুলাল মানকী, জিতুল সোণোৱাল, সীমান্ত শেখৰ, বিদ্যাসাগৰ, সুৰেখা ছেত্ৰী, ৰবিতা শৰ্মা, মন্মথ বৰুৱা, জয় চক্ৰৱৰ্তী, শৰৎ বাগ, হিমাংশু জান শৰ্মা, নিপন বসুমতাৰী, ত্ৰিবেণী বুজৰবৰুৱা আৰু দেৱজিত বৰাৰ সুৰৰ তালে তালে দৰ্শক ৰাইজে নৃত্য কৰাৰ লগতে হাত চাপৰি আৰু সুৰবৰৈ শিল্পীসকলক উৎসাহ দিয়ে। গীতৰ শৰাইৰ মাজে মাজে হংস ফাউণ্ডেচন, অখণ্ড ভাৰত আৰু এম এম কনষ্ট্ৰাকচনৰ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। ওদালগুৰি জিলা প্ৰশাসনৰ তীক্ষ্ণ দৃষ্টিত সম্পূৰ্ণ কাৰ্যসূচী সফল আৰু শান্তিপূৰ্ণভাৱে নিশা ১১ বজাত সামৰণি পৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি পূৰ্ণ ছেত্ৰী আৰু সাধাৰণ সম্পাদক টেংগা বাহাদুৰ প্ৰধানে সমূহ শিল্পী, অতিথি, দৰ্শক, জিলা প্ৰশাসনক সহযোগ কৰাৰ বাবে ধন্যবাদ প্ৰদান কৰে। সম্পূৰ্ণ পৰিকল্পনা আৰু বিশেষ সহযোগৰ বাবে সীমান্ত চেতনা মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা এম এম কনষ্ট্ৰাকচনৰ নিৰ্দেশক মিনন মুছাহাৰীৰ সহযোগিতাৰ বাবে সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ওদালগুৰি জিলা সমিতি আৰু অভ্যৰ্থনা সমিতিয়ে ধন্যবাদ জনায়।



## চামতাৰ ডিউক টেকনিকেল শিক্ষানুষ্ঠানৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৮ নৱেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাৰ অন্যতম কম্পিউটাৰ শিক্ষানুষ্ঠান ডিউক টেকনিকেল শিক্ষানুষ্ঠানৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানটো আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা ১০ বজাত শিক্ষানুষ্ঠানৰ পতাকা উত্তোলন কৰে কৃতী শিক্ষক তপন কুমাৰ শৰ্মাই। বন্তি প্ৰজ্বলন কৰে অক্সফৰ্ড একাডেমী চামতাৰ অধ্যক্ষ জোনালী মেধিয়ে। ১১ বজাত শিক্ষানুষ্ঠানখনৰ বৰ্ষপূৰ্তিৰ মুকলি সভা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে অনুষ্ঠানটোৰ সভাপতি, প্ৰাক্তন অৱসৰী কৃতী শিক্ষক, বিশিষ্ট কবি প্ৰবীণ বৰ্মনে। ... সভাত উপস্থিত থাকে শিক্ষক তপন কুমাৰ শৰ্মা, জোনালী মেধি, চামতা পেৰামেডিকেলৰ শিক্ষয়িত্ৰী মানসী বৰ্মন, গন্ধিয়া বিবেকানন্দ বিদ্যা নিকেতনৰ প্ৰধান শিক্ষক ৰতন শৰ্মা, শিক্ষক অৰুণ আলী, ছামচুল আলী, হেমন্ত বৰ্মন, অনিল বৰ্মন, অলকেশ শৰ্মা, ত্ৰিলোচন বৰ্মনৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপৰি প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত নিৰ্দিষ্ট বক্তা তপন কুমাৰ শৰ্মাই বক্তব্যত কয় যে বৰ্তমান কম্পিউটাৰ শিক্ষাটো অতি জৰুৰী গতিকে মানুহে যি কোনো কাম কৰিব লগা হ'লে কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰিব লাগে। সম্প্ৰতি এগৰাকী ব্যক্তি আত্মনিৰ্ভৰশীল হ'ব পাৰি বুলি উল্লেখ কৰে। কবি প্ৰবীণ বৰ্মনে এটি সুন্দৰ কবিতাও পাঠ কৰাৰ লগতে ৰতন শৰ্মা, অনিল বৰ্মন, ৰঞ্জন দাস, জয়শ্ৰী চৌধুৰী, ত্ৰিলোচন বৰ্মনেও এটিকৈ কবিতা আবৃত্তি কৰে। ইপিনে অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে সঞ্জীৱ দাসে জুবিন গাৰ্গৰ এটি গীত পৰিবেশন কৰি অনুষ্ঠানটো অধিক জিপাল কৰি তোলে। সভাৰ শেষত প্ৰশিক্ষাৰ্থীসকলৰ মাজত ক্ৰমে পি জি ডি চি এ বিভাগত ৮গৰাকী, ডি চি এ আৰু এ ডি চি এ বিভাগত ৪০গৰাকী আৰু মোবাইল ৰিপিয়াৰিঙত এগৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত যোগ্যতাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে। ডিউক টেকনিকেল শিক্ষানুষ্ঠাটো চৰকাৰৰ আই এছ অ' ৯০০১ঃ২০১৫ৰ চাৰ্টিফাইডৰ অধীনত পঞ্জীয়নভুক্ত এটা শিক্ষানুষ্ঠান। এই অনুষ্ঠানৰ পৰা শিক্ষাগ্ৰহণ কৰি অসম চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত শিক্ষাৰ্থীয়ে চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও সমন্বয়ক ত্ৰিলোচন বৰ্মনে জানিবলৈ দিছে।

## চিচিবৰগাঁও মৰিধলত গ্ৰেপ্তাৰ পলাতক বলাৎকাৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৮ নৱেম্বৰ ঃ** ১৮ ছেপ্টেম্বৰত মৰিধলত সংঘটিত হৈছিল এক বলাৎকাৰৰ ঘটনা। নিলখ পঞ্চায়তৰ অধীনৰ উজনি নিলখপুৰ গাঁৱৰ নৱজ্যোতি দত্ত আৰু মানস হাজৰিকা নামৰ দুজন যুৱকে নিলখৰে এগৰাকী নাবালিকা কিশোৰীক ইউটিউব ভিডিঅ' বনাবলৈ বুলি নি মৰিধলৰ এটা ভাৰাঘৰত ৰাখি ধৰ্ষণ কৰে। কিশোৰীগৰাকীয়ে পৰিয়ালক দিয়া ভাষ্য অনুসৰি পৰিয়ালৰ লোকে যোৱা ২৩ ছেপ্টেম্বৰত চিচিবৰগাঁও আৰক্ষী চকীত নৱজ্যোতি দত্ত আৰু মানস হাজৰিকা যুৱক দুজনৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে চিলাপথাৰ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩৬৬, ৩৪২ আৰু ৩৭৬D(A) ধাৰা আৰু POSCO আইনৰ ৬নং ধাৰাত ১৭৮/২২ নম্বৰৰ এক গোচৰ পঞ্জীয়ন কৰি অপৰাধীৰ বিৰুদ্ধে অভিযান চলায় যদিও অপৰাধীয়ে আত্মগোপন কৰে। আজি গোপন সূত্ৰৰ খবৰ অনুসৰি চিচিবৰগাঁও আৰক্ষীয়ে অভিযান চলাই মৰিধলৰ পৰা নাৱজ্যোতি দত্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আনজন অভিযুক্ত মানস হাজৰিকা বৰ্তমানেও পলাতক বুলি সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে আৰক্ষীয়ে।

## নাজিৰাৰ লাকুৱা আৰক্ষী চকীক পূৰ্ণাংগ থানালৈ উন্নীত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ নৱেম্বৰ ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি থানিৰ অন্তৰ্গত লাকুৱা আৰক্ষী চকীক পূৰ্ণাংগ আৰক্ষী থানালৈ উন্নীত কৰিছে অসম চৰকাৰৰ গৃহ বিভাগে। যোৱা দহ নৱেম্বৰত ৰাজ্যৰ গৃহ বিভাগে এক লিখিত জাননীযোগে এই কথা প্ৰকাশ কৰিছে। মুঠ ১২খন ৰাজহ গাঁও ক্ৰমে চলা গাঁও, চলা চাহ বাগিচা, নৰা গাঁও, মৰাণ দেওধাইগাঁও, লাকুৱা চাহবাগিচা, ভেলেউগুৰি ডুবি, দিহিঙীয়া কোঁৱৰ গাঁও, টিপমীয়া গাঁও, সৰু মথুৰাপুৰ, ভকত ভাজনী গাঁও আৰু নাহৰহবি গ্ৰাণ্ট আদি লাকুৱা থানাৰ অধীনত থাকিব বুলি জানিব পৰা গৈছে। থানাখনৰ পৰিসীমা ক্ৰমে উত্তৰে দিচাং নদী, দক্ষিণে মথুৰাপুৰ থানা এলেকা, পূবে সোণাৰি থানা এলেকা আৰু পশ্চিমে শিমলুগুৰি থানা এলেকা। উল্লেখ্য, ১৯৬১ চনতে স্থাপন হোৱা আৰক্ষী চকীখনক পূৰ্ণাংগ থানালৈ উন্নীত কৰাত স্বাভাৱিকতে আনন্দিত হৈ পৰিছে স্থানীয় জনসাধাৰণ।

# ঐতিহাসিক বৈনাৰ সত্ৰৰ নৱ-নিৰ্মিত নামঘৰৰ দ্বাৰ উন্মোচন





**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৮ নৱেম্বৰ ঃ** আন্ধেৰীঘাটৰ নিকটৱৰ্তী ঐতিহাসিক বৈনাৰ সত্ৰৰ গুৰু আসন প্ৰতিষ্ঠা আৰু নৱ-নিৰ্মিত কীৰ্তন ঘৰৰ শুভ দ্বাৰ উন্মোচনী অনুষ্ঠান দুদিনীয়াকৈ ১৬ আৰু ১৭ নৱেম্বৰত অনুষ্ঠিত হৈ যায়। সেই উপলক্ষে দ্বিতীয় দিনা অৰ্থাৎ ১৭ নৱেম্বৰ বৃহস্পতিবাৰে বৰ্ণিল ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। ভাগৱত শোভাযাত্ৰাত গায়ন-বায়ন, হাতী, বেণ্ড পাৰ্টী, অসমীয়া কৃষ্টি-সংস্কৃতি গোটেই পৰিৱেশ ৰাখি, সকলোলোকে ভাগ লৈ নাম-কীৰ্তন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। দৰং জিলা সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি ৰাজেন মহন্তই শুভাৰম্ভণি কৰা ভাগৱত শোভাযাত্ৰাত প্ৰায় সহস্ৰাধিক ভক্তপ্ৰাণ লোকে অংশগ্ৰহণ কৰে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলন, ভাগৱত শোভাযাত্ৰা, স্থানীয় সত্ৰ সমাজৰ শিল্পীৰ দ্বাৰা থিয়নাম প্ৰদৰ্শন, বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালযৰ অধ্যক্ষ দীন ৰাজবংশীৰ সভাপতিত্বত সম্বৰ্ধনা সভা, আবেলি মুকলি সভা, সন্ধিয়া নাগাৰা নাম আদি অনুষ্ঠিত হয়। বৈনাৰা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি দেবেন্দ্ৰনাথ ডেকাই সভাপতিত্ব কৰা মুকলি সভা উদ্বোধন কৰে আন্ধেৰীঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰ নাৰায়ণ কুমাৰে। আব্দুল কালাম একাডেমী, গোৰেশ্বৰৰ অধ্যক্ষ দ্বিজেন ডেকাই আঁত ধৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে সত্ৰশাল ধুবুৰীৰ জিতেন্দ্ৰনাথ কৃষ্ণ দাসে অংশগ্ৰহণ কৰি ধৰ্ম-সংস্কৃতিৰ বিষয়ে বিস্তৃত ব্যাখ্যা কৰে। তেওঁ গুৰুজনাৰ আধ্যাত্মিক দিশ উন্মোচিত কৰি মানৱীয় প্ৰমূল্যবোধৰ প্ৰতি শ্ৰদ্ধা আৰু দায়িত্বশীল কৰিবলৈ শিশুসকলক ম'বাইল ব্যৱহাৰৰ পৰা আঁতৰাই ৰাখিবলৈ আহ্বান জনায় সকলোকে। বন আৰু পৰিৱেশ বিভাগ অসম চৰকাৰৰ ব্ৰেণ্ড এম্বেছাদৰ আনন্দ খাটনিয়াৰ, প্ৰাতঃ টাইমৰ কনচালটেণ্ট এডিটৰ কুমুদ নাথ, আন্ধেৰীঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বীৰেন ৰাজবংশী প্ৰমুখ্যে কেইবাজনো ব্যক্তিয়ে চমু ভাষণ আগবঢ়োৱাৰ লগতে আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপ-প্ৰকল্প সঞ্চালক হিমালয় শৰ্মা বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বৈনাৰা সত্ৰৰ 'ইতিহাস' উন্মোচন কৰে। ইপিনে বৈনাৰা সত্ৰৰ গুৰু আসন প্ৰতিষ্ঠা আৰু নৱ-নিৰ্মিত কীৰ্তন ঘৰৰ শুভ দ্বাৰ উন্মোচন উপলক্ষে দুদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰথম দিনৰ কাৰ্যসূচী ১৬ নৱেম্বৰত পুৱা বন্তি প্ৰজ্বলন, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নামঘৰৰ দ্বাৰ উন্মোচন, গুৰু আসন প্ৰতিষ্ঠা, শৰাই অৰ্পণ, নাম-প্ৰসংগ, ভাগৱত পাঠ, বন্তি প্ৰজ্বলন আদি কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। নামঘৰৰ দ্বাৰ উন্মোচন কৰে নাম ধৰ্ম সমাজ অসমৰ প্ৰাক্তন সভাপতি প্ৰদীপ ৰায় বৰুৱা, গুৰু আসন প্ৰতিষ্ঠা কৰে খটৰা সত্ৰৰ সভাপতি যাদৱ মহন্ত, ভাগৱত পাঠ কৰে উপেন্দ্ৰজিৎ ৰাজবংশীয়ে। উল্লেখ্য যে খটৰা সত্ৰ স্থাপন হোৱাৰ আগতেই ১৫৬৫ খ্ৰীষ্টাব্দত সত্ৰাধিকাৰ দামোদৰ দেৱে এই ঐতিহাসিক বৈনাৰ সত্ৰ স্থাপন কৰিছিল। ১৯৫৮ চনলৈ সত্ৰাধিকাৰৰ দ্বাৰা পৰিচালিত হৈ আহিছিল যদিও ইয়াৰ পিছৰ পৰা গণতান্ত্ৰিক পদ্ধতিৰে এই সত্ৰখন পৰিচালিত হৈ আহিছে। স্থান ইতিমধ্যে অসম দৰ্শন আঁচনিৰ ১০ লাখ আৰু ৰাইজৰ আৰ্থিক অনুদানেৰে প্ৰায় ২২ লাখ টকাৰে নতুনকৈ নিৰ্মাণ কৰা হৈছে ৪৫৭ বছৰীয়া সত্ৰখন।

# মাৰৈত ৪ৰ্থ বাৰ্ষিক যশ্বনে গৌচুল ৱাৰা জলছাহ মোবাৰকৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দৰং, ১৮ নৱেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মাৰৈ ঈদগাহ ময়দানত অহা ২৭ নৱেম্বৰত মাৰৈ এঘাৰ শ্বৰীফ উদ্‌যাপন সমিতিৰ উদ্যোগত ৪ৰ্থ বাৰ্ষিক যশ্বনে গৌচুল ৱাৰা জলছাহ মোবাৰকৰ আয়োজন কৰা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি চাহজামাল হক আৰু সম্পাদক আজমীৰ আলী (কাশ্মীৰী)য়ে জানিবলৈ দিয়া মতে উক্তদিনা পুৱা ফজৰ নামাজৰ পিছত ক্কুৰআন শ্বৰীফ খতম, পুৱা ৭ বজাত আম্বিয়া শ্বৰীফ খতম, ৮.৩০ বজাত খতমে খাজেগান, ৯.৩০ বজাত পতাকা উত্তোলন, ১০ বজাত গছপুলি ৰোপণ, ১১ বজাত গৌচিয়া খতম শ্বৰীফ, দিনৰ ১ বজাত হাফিজ ক্বাৰী মৌলানা ৰফিক আলম ৰেজৱীৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া মুকলি মজলিছত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব গুলে গুলজাৰে ৰেজৰিয়্যাত, খলিফা হুজুৰ তাযুচ শ্বৰীআ'হ হজৰত আল্লামা আনাছ ৰাজাখাঁন ক্বাদিৰী নূৰী চাহেব (খাজা কুতুব, দৰগাহে আ'লা হজৰত বেৰেলী শ্বৰীফ, উত্তৰপ্ৰদেশ)। আমন্ত্ৰিত অতিথি হিচাপে মৌলানা তৌচিফ ৰাজা নূৰানী চাহেব (বেৰেলী শ্বৰীফ), নিৰ্দিষ্ট বক্তা হিচাপে কেন্দুগুৰি আনোৱাৰুল উলুম মাদ্ৰাছাৰ প্ৰধান শিক্ষক মৌলানা আলহাজ ৰফিকুদ্দিন আহমেদ ৰেজৱী চাহেব, বিশিষ্ট অতিথি হিচাপে গাড়ীগাঁও জামে মছজিদৰ পেচ ইমাম মৌলানা হিদায়ত আলী চাহেব, বৰদৌলগুৰি আহলে ছুন্নত ছিফতীয়া খাৰিজীয়া হাফিজীয়া মাদ্ৰাছাৰ শিক্ষক হাফিজ ক্বাৰী মৌলানা আব্দুল জামান ৰাজাৰ লগতে স্থানীয় উলামা কিৰাম আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। উক্ত অনুষ্ঠানত সমূহ ইছলামপ্ৰেমী ৰাইজৰ উপস্থিতি উদযাপন সমিতিয়ে কামনা কৰিছে।

## অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সুভাষিণী কোঁৱৰৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ নৱেম্বৰ ঃ** নাজিৰাৰ মেছাগড় বুঢ়াগোহাঁই গাঁও নিৱাসী শিক্ষাবিদ বাপুৰাম কোঁৱৰৰ সহধৰ্মিণী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সুভাষিণী কোঁৱৰৰ কালি সন্ধিয়া পৰলোকপ্ৰাপ্তি ঘটে। সুদীৰ্ঘকাল কৃতিত্বৰে শিক্ষকতাৰ সেৱা আগবঢ়াই অহা কোঁৱৰে ২০১১ চনত মেছাগড় মজলীয়া বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭১ বছৰ। সৰবৰহী মহিলা সুভাষিণী কোঁৱৰ সামাজিক শিক্ষাৰ প্ৰসাৰৰ লগতে মেছাগড়ৰ ঐতিহাসিক মাধৱদেৱ কলা-কৃষ্টি ক্ষেত্ৰৰ সৈতেও জড়িত আছিল। আকস্মিকভাৱে কিছু শাৰীৰিক অসুস্থতা অনুভৱ কৰা বুলি পৰিয়ালৰ লোকে অৱগত হৈ তেওঁক ততাতৈয়াকৈ শিৱসাগৰৰ প্ৰগতি চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তাতে তেওঁক মৃত বুলি ঘোষণা কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ জোকতলী মৌজাতে শোকৰ ছাঁ পৰিছে। নাজিৰাৰ বিধায়ক দেৱব্ৰত শইকীয়াই তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। স্থানীয় ৰাইজৰ লগতে মেছাগড় মজলীয়া বিদ্যালয়, জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-গোটে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃতদেহত পুষ্পমাল্য কৰে। এই সংসাৰত তেওঁ স্বামীৰ লগতে চাৰিগৰাকী কন্যাসহ জোঁৱাই আৰু একমাত্ৰ পুত্ৰসহ বোৱাৰীক এৰি থৈ গৈছে।

## দেশী জনগোষ্ঠীয় মঞ্চৰ খলিচাভিটা আঞ্চলিক সমিতিৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৮ নৱেম্বৰ ঃ** গোৱালপাৰা দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ খলিচাভিটা আঞ্চলিক সমিতি আৰু যুৱ-ছাত্ৰ মঞ্চ সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ২০ নৱেম্বৰত খলিছিভিটা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। দেশী জনগোষ্ঠীয় মঞ্চ খলিছা ভিটা আঞ্চলিক সমিতিৰ সভাপতি আব্দুছ ছাত্তাৰ আৰু সাধাৰণ সম্পাদক বাহাৰুল ইছলামে জনোৱা মতে ৰাতিপুৱা ৭ বজাত খলিছাভিটা আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা ছবুৰ উদ্দিন আহমেদে দলীয় পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। তাৰ পিছত ক্ৰমে ৭.৩০ গছপুলি ৰোপণ ৮ বজাত মৰহুম ব্যক্তিসকলৰ বিদেহ আত্মাৰ শান্তিৰ উদ্দেশ্যে দোৱা ( প্ৰাৰ্থনা), ৯ বজাত পুৱাৰ আহাৰ, ১০ বজাত প্ৰতিনিধি সভা, ১২ বজাত দুপৰীয়াৰ আহাৰ আৰু ২ বজাত আঞ্চলিকৰ সভাপতি আব্দুছ ছাত্তাৰৰ সভাপতিত্ব অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শ্বেইখ হেদায়তুল্লাহ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসমৰ এ পি ডি চি এলৰ সঞ্চালক ড° প্ৰকাশ কাশ্যপ, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ছহিদুল ইছলাম, গোৱালপাৰা জিলা সমিতিৰ সভাপতি নুৰ বখ্‌ত শ্বেখ, সাধাৰণ সম্পাদক মফিয়াল ৰহমান, উল্লেখ্য যে সন্ধিয়া ৭ বজাত স্থানীয় শিল্পীৰ দ্বাৰা গীত-মাত দেশী নৃত্য পৰিৱেশন কৰা হ'ব। অনুষ্ঠানত প্ৰত্যেকটো কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিতিৰ লগতে সহায়-সহযোগ কামনা কৰিছে উদ্যোক্তা মণ্ডলীয়ে।

## মৰিগাঁও জিলা পুথিভঁৰালত মিছন বসুন্ধৰা ২.০ৰ প্ৰশিক্ষণ-সজাগতা কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, ভঙৰাগাঁও, ১৮ নৱেম্বৰ ঃ** ১৪ নৱেম্বৰত মুখ্যমন্ত্ৰীয়ে মুকলি কৰাৰ পিছত সমগ্ৰ ৰাজ্যৰ লগতে মৰিগাঁৱতো আৰম্ভ হৈছে মিছন বসুন্ধৰা 2.0 প্ৰশিক্ষণ আৰু সজাগতাৰ কাৰ্যসূচী। আজি মৰিগাঁও জিলা পুথিভঁৰালত আয়োজিত মিছন বসুন্ধৰাৰ প্ৰশিক্ষণ আৰু সজাগতা অনুষ্ঠানত উপায়ুক্ত দেৱাশিস শৰ্মাই প্ৰশিক্ষণ দিয়াৰ লগতে সজাগতা সন্দৰ্ভত ভাষণ প্ৰদান কৰে। মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত অনলাইন পদ্ধতিৰে মাটিৰ খাজনা দিয়াৰ ব্যৱস্থাৰ লগতে সম্পত্তি পঞ্জীয়নৰ বাবে ই ষ্টাম্পিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে বন্ধ হ'ব সকলো মেনুৱেল ব্যৱস্থা। এই মন্তব্য উপায়ুক্তগৰাকীৰ। আজি এই সজাগতা সভা আৰু প্ৰশিক্ষণত জিলাখনৰ সমূহ গাঁওপ্ৰধান, লাট মণ্ডল, চক্ৰ বিষয়া, স্বৰাজ ভাৰত লাগাচুকে ধৰি সকলোৱে অংশগ্ৰহণ কৰে। মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাসে আঁত ধৰা এই প্ৰশিক্ষণত অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাসে কয় এই মিছন বসুন্ধৰা 2.0ৰ জৰিয়তে কম্পোজিট লেণ্ড ট্ৰেঞ্চফাৰ সেৱা (অটো-মিউটেচন), অনলাইনযোগে খাজানা আদায়, ডিজিটেল ষ্টাম্পিং আদি সময় নিৰ্ধাৰিত পদ্ধতিৰে প্ৰদান কৰা হ'ব। চৰকাৰী খাচ ভূমি, চিলিং উদ্ধৃত মাটিৰ নিষ্পত্তিও কৰা হ'ব বুলিও বক্তৃতা প্ৰদান কৰে অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাসে। উল্লেখ্য্য যে জিলা উপায়ুক্ত দেৱাশিস শৰ্মাই শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ সকলো বিষয় অতি গুৰুত্বপূৰ্ণ আছিল।

## টীয়কৰ ঢেকীয়ানি ভৰলুৱাৰ বৈজয়ন্তী শইকীয়াৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৮ নৱেম্বৰ ঃ** টীয়ক মুদৈজান ঢেকীয়ানি ভৰলুৱাৰ বৈজয়ন্তী শইকীয়াৰ (৫১) আজি পুৱতি নিশা উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। কিছুদিনৰ পৰা উচ্চ ৰক্তচাপত ভুগি চিকিৎসা গ্ৰহণ কৰি আছিল যদিও আজি পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে। বৈজয়ন্তী শইকীয়াৰ মৃত্যুত টীয়কৰ সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত তেওঁ প্ৰচেষ্টাত কেইবাৰো দিহানাম পৰিৱেশন কৰাৰ লগতে তেওঁ বৃহত্তৰ ৰজাবাৰী অঞ্চলৰ ৰাস মঞ্চৰ এগৰাকী অভিনয় শিল্পী হোৱাৰ লগতে ৰজাবাৰী নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন পৰিচালনা সমিতিৰ সভানেত্ৰী। ভাওনা, দিহানাম, টোকাৰী গীতৰ পৰিৱেশনৰ মাজেৰে সমাজ শিল্পী হিচাপে পৰিচিত হৈ ৰাইজৰ মাজত পৰিচিত হৈ পৰিছিল। তেওঁৰ মৃত্যুত ৰজাবাৰী ৰাস মঞ্চ, ৰজাবাৰী নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়,অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, জ্ঞান কুঞ্জ যুৱ সমাজ আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনায়।

# বঙাইগাঁৱত কে এ চিৰ উন্নয়ন পুঁজিৰে তিনিটাকৈ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ নৱেম্বৰ ঃ** অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি মন্তব্য কৰিছে পৰিষদখনৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে। বৃহস্পতিবাৰে বঙাইগাঁৱৰ পুৰণি বঙাইগাঁৱৰ বেতবাৰীত কে এ চিৰ উন্নয়ন পুঁজিৰ দ্বাৰা বেতবাৰীৰ পৰা চৰাপাৰালৈ সংযোগী পথৰ আধাৰশিলা স্থাপন কৰি সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। কে এ চিৰ মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীক পৰিষদৰ নিৰ্বাচন সন্দৰ্ভত সাংবাদিকে সোধাত কয় যে কে এ চিখন গঠন হোৱাৰ এবছৰ সম্পূৰ্ণ হ'ল আৰু সেই অনুসৰি আমি এতিয়া কমতাপুৰ স্বায়ত্তশাসিত পৰিষদখনত গাঁও অন্তৰ্ভুক্তিৰ অধিসূচনা জাৰি কৰি কাম আৰম্ভ কৰিছো । লগতে জনসংখ্যাৰ গাঁথনিৰ তথ্য আহৰণৰ কাম আৰম্ভ কৰিছো আৰু মানচিত্ৰ প্ৰস্তুত কৰা হৈছে । সেইদৰে সমষ্টি নিৰ্ধাৰণৰ বাবেও যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছো। মই ভাবো যে ডিচেম্বৰৰ শেষৰ ফালে এই সমষ্টি নিৰ্ধাৰণৰ কাম সম্পূৰ্ণ হোৱাৰ পিচত মাৰ্চ মাহ মানৰ ভিতৰত আমি কে এ চিৰ নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিম। উল্লেখ্য যে মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে কে এ চিৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ উন্নয়ন পুঁজিৰ পৰা আবণ্টন দিয়া দহ লাখ টকাৰে বঙাইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত উলুবাৰী বেতবাৰী পিএমজিএছৱাই পথটো নিৰ্মাণৰ আধাৰশিলা কৰে। আধাৰশিলা অনুষ্ঠানত নিৰ্মাণ সমিতিৰ লগতে গাঁৱৰ লোক উপস্থিত থাকে। মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে কয় যে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন হোৱাৰ পিছত অসম চৰকাৰে পৰিষদক আবণ্টন দিয়া এঘাৰ কোটি টকাৰে পৰিষদৰ অন্তৰ্গত অঞ্চলৰ ৰাস্তা-ঘাটকে আদি কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ আঁচনি প্ৰস্তুত কৰি আঁচনিসমূহ ৰূপায়ণৰ বাবে আধাৰশিলা স্থাপন কৰা হৈছে। বৃহস্পতিবাৰৰ এই পথ নিৰ্মাণৰ আধাৰশিলাও তাৰেই অংশ। তেওঁ কয় যে অনাগত দিনত পথটো পকীকৰণৰ বাবেও চেষ্টা কৰা হ'ব। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত বহু অঞ্চলত ঘূৰি ফুৰি দেখিছো যে এতিয়ালৈকে বহু অঞ্চলৰ ৰাস্তা-ঘাটকে ধৰি বিভিন্ন উন্নয়নমূলক কামৰ পৰা ৰাইজ সম্পূৰ্ণভাৱে বিচ্ছিন্ন হৈ আছে । গতিকে কে এ চি গঠনৰ পিছত ৰাইজে কিছু আশাৰ ৰেঙণি দেখিছে । সেয়ে আমি অসমৰ মুখ্যমন্ত্ৰীক পৰিষদখনলৈ পাঁচশ কোটি টকাৰ অনুদান আগবঢ়াবলৈ দাবী জনোৱা বুলি কৈ অতি কম সময়ৰ ভিতৰতে মুখ্যমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰিব বুলিও কয়। উল্লেখ্য যে মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে ইয়াৰ পিছত কে এ চিৰ উন্নয়ন পুঁজিৰ সাত লাখ টকাৰে সমষ্টিটোৰ অন্তৰ্গত ৫২নং মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ সন্মুখৰ পৰা মাজগাঁও দ্বিতীয় খণ্ডৰ দীনেশ ৰায়ৰ গৃহ পৰ্যন্ত যোৱা পথটো নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। সেইদৰে মাজগাঁও প্ৰথম খণ্ডৰ নৃপেন ৰায়ৰ গৃহৰ পৰা টেঙেনা ৰায়ৰ গৃহলৈ যোৱা পথটো নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। পথটো নিৰ্মাণৰ বাবে কে এ চিৰ উন্নয়ন পুঁজিৰ পৰা আঠ লাখ টকা আবণ্টন দিয়া হৈছে । আধাৰশিলা স্থাপন কাৰ্যসূচীত নিৰ্মাণ সমিতিৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় লোক উপস্থিত থাকে।



Memo No:- KOK/Bldg/Tech-132/2018-19/3371 Date 11/11/2022

**SHORT NOTICE INVITING TENDER**

Separate sealed tenders affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight and paise twenty five )only with a validity period of 180 (One hundred eighty) days, which will subsequently to be converted and drawn up in the printed F-2 Form are invited from the intending Registered contractors of Class–I (A, B ,C) & Class-II Categories of the Assam, P.W.D.(Bldg) for submitting tenders for the work stated below. The tenders will be received by the undersigned up to 1:30 P.M on 25/11/2022 and will be opened on the same date and place at 2:00 P.M.

| Name of Division | Name of Work | (Approx.) Estimated Value of work | Earnest money 1% for ST/SC/OBC/ MOBC & 2% for GNL | Cost of Tender Documents | Time of Completion |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| P.W.D. Kokrajhar Dist. & Chirang Dist. Territorial Building Division. | Rep .of Water supply system and Const. of Main entrance gate including EF at Helena & Gaide Basumatary GNM Nursing School at Kokrajhar | Rs.19,03,343.00 | Rs.19,100.00 & Rs.38,200.00 | Rs.1,000.00 | 6 (Six) Months |
| | Construction of Gate & Colouring of wall Boundary of Shantipur SD in Chirang District | Rs.14,29,109.00 | Rs.14,300.00 & Rs.28,600.00 | Rs.500.00 | 6 (Six) Months |
| | R/R of Staff Qtr. Of Shantipur SD in Chirang District | Rs.14,27,858.00 | Rs.14,300.00 & Rs.28,600.00 | Rs.500.00 | 6 (Six) Months |

Detailed N.I.T. may be seen in all working hours in the office of the undersigned. Tender papers will be issued to the contractors or their authorized agent up to 1:30 P.M in all working days from 21/11/2022 to 25/11/2022 in the office of the undersigned on payment in the form I.P.O./Demand Draft/Bank Draft. / C.D duly pledged in favour of the Principal Secretary, Bodoland Territorial Council, Kokrajhar. The Contractors should submit attested copy of Registration Certificate for the year 2022-2023, latest clearance Certificate of Income Tax, GST, along with tenders. In case the office is remain closed / bandh for any reason on tender papers issuing/receiving/opening date, then the same will be issued/received/opened in the next working day.

Sd/- Executive Engineer, P.W.D.,
Kokrajhar Dist. & Chirang Dist.
Territorial Building Division, Kokrajhar

IPR(BTC)-506/2022




অনুসন্ধিৎসু মানসিকতাৰ প্ৰতিগৰাকী ব্যক্তিৰ জীৱন বৰ্ণাঢ্য যাত্ৰাৰ ভাবত একো একোগৰাকী পৰ্যটক হিচাপে মিঠা অস্তিত্ব কঢ়িয়াই ফুৰে। আৰু তেওঁৰে মন সৌন্দৰ্যসমৃদ্ধৰ লগতে সৃষ্টিৰ প্ৰেৰণাৰ উৎস অনুজৰ বাবে হৈ পৰে। ২০ নৱেম্বৰত এনে এজন ব্যক্তিৰে জন্মদিন— যিগৰাকীৰ বিশাল মনে সামৰি আছে সৃষ্টিৰ কঠীয়াতলিৰ একাংশৰ সান্নিধ্য। জীৱন উদ্‌যাপন কৰা সেই ব্যক্তিজন হ'ল সকলোৰে আদৰৰ-শ্ৰদ্ধাৰ বিপিন শইকীয়া। এইগৰাকী সাহিত্যিক তথা গীতিকাৰৰ কৰ্মৰাজি তথা অনুকৰণীয় জীৱন যাত্ৰাক সামৰিয়েই এই আয়োজন— জন্মদিনৰ শুভেচ্ছাৰে












## বিপিন শইকীয়াৰ প্ৰকাশিত গ্ৰন্থ

(১) আমি হেনো সৰু ল'ৰা ১৯৭২ (সপ্তম শ্ৰেণীৰ ছাত্ৰাৱস্থাত প্ৰকাশিত)
(২) উৎকণ্ঠিত এনিশা (উপন্যাস) ২০০৩
(৩) নেলাগে মোক আকাশী সৰগ (গীতৰ সংকলন ২০০৪)
(৪) ষোড়শ সংস্কাৰ আৰু হিমালয়ৰ এগৰাকী সিদ্ধ যোগী ২০০৩
(৫) দীক্ষা ২০১০
(৬) দুৰ্লভোপনিষদ ২০১৩
(৭) শিষ্যোপনিষদ ২০১৩
(৮) অসমৰ ক্ষুদ্ৰ চাহ খেতি (সম্পাদনা-২০০৮)

অপ্ৰকাশিত গ্ৰন্থ ঃ
(১) সাধাৰণ মানুহৰ অসাধাৰণ কথা
(২) চহকী মানুহৰ সান্নিধ্য।
(৩) জীৱনে যি শিকালে
(৪) দিহিঙে দিপাঙে দেশে-বিদেশে।







## আজীৱন কৰ্মযোগী

■ তন্ময়জ্যোতি শইকীয়া

হে কৰ্মযোগী, প্ৰণামো তোমাক...
তোমাৰ ললিতাৰে..
উজ্জীৱিত হওক আমাৰ ধৰণী.....
শেষ হওক অমানিশা,
তুমি নিবিচৰা পৃথিৱীৰ।
সুখী হোৱা দুখতো বেদনাৰ দুৱাৰ খুলি,
তোমাৰ প্ৰতিজ্ঞাৰে আমি প্ৰতিজ্ঞাবদ্ধ..
শেষ হ'ব কালৰাত্ৰি..
মুখৰ হ'ব নতুন পুৱা...
সুশোভিত হ'ব সূৰুযৰ নৱ চিঞৰত।
অহমিকা নাই কাৰো..
নাই কাৰো স্পৰ্ধা....
তোমাৰ কৰ্মস্পৃহাক হাতবাউলি দিবলৈয়ো।
জিনিবা জগত, তৰা নদী থকালৈকে
প্ৰেৰণা দিবা আমাক
সাত সাগৰ পাৰ হ'বলৈ।
জীয়াই থাকা তুমি মনৰ হেঁপাহেৰে,
'হে কৰ্মযোগী'
আগবঢ়াই নিবা আমাক ...
'মানুহ' হ'বলৈ।



# জীৱন অমূল্য, অনন্য...

■ জয়া শইকীয়া

প্ৰথম 'যোগাসনে'ৰে দৈনন্দিন কাৰ্যসূচী আৰম্ভ কৰা মানুহজনেই আছিল মোৰ দাদা— বিপিন শইকীয়া। শৈশৱতে তেওঁক দেখিছিলোঁ অনবৰতে লিখা-পঢ়াত লাগি থকা। অসংখ্য চিঠি আহে ডাক ঘৰত... ডাকঘৰৰ যোগেদি অসংখ্য লেখা পঠায়... সদায়ে বাতৰি কাকতেৰে ভৰি থাকে টেবুল.. তেওঁৰ নিজৰে 'জ্ঞান অৰ্জন' পুথিভঁৰাল নামৰ এটি পুথিভঁৰাল আছিল। পঢ়ুৱৈসকলে কিতাপ নি পঢ়ি পুনৰ ঘূৰাই দিয়া তথ্য বহীত তেওঁ ৰাখিছিল.. বৰ সুন্দৰ, পৰিপাটি আছিল তেওঁৰ হাতৰ আখাৰ। আমাৰ সকলোৰে প্ৰেৰণা আছিল তেওঁৰ আদৰ্শ। আমাৰ ঘৰখনত সদায়ে সমাগম ঘটিছিল— কবি, সাহিত্যিক, সংস্কৃতিৱান মানুহৰ।

অকণমান ডাঙৰ হোৱাৰে পৰা মই তেওঁক দেখিছিলোঁ — 'সদৌ অসম চেমনীয়া চ'ৰা আৰু সদৌ অসম মইনা পাৰিজাতৰ লগত জড়িত থকা। সেইটো সময়ত (১৯৭৩-৭৪) অসমত সদৌ অসম চেমনীয়া চ'ৰা বুলি এটি অনুষ্ঠান আছিল, যাৰ জৰিয়তে তেওঁ সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাত (গুৱাহাটী অধিৱেশনত) প্ৰথম স্থান পাই জিলাখনলৈ সন্মান কঢ়িয়াই আনিছিল। সকলো সময়তে মেল-মিটিং আদিক লৈ তেওঁ ব্যস্ত। অষ্টম-নৱম মানৰ এজন ছাত্ৰ, অথচ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ তেওঁৰ নাম নজনা মানুহ নাই। খুউব সুন্দৰ লিখা লিখে বাতৰি কাকতত। তেওঁলৈ সাংবাদিক অজিত ভূঞা (দৈনিক অসম) আৰু গায়িকা লক্ষহীৰা দাস বাইদেৱে লিখা চিঠি পঢ়িবলৈ পাইছোঁ নানান উপদেশ দিয়া।

খুউব সৰুতেই তেওঁ নৱম শ্ৰেণীত থাকোঁতেই 'আমি হেনো সৰু ল'ৰা' নামৰ এখন কবিতাপুথি ছপা কৰি উলিয়ায়। তথ্য অনুসৰি সেইখনেই হেনো আমাৰ নাওবৈচা সমষ্টিৰ প্ৰথম কবিতা পুথি।

তেওঁ আছিল নাওবৈচা আঞ্চলিক ছাত্ৰ সন্থানৰ প্ৰতিষ্ঠাপক সম্পাদক, সভাপতি আছিল টিকেন্দ্ৰজিৎ বৰুৱা। ফুলবাৰী হাইস্কুলৰো তেওঁ আছিল সাধাৰণ সম্পাদক। ফুলবাৰী হাইস্কুলৰ সেই সময়তে হাতে লিখা আলোচনী 'জ্যোতি' তেওঁলোকে লিখি উলিয়াইছিল জ্যোতিৰ সম্পাদক বিপিন শইকীয়াই। অঞ্চলটোলৈ, সমষ্টিটোলৈ জিলাখনলৈ পোহৰৰ বাট কঢ়িয়াই আনিবলৈ সদায়ে চেষ্টা কৰি আহিছিল, এতিয়াও কৰি আছে। এবাৰ মোৰ মনত আছে — ডিচিৰ ওচৰলৈ গৈ আমাৰ ফুলবাৰীলৈ এখন বাছ নিয়মিত দিবলৈ আবেদন কৰা... লগত লৈ গৈছিল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি টিকেন্দ্ৰজিৎ বৰুৱা, পুতলী কায়স্থ, অৰুণ দত্ত, কিৰণ বৰুৱা আৰু কণমানি মোকো লৈ গৈছিল।

হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পাছত তেওঁ 'উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাত পঢ়িবলৈ লয়, লগতে 'ন-লখিমী' প্ৰেছত সম্পাদকৰ দায়িত্ব লয়। ন-লখিমী বাতৰি কাকতত 'নকৈ নোৱাৰোঁ হেৰি' উটনুৱা খাৰখোৱা ছদ্ম নামেৰে এলানি ধাৰাবাহিক লিখিবলৈ লয়। সাংবাদিক হাৰুনুল ৰছিদ, তৰুণ শইকীয়া, যতীন শইকীয়া, চফিকুল লেটিভ বৰুৱা আদিৰ সান্নিধ্য দাদাৰ যোগেদিয়েই পাইছিলোঁ আজিও মনত পৰে। আজিও মনত পৰে দেউতাৰ পাতি চাইকেলখনত আগত মোক বহুৱাই দাদাই লক্ষীমপুৰৰ বিভিন্ন ঠাইৰ সভাত অংশগ্ৰহণ কৰিবলৈ যোৱা মুহূৰ্তবোৰ। নৱম-দশম শ্ৰেণীৰ এজন ছাত্ৰ হৈয়ো অঞ্চলটোত সমষ্টিটোত, জিলাখনত যি জনপ্ৰিয়তা অৰ্জন কৰিছিল, সি আজিও অক্ষুণ্ন আছে আৰু থাকিব। এতিয়াও বিপিন বুলি ক'লে বৃদ্ধ, বনিতা সকলোৰে আপ্লুত হৈ উঠে।

১৯৭৭ চন। চাকৰি সূত্ৰে তেওঁ যাবলগীয়া হয় নামৰূপলৈ। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিদ্যালয়ত তেওঁ হিন্দী শাখাত শিক্ষক ৰূপে নিযুক্তি পায় আৰু তেতিয়াৰ পৰা তেওঁৰ অন্য এক জীৱনৰ আৰম্ভ হয়। গৈয়েই নিজৰ বাসগৃহত প্ৰথম মইনামেলৰ বৈঠকখন বহায়, নিজে পৰিচালকৰ দায়িত্ব লৈ, দিলীপ শৰ্মাক সহঃ পৰিচালক ৰূপে ৰাখি বিদ্যুৎ মইনা পাৰিজাত নামেৰে এখন মইনা পাৰিজাত আৰম্ভ কৰে। পিছলৈ এই মইনা পাৰিজাতে সদৌ ডিব্ৰুগড় জিলাৰ ভিতৰত শ্ৰেষ্ঠ মইনা দল হ'বলৈ সক্ষম হয়। তেওঁ নিজে গীত লিখে, সুৰ দিয়ে সৰুৰ পৰাই। বিদ্যালয়ৰ আদৰণী সভাবোৰত নিজে লিখা গীতেৰে সভা আৰম্ভ কৰা আজিও মনত আছে। গীত লিখা প্ৰচেষ্টা তেওঁ অব্যাহত ৰাখিছিল আৰু ডিব্ৰুগড় ৰেডিঅ' চেণ্টাৰলৈ স্বীকৃতিৰ বাবে পঠোৱা কামো অব্যাহত ৰাখিছিল। ফলত ১৯৭৮ চনত



ডিব্ৰুগড় ৰেডিঅ' চেণ্টাৰৰ পৰা 'গীতিকাৰ' ৰূপে স্বীকৃতি পাইছিল আৰু বৈকুণ্ঠনাথ গগৈৰ কণ্ঠত প্ৰথম গানটো চেণ্টাৰত গাইছিল 'জিৰ জিৰ ফাগুনৰ বতাহ বলিছে, চঞ্চল মন মোৰ উৰিছে, কেনিবা উৰিছে। তেওঁৰ গীত লোকনাথ গোস্বামী, লুইত দাস, ভবানী বৰগোহাঁই আদি বহু গুণমুগ্ধ শিল্পীয়ে গাইছে ৰেডিঅ' চেণ্টাৰৰ যোগেদি। 'ভাইটিছাৰ' নামেৰে বিখ্যাত হৈ পৰা নামৰূপবাসীয়ে ভাইটিছাৰক কেতিয়াও পাহৰিব নোৱাৰে। দাদা তালৈ গৈয়ো সেই নগৰীখনলৈ এক সাংস্কৃতিক, সাহিত্যিক পৰিৱৰ্তন আনিছিল। প্ৰত্যেকজন মানুহকে সংস্কৃতিৱান কৰি তুলিছিল। মঞ্চই মঞ্চই নিজেই গান গাই ফুৰিছিল। অসম নাট্য সন্মিলনৰ বিখ্যাত নাট্যকাৰ অখিল চক্ৰৱৰ্তীৰ নাটক উত্তৰ পুৰুষত নিজে সুন্দৰ অভিনয় কৰি ডিব্ৰুগড় জিলা ভিত্তিত সন্মান পাইছিল। নাট্যকাৰ যজ্ঞেশ্বৰ শৰ্মা, অসমৰ প্ৰথম মহিলা পৰ্বতাৰোহী নেছিম আখতাৰ, মাধৱ দাস আদিৰ সহযোগত 'অসম নাট্য সন্মিলন' আৰু সদৌ ভাৰত নাট, প্ৰতিযোগিতাত কে'বাবাৰো অংশগ্ৰহণ কৰি পুৰস্কাৰ পাবলৈ সক্ষম হয়। বিদ্যালয়ত তেওঁ 'গাইড'ৰো শিক্ষক আছিল। শিক্ষকতাৰ মাজৰেহে তেওঁ দুলীয়াজান মহাবিদ্যালয়ৰ পৰা কলা শাখাত বি এ ডিগ্ৰী লৈছিল।

১৯৮১ চনত এবাৰ সাহিত্যিক ক্ষীতিশ বৰা আৰু দাদাক অসমৰ হৈ জম্মু কাশ্মীৰত হোৱা এক সাহিত্যিক সন্মিলনত যোগদান কৰিবলৈ পঠাইছিল। তাতো দাদাই 'বহন কী চিঠ্ঠি' নামৰ কবিতা লিখি প্ৰথম পুৰস্কাৰ পাইছিল। জম্মু কাশ্মীৰৰ ৰেডিঅ' চেণ্টাৰতো অসমৰ 'বিহু' হিন্দীলৈ অনুবাদ কৰি গাইছিল। তেতিয়া দাদাৰ বয়স খুউব বেছি ২২-২৩ বছৰ হৈছে মাত্ৰ। তেওঁ বয়সতকৈ বেছি আগবঢ়া আছিল। কিতাপ পঢ়াৰ পোক আছিল। ফুলবাৰীৰ ঘৰতো অসংখ্য কিতাপেৰে ঘৰ ভৰি আছিল আৰু নামৰূপৰ বাসগৃহতো তিনিখলপীয়া ৰেগত অসংখ্য কিতাপ, আলোচনী, বাতৰি কাকত ভৰি আছিল। নিজে হাৰম'নিয়াম বজাই গীত গাইছিল। সুৰ দিছিল, মোকো গোৱাইছিল। তেওঁ কথা ক'ব জানিছিল, সেয়ে তেওঁৰ কথা শুনিবলৈ গুণমুগ্ধৰ অভাৱ নাছিল। বহুত সুন্দৰ বক্তৃতা দিছিল তেওঁ। তেওঁ যিমান সাৰগৰ্ভ থকা মানুহ আছিল সিমান ৰসিকো আছিল। ফুলবাৰীৰ নামঘৰত ফুচৰী দিবলৈ ৰাতি ঘৰত কোনেও গম নোপোৱাকৈ পলাই গৈছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধুসুলভ ভাব ৰাখিছিল। নামৰূপৰ ছাত্ৰ-ছাত্ৰীয়ে সুযোগ পালেই ভাইটিছাৰ অকণমান 'জমাওক না' বুলি কৈ গাজা শুনাত ব্যস্ত হৈ পৰিছিল। তেওঁ যিটো ষ্টাইলত কথা ক'ব পেটৰ নাড়ী ডাল ডাল হৈ যাম হাঁহিত। এয়াই আছিল। সৰুৰ লগত সৰু, সাহিত্যিকৰ লগত সাহিত্যিক, গায়কৰ লগত গায়ক, খেলুৱৈৰ লগত খেলুৱৈ, সকলো দিশতে তেওঁ পাৰ্গত আছিল।

ভাষা আন্দোলন তেওঁ সৰুতে পাইছিল। তেতিয়া তেওঁ ফুলবাৰী হাইস্কুলৰ সম্পাদক আছিল, আন্দোলন কৰিবলৈ গৈ পিতন খাইছিল পুলিচৰ। অসম আন্দোলনৰ সময়তো নামৰূপৰ পৰা আহি নিজৰ নাওবৈচা সমষ্টিৰ আৰক্ষী চকীত ঘণ্টীয়া অনশন আন্দোলনত অংশগ্ৰহণ কৰিছিল। তেওঁ আমাক প্ৰায়ে কৈছিল - জীৱনত উন্নতি কৰিবলৈ হ'লে তিনিটা 'প'ৰ বহুত প্ৰয়োজন। পিতৃ-মাতৃ দুই পৰিৱেশ তিনি প্ৰচেষ্টা। দাদাই তিনিটাই পাইছিল। পিতৃ-মাতৃ পাইছিল - মা আছিল ধাৰ্মিক মাৰ্গৰ মানুহ। ঘৰখনত পুৱা-গধূলি ধাৰ্মিক অনুষ্ঠানবোৰ কৰিছিল মহাভাৰত, ৰামায়ণৰ ধাৰাবাহিক পঠন কৰিছিল সেই পৰিৱেশ দাদাই পাইছিল... পিছলৈ পাঠ পঢ়া মানুহৰ অভাৱত আমিবোৰে নাপালোঁ। নিজস্বভাৱে কিবা লিখিবলৈ মায়েই হেনো দাদাক এই বুলি উদগনি দিছিল — ৰামায়ণখন তোৰ-মোৰ দৰে মানুহেই লিখা। গতিকে লিখ, তয়ো পাৰিবি। দেউতা আছিল আগৰণুৱা মানুহ। ভাল কামত কোনো বাধা-বিঘিনী নিদিছিল। অনুষ্ঠানবোৰলৈ নিজেই দৰকাৰ হ'লে লৈ গৈছিল। দাদাক কিতাপ চপা কৰোৱাৰ পৰা ডাকঘৰৰ সমস্ত খৰচ বহন কৰিছিল। কেতিয়াও নিৰুৎসাহ নকৰিছিল। তেনে পিতৃ-মাতৃ কেইজনৰ ভাগ্যত মিলে? দাদাই পাইছিল। সেয়ে পিছলৈ এদিনো ঘূৰি চাবলগীয়া হোৱা নাছিল। পৰিৱেশ পাইছিল সুন্দৰ- ওচৰতে কৃষ্টিসংঘ তাত তেতিয়া এটা পুথিভঁৰালো আছিল। কাষতে হাইস্কুল, এম ই স্কুল কোনো কষ্ট নকৰাকৈ ঘৰৰ ভাত খাই মাত্ৰ কৰ্ম কৰি যাব লাগে। সবাতকৈ ডাঙৰ কথা আছিল দাদাৰ নিজৰ প্ৰচেষ্টা। কেনেকৈ নিজৰ উন্নতি কৰিব পাৰি সেই সুবিধাবোৰ তেওঁ নিজৰ প্ৰচেষ্টাৰে গোটাই লৈছিল। গোটাই গৈছিল। আৰু আজিও গৈ আছে।

১৯৮৫ চনত তেওঁ স্কুলৰ চাকৰি সলাই বেংকৰ চাকৰিত নিযুক্তি লৈছিল আৰু তাৰ পৰাই অৱসৰ গ্ৰহণো কৰিছিল। সেই সময়খিনিতে তেওঁ কে'বাখনো গ্ৰন্থ ৰচনা কৰি উলিয়াব, তাৰ ভিতৰত 'হিমালয়ৰ এজন সিদ্ধ যোগী (অনুবাদ), অৱগুণ্ঠিত এনিশা।

পৃথিৱীৰ সাতখন দেশলৈ তেওঁ নিমন্ত্ৰিত হৈ গৈছে।

বৰ্তমান তেওঁ লখিমপুৰতে পত্নী, পুত্ৰ, কন্যা, নাতিনীসহ অতি সুখেৰে জীৱন অতিবাহিত কৰি আছে।



# এজন 'মিঠা' অসমীয়া

১৯৭৩ চনত ল'ৰাজনৰ নামটো সাপ্তাহিক 'জনমভূমি'ৰ মইনাৰ মেলত পাওঁ। কিবাকিবি লিখো।
১৯৭৮ চনত ল'ৰাজনৰ লগত দেখাদেখি হওঁ—
কঁঠালগুৰিত হোৱা সদৌ ডিব্ৰুগড় জিলা মইনা সমাৰোহত।
নামৰূপ বিদ্যুৎ মইনা পাৰিজাতৰ পৰিচালক হৈ আহিছিল।
তেতিয়া ল'ৰাজন নামৰূপৰ ডেকা শিক্ষক আছিল।
দিন বাগৰিল। ডেকা শিক্ষকজন অসম গ্ৰামীণ বিকাশ বেংকৰ মেনেজাৰ হ'ল। এপিএছচিৰ প্ৰাৰম্ভিক পৰীক্ষাও পাছ কৰিছিল।

বেংকৰ পৰা ৩ অৱসৰ লৈ পুনৰ প্ৰাইভেট ফাইনেন্স কোম্পানী এটাত সোমাল। ল'ৰাজন এতিয়া মানুহজন হ'ল। মানুহজনৰ বৰ্তমান স্বাস্থ্য ভাগি পৰিছে। উপদেশ কিছু দিলোঁ। মানুহজন এতিয়া 'ককা' হ'ল। যাৰ কথা লিখিছোঁ -তেখেত একাধাৰে সাহিত্যিক, কবি, গীতিকাৰ, সংস্কৃতিবিদ আৰু খাটি গাঁৱলীয়া। মাক-দেউতাকৰ ছয়টি সন্তানৰ বৰমইনা। হাল বায়, কোৰ মাৰে, ভাওনা কৰে, গাঁৱত দপ্‌দপাই ফুৰে। পৰিয়াল বিঘটনৰ ফলত মানুহজন নগৰীয়া হ'ল। ■ ১১ পৃষ্ঠাত

## মোৰ ভাতৃপ্ৰতিম বিপিন শইকীয়া



■ হাৰুনুল ৰছিদ

তাৰিখটো পাহৰিছোঁ। দিনটো আছিল ডিচেম্বৰ মাহৰ শেষৰটো সপ্তাহৰ কোনোবা এটা দিন। চনটো আছিল ১৯৭৪ চন।

মই তেতিয়া 'ন-লখিমী' কাকতৰ উপ-সম্পাদক। কিবা এটা কথাত সেইদিনা মই অসম ৰাজ্যিক পৰিবহণ নিগমৰ লখিমপুম কাৰ্যালয়ৰ উত্তৰ-পশ্চিম দিশৰ গেটখনৰ সন্মুখত ৰৈ আছিলোঁ।

তেনেকৈ ৰৈ থাকোঁতেই দেখিলোঁ, এজন ল'ৰাই চাইকেল এখন লৈ আহি মোৰ সন্মুখত ৰৈ দিলে। সাধাৰণ জোখতকৈ কিছু চাপৰ ল'ৰাজনে হাঁহি মুখেৰে মোক সুধিলে— 'আপুনি ৰছিদ দা' নহয় জানো? মই 'হয়' বুলি কোৱাত তেওঁ খন্তেক প্ৰণয় ৰ'ল। তাৰ পিছত আৰম্ভ হ'ল নমস্কাৰসহ চিনাকী পৰ্ব। ল'ৰাজনৰ লগত কথা-বতৰা পাতি ভাল লাগিল। তেওঁৰ চাইকেলৰ কেৰিয়াৰত চাৰিখন কিতাপ দেখি ভাবিলোঁ, ল'ৰাটোৱে নিশ্চয় প্ৰচুৰ অধ্যয়ন কৰে। তেতিয়া তেওঁ এই কিতাপ চাৰিখন স্থানীয় জিলা পুথি ভঁৰালৰ পৰা লৈ আহিছেহে মাত্ৰ।

নাম তেওঁৰ বিপিন শইকীয়া। ইতিমধ্যে তেওঁ মইনা পাৰিজাত, চেমনীয়া চ'ৰা আদিত ব্যস্ত থকাৰ লগতে এই সময়ত প্ৰকাশিত অসমৰ জনমভূমি, নতুন অসমীয়া, দৈনিক অসম, অসমবাণী, অসম বাতৰি ■ ১১ পৃষ্ঠাত



## প্ৰিয় ব্যক্তিগৰাকীৰ বিষয়ে একলম

■ বিতোপন দত্ত

সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰা, অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী মোৰ শ্ৰদ্ধাৰ ব্যক্তিগৰাকী হ'ল সন্মানীয় বিপিন শইকীয়া ছাৰ। কথাৰে নহয়, কৰ্মৰ জৰিয়তে পৰিচয় বিলোৱা এগৰাকী ব্যক্তি। জন্ম তেওঁৰ লখিমপুৰ চহৰৰ ফুলবাৰী অঞ্চলত এখন আধ্যাত্মিকতাৰে ভৰপূৰ ঘৰত। ঘৰখনৰ ডাঙৰ সন্তান হোৱা বাবে যথেষ্ট দায়িত্ব আহি পৰিছিল আৰু বহু কম বয়সতে কৰ্মৰ সন্ধান কৰিছিল। প্ৰথমে তেওঁ নামৰূপত অৱস্থিত থাৰ্মেলত চাকৰি জীৱন আৰম্ভ কৰিছিল তাৰ পাছত অসম গ্ৰামীণ বিকাশ বেংকত চাকৰি কৰাৰ লগতে তেওঁ সাহিত্য আৰু সংস্কৃত জগতখনৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। এক অৰ্থত ক'বলৈ গ'লে তেওঁ এগৰাকী Malti Telented ব্যক্তি, একে সময়তে বাতৰি কাকত, আলোচনী ৰেডিঅ'তো সুৰ দিবলৈ সক্ষম হৈছিল। এই চৰ্চা বৰ্তমানো অব্যাহত আছে, নিয়মীয়া নহয় যদিও। আটাইকে তেওঁৰ ডাঙৰ গুণটো হ'ল তেওঁ এজন সু-ব্যক্তিত্বৰ অধিকাৰী। সকলোৰে লগত খুব কম সময়তে আপোন হ'ব পাৰে। মানুহক খুব কম সময়তে অধ্যয়ন কৰিব পাৰে। আজিৰ পৰা তিনি বছৰ আগত তেওঁক লগ পোৱাৰ সৌভাগ্য হৈছিল আৰু তাৰ পাছত সহকৰ্মী হৈ একেলগে কাম কৰাৰ সুযোগ পাইছিলোঁ, ছাৰে বেংকৰ পৰা অৱসৰ লৈ এটা বিত্তীয় প্ৰতিষ্ঠানত পুনৰ শাখা প্ৰবন্ধক হিচাপে কৰ্মৰত হৈছিল আৰু ময়ো সেই বিত্তীয় প্ৰতিষ্ঠানটোত তেওঁৰ লগত কাম কৰাৰ সুযোগ পাইছিলোঁ ■ ১১ পৃষ্ঠাত



## অসাৰ্থক জীৱনৰ দস্তাৱেজ

■ বিপিন শইকীয়া

মোৰ নিৰক্ষৰ আয়ে কৈছিল— মানুহ হৈ উঠ, পশুত্বৰ পৰা ঊৰ্দ্ধলৈ উঠ। মানুহৰ পৰা মহামানৱ হৈ, দেৱতা হৈ, দেশৰ কাৰণে, মানুহৰ কাৰণে বিশেষ সেৱা আগবঢ়াই যিজনে ইতিহাসত নিজৰ নাম খোদিত কৰিব পাৰে, তেওঁহে প্ৰকৃততে মানুহ নামৰ যোগ্য, তেওঁৰহে জীৱনটো সাৰ্থক। আয়ে সদায় সোঁৱৰাই থকা সেই পথৰ যাত্ৰী হোৱা দূৰৰে কথা, ওচৰ চাপিবই নোৱাৰিলোঁ। কিন্তু আকাশচুম্বী মহা মহা সপোনৰ ■ ১১ পৃষ্ঠাত

# বন্ধুৰ জন্মদিনৰ অন্তৰংগ আলাপ

■ উইল

'জন্মদিনৰ শুভবাৰ্তা এটাৰ অপেক্ষাত ৰৈ থাকে সময়
সময়ৰ হাত ধৰি বয় নিৰৱধি নৈ
নৈত শুভেচ্ছাৰ ৰাশি ৰাশি পানচৈ।
শুভেচ্ছা,
মংগলময় ভৱিষ্যৎ
অথবা বৰ্ণময় বাট এটাৰ

শুভেচ্ছাই যদি মচিব পাৰে দুখৰ চকুলো
কণ্ঠত ওমলাব পাৰে হেজাৰ চৰাইৰ গান,
সৰলীকৃত শুভেচ্ছাৰে তিয়াই লওঁ বিনয়ী দুহাত;
দহো আঙুলিত মোৰ প্ৰাৰ্থনাৰ একাঁজলি জোনাক।'
—উইল।



আবেলিৰ বেলিৰ ৰংবোৰত থূপ খাই থকা বহু স্মৃতি। বহু সংস্কৃতি।
তাৰিখ ২০ নৱেম্বৰ। বন্ধুবৰ বিপিন শইকীয়া দেৱৰ জন্মতিথিৰ দিনটোত সোঁৱৰণিৰ অগা-ভেটা। প্ৰৌঢ়ত্বৰ তিনিকুৰি চাৰি বছৰীয়া এই জন্মদিনটোত উথপ্ থপ গল্প, কবিতা, প্ৰবন্ধ, গীত-মাত-নাট আৰু এটা সুৰীয়া কণ্ঠ।
'সংগ্ৰাম জীৱনৰ আন এটা নাম' বোলা আপ্তবাক্য ফাকি যেন তেওঁৰ জীৱনৰ মন্ত্ৰ প্ৰবল ইচ্ছা শক্তিৰ বলত বিজয় ধ্বজা উৰুৱাব ■ ১১ পৃষ্ঠাত



## বিষ্ণুপুৰত শিশু দিৱস উপলক্ষে শিক্ষাৰ্থীক পাদুকা বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৮ নৱেম্বৰ ঃ** দৰঙৰ এখন চৰকাৰী স্ত্ৰী শিক্ষানুষ্ঠানত শিক্ষাৰ্থীক এযোৰকৈ পাদুকা প্ৰদান কৰা হয়। দৰঙৰ অগ্ৰণী বেচৰকাৰী অনুষ্ঠান 'আশা'ৰ উদ্যোগত আন্ধেৰীঘাটৰ সমীপৱৰ্তী বিষ্ণুপুৰত অৱস্থিত বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰায় দুই শতাধিক ছাত্ৰীৰ মাজত পাদুকা বিতৰণ কৰা হয়। শিশু দিৱসৰ লগত সংগতি ৰাখি ১৪ নৱেম্বৰত বেচৰকাৰী অনুষ্ঠান 'আশা'ই এই কাৰ্যসূচী হাতত লয়। এইক্ষেত্ৰত অঞ্চলটোৰ দুখীয়া বহু শিক্ষাৰ্থী উপকৃত হোৱাৰ লগতে বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পলাশ চমুৱাই বিদ্যালয় তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছে বেচৰকাৰী অনুষ্ঠানৰ সমূহ কৰ্মকৰ্তাক।

## কামৰূপ জিলাত সফলতাৰে অনুষ্ঠিত হ'ল ৰাষ্ট্ৰীয় লোক-আদালত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ১৮ নৱেম্বৰ ঃ** দেশৰ আন জিলাসমূহৰ লগতে কামৰূপ জিলাতো ১২ নৱেম্বৰত এখন ৰাষ্ট্ৰীয় লোক-আদালত অনুষ্ঠিত হয়। আমিনগাঁওস্থিত জিলা ন্যায়িক আদালত, ৰঙিয়াৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতৰ লগতে বকো আৰু হাজোস্থিত প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতকে ধৰি জিলাখনৰ মুঠ ৪ ঠাইত এই লোক-আদালত সফলতাৰে অনুষ্ঠিত হয়। এই লোক আদালতত বিদ্যুৎ বিল অনাদেয়ক, বেংকৰ ঋণ অনাদেয়ক আদিকে ধৰি আদালতৰ দেৱানী-ফৌজদাৰী বিভিন্ন প্ৰকাৰৰ মুঠ ৭,৪৭৬টা গোচৰ নিষ্পত্তিৰ বাবে নিৰ্বাচন কৰা হৈছিল। ইয়াৰ ভিতৰত মুঠ ১১৮২টা গোচৰ সফলতাৰে নিষ্পত্তি কৰা হয় আৰু ইয়াৰ মিত-মাত ধন ৰাশিৰ পৰিমাণ হ'ল ২,০৫,৮৪,৪৩২.০০ টকা। তদুপৰি কামৰূপ জিলা দণ্ডাধীশৰ বিচাৰাধীন হৈ থকা বাকীজাঁই আৰু ৰাজহ সম্পৰ্কীয় মুঠ ২০টা গোচৰো এই লোক-আদালতত নিষ্পত্তিৰ বাবে লোৱা হয়। ইয়াৰ ভিতৰত ৯টা গোচৰ নিষ্পত্তি কৰা হয়- যাৰ মিত-মাত ধন ৰাশিৰ পৰিমাণ হ'ল ৩ লাখ টকা।

## শশাংক দাস কলিতা সোঁৱৰণী একাংকিকা নাট প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৮ নৱেম্বৰ ঃ** শুৱালকুছিৰ পাৰ্শ্বৱৰ্তী হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহযোগত লংকেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত শশাংক দাস কলিতা সোঁৱৰণী ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ২৮, ২৯ জানুৱাৰীত হালোগাঁও মজলীয়া বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া নাট প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ নাট্য দলসমূহৰ পৰা পাণ্ডুলিপি বিচৰা হৈছে। নাটকৰ নিয়মাৱলীৰ বাবে প্ৰতিযোগী দলসমূহে ৰূপালীম ৱেবছাইট চাব পাৰে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বিচৰা দলসমূহে ৩১ ডিচেম্বৰৰ ভিতৰত নাটকৰ পাণ্ডুলিপিসমূহ পিডিএফ কৰি wwwrupalim.orgত পঠিয়াবলৈ অনুৰোধ জনাইছে আয়োজক সমিতিয়ে। পাণ্ডুলিপিৰ বেটুপাতত নাটকৰ নাম, নাট্যদলৰ নাম, পৰিচালকৰ নাম, নাটকৰ দৈৰ্ঘ্য, মোবাইল নম্বৰ, ই-মেইল লিখি দিব লাগিব। ৰূপালীমৰ বঁটাসমূহ ২৯ জানুৱাৰী ২০২৩ত প্ৰদান কৰা হ'ব। যোগাযোগৰ বাবে গুৱাহাটীৰ কাৰ্যালয় সম্পাদক হিৰণ্য ভট্টাচাৰ্য অথবা ৯১৮৮৭৬৫১৫১২৮, ৯১৯৭০৬২৬৩১৯২ নম্বৰত যোগাযোগ কৰিব পাৰিব। আনহাতে, বিভিন্ন শিতানৰ পুৰস্কাৰসমূহ প্ৰথম, দ্বিতীয়, তৃতীয় শ্ৰেষ্ঠ নাট্য দলৰ বাবে ক্ৰমে বিশ হাজাৰ, পোন্ধৰ হাজাৰ আৰু দহ হাজাৰ নগদ ধনৰ লগতে স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। শ্ৰেষ্ঠ পাণ্ডুলিপিৰ বাবে পাঁচ হাজাৰ, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা আৰু অভিনেত্ৰীৰ বাবে পাঁচ হাজাৰ টকা, শ্ৰেষ্ঠ সহঃ অভিনেতা-অভিনেত্ৰী আৰু শ্ৰেষ্ঠ শিশুশিল্পীৰ বাবে তিনি হাজাৰ নগদ ধনৰ লগতে স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজক সমিতিয়ে জনাইছে।

## ধুবুৰীত অতিৰিক্ত শিল কঢ়িওৱা ডাম্পাৰ, ট্ৰাকৰ বিৰুদ্ধে অভিযান
## ২,৯৫,০০০ টকাৰ জৰিমনা সংগ্ৰহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ নৱেম্বৰ ঃ** ধুবুৰী জিলা পৰিবহণ বিষয়া মিজাজুৰ ৰহমান আৰু ধুবুৰীৰ উপ-আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূএগৰ নেতৃত্বত যোৱা আৰক্ষী আৰু পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ এটি দলে ১১ আৰু ১২ নৱেম্বৰত ধুবুৰীৰ তামাৰহাট এলেকাত অভিযান চলাই অতিৰিক্ত বোজা কঢ়িওৱা শিলভৰ্তি পাঁচখনকৈ ডাম্পাৰ আৰু ট্ৰাক জব্দ কৰি জৰিমনা বিহা হয় বুলি আজি ধুবুৰী জিলা পৰিবহণ বিষয়া মিজাজুৰ ৰহমানে সাংবাদিকৰ আগত জানিবলৈ দিয়ে। অভিযানকাৰী দলটোৱে ১০ নৱেম্বৰত ৪খন অতিৰিক্ত শিল পৰিবাহী ডাম্পাৰ আৰু ট্ৰাকৰ পৰা মুঠ ২,৩৭,০০০ টকাৰ জৰিমনা আদায় কৰাৰ লগতে যোৱা ১১ নৱেম্বৰত তামাৰহাটৰ পৰা গোলকগঞ্জ অভিমুখী এখন অতিৰিক্ত শিল কঢ়িওৱা ডাম্পাৰৰ পৰা ৫৮,০০০ টকাৰ জৰিমনা বিহা হয় বুলি মঙলবাৰে ধুবুৰী জিলা পৰিবহণ বিষয়া মিজাজুৰ ৰহমানে সাংবাদিকৰ আগত জানিবলৈ দিয়ে।

# কাঁহিকুছি গাঁও পঞ্চায়তত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন

**গুৱাহাটী, ১৮ নৱেম্বৰ ঃ** পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণী উন্নয়ন খণ্ডৰ অধীনৰ আটাইকেইখন গাঁও পঞ্চায়ত এলেকাত বিগত সময়ছোৱাত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিভিন্ন কেন্দ্ৰীয়-ৰাজ্যিক আঁচনিৰ অনুদানৰে বিভিন্ন উন্নয়নমূলক কাম কৰি থকা পৰিলক্ষিত হৈছে। ইয়াৰ অংশ হিচাপে কাঁহিকুছি গাঁও পঞ্চায়ত এলেকাত পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰায় ৩২ লাখ টকাৰে নিৰ্মাণ, পুনৰ্নিৰ্মাণ আৰু মেৰামতিৰ বাবে মুঠ ১০টা প্ৰকল্পৰ মঙলবাৰে আধাৰশিলা স্থাপন কৰা হয়। প্ৰকল্পকেইটা হ'ল ক্ৰমে— মাটিয়া ইছলামপুৰ অংগনৱাড়ী কেন্দ্ৰ, মাটিয়া কালী মন্দিৰ চৌহদত শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ, মাটিয়া খহনীয়া সৎ সংগ প্ৰাথমিক বিদ্যালয়, মাটিয়া নতুনবস্তি অংগনৱাড়ী কেন্দ্ৰ, জৱে-পাটগাঁৱৰ নলা মেৰামতি, জৱে-পাটগাঁও প্ৰাথমিক বিদ্যালয়, শ্যামভূমি হাইস্কুল, শ্যামভূমি মজলীয়া বিদ্যালয়, বুল্লাৰপাৰ প্ৰাথমিক বিদ্যালয় আৰু যোগীপাৰা দৈৱ্যজ্যোতি বালিকা বিদ্যালয়। আনহাতে, মাংগলিক কাৰ্যৰ জৰিয়তে আধাৰশিলা স্থাপন কৰে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। এই উপলক্ষে আটাইকেইটা স্থানতে বহুসংখ্যক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয়— তেওঁ সমষ্টিৰ প্ৰতিটো অঞ্চলৰ উন্নয়নৰ বাবে দায়বদ্ধ আৰু আঁচনিসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে ৰূপায়িত হয় তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। কোনো ধৰণৰ দুৰ্নীতি নোহোৱাকৈ আঁচনিসমূহ যাতে ৰূপায়ণ কৰা হয় তাৰ ওপৰত চকু ৰাখিবলৈ ৰাইজক বিধায়ক কলিতাই আহ্বান জনায়। সভাত ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মন, অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক সুভাষ শৰ্মা, কামৰূপ জিলা সমিতিৰ সম্পাদক পৰেশ বৰুৱা, পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰী, পশ্চিম গুৱাহাটী মহিলা বিধান পৰিষদৰ কোষাধ্যক্ষ ভাৰতী সিং কছাৰী, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া, সচিব সুবোধ কলিতা, অগপৰ কাঁহিকুছি অঞ্চলিকৰ সভাপতি প্ৰভাত দলৈ, সম্পাদক গৌতম কাকতি, ৰাণীৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ পৰ্যবেক্ষক হাচিনা বেগম, বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকক ধৰি কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে।



# তামুলপুৰত বীৰছা মুণ্ডাৰ ১৪৭সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপন

### ■ আদিবাসী ঐতিহাসিক শান্তি চুক্তি স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা জ্ঞাপন ■

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** তামুলপুৰ আৰু বাক্সা জিলাৰ আদিবাসী ৰাইজৰ উদ্যোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তামুলপুৰৰ পাটকীজুলী মাইনাও ফুটবল খেলপথাৰত স্বাধীনতা সেনানী বীৰছা মুণ্ডাৰ ১৪৭তম্ জন্ম-জয়ন্তী পালন কৰাৰ সমান্তৰালভাৱে আদিবাসী ঐতিহাসিক শান্তি চুক্তি স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। স্বাধীনতা সেনানী বীৰছা মুণ্ডাৰ ১৪৭সংখ্যক জন্ম-জয়ন্তী উপলক্ষে মঙলবাৰে ২৬ নম্বৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিত গৌৰা নাৰ্জাৰীয়ে মুখ্য দ্বাৰ উন্মোচনৰ পিছতে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে মুখ্য মঞ্চ উদ্বোধন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মঙলবাৰে বীৰছা কমাণ্ডো ফ'ৰ্চ বিটি গ্ৰুপৰ প্ৰাক্তন মুখ্য সেনাধ্যক্ষ বাদল তুডুৱে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছতেই আদিবাসীসকলৰ পৰম্পৰাগত মাঝি থান মুকলি কৰে বীৰছা কমাণ্ডো ফ'ৰ্চ বিটি গ্ৰুপৰ প্ৰাক্তন অধ্যক্ষ তিৰ্কু তুডুৱে। দুপৰীয়া বাৰ বজাত উদ্‌যাপন সমিতিৰ সভাপতি পৰমেশ্বৰ বাস্কেৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মনোজ কুমাৰ চুৱাই আঁত ধৰা মুকলি সভাখনত উদ্‌যাপন সমিতিৰ সম্পাদক ষ্টিফেন মুৰ্মুৰ সহযোগত আদিবাসী ঐতিহাসিক শান্তি চুক্তি স্বাক্ষৰকাৰী বিচিএফ, এপিএ, এছটিএফ, এচিএমএ আৰু এএনএলএ-ৰ সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। মুকলি সভাত এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী আৰু এমচিএলএ হেমন্ত কুমাৰ ৰাভা উপস্থিত থাকি স্বাধীনতা সেনানী বীৰ বীৰছা মুণ্ডাৰ জীৱনশৈলীৰ বিষয়ে বহুল ব্যাখ্যা আগবঢ়ায়। উক্ত সভাখনত আগছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰাজু বাজগায়, প্ৰাক্তন ইউজিপিঅ'ৰ অধ্যক্ষ সুৰজ ঘিমিৰে, কেন্দ্ৰীয় এএছবিপিৰ সভাপতি মহেশ মুৰ্মু, তামুলপুৰ জিলা নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা, সদৌ চান্তাল ছাত্ৰ সন্থা তামুলপুৰ জিলা সমিতিৰ সম্পাদক চুৰেন মাৰ্ডিসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে প্ৰায় দুই সহস্ৰাধিক আদিবাসী লোকে সভাখনত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।




## বটীয়ামাৰী গাঁও পঞ্চায়তৰ প্ৰথমখন গাঁও সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিহালী, ১৮ নৱেম্বৰ ঃ** বিহালী সমষ্টিৰ বটীয়ামাৰী গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত মঙলবাৰে ২০২৩-২৪ বৰ্ষৰ পঞ্চায়ত উন্নয়ন পৰিকল্পনাৰ প্ৰথমখন গাঁও সভা অনুষ্ঠিত হয়। বটীয়ামাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ফুৰমণি দাসৰ সভাপতিত্ব অনুষ্ঠিত হোৱাৰ সভাখন বটীয়ামাৰী গাঁও পঞ্চায়তৰ সচিব গুণেন্দ্ৰ ছেত্ৰীয়ে আঁত ধৰে। আনহাতে, গাঁও সভাত ১০টাকৈ ৱাৰ্ডৰ সদস্য-সদস্যা আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যাৰ লগতে নিজ বিহালী জিলা পৰিষদৰ সদস্য দীপিকা ঢাকাল দেৱী উপস্থিত থাকে গাঁও সভাত। গাঁও সভাত বটীয়ামাৰী পঞ্চায়ত শতাধিক লোক উপস্থিত থাকি বিভিন্ন সমস্যা উপস্থাপন কৰাৰ লগতে চৰকাৰী উন্নয়নমূলক আঁচনি সন্দৰ্ভত আলোচনা কৰা হয়। আনহাতে, সভাত উপস্থিত থকা ৰাইজৰ মতামত অনুসৰি কেইবাখনো উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰা প্ৰস্তাৱ গ্ৰহণ কৰে গাঁও সভাই। সভাত সচিব গুণেন্দ্ৰ ছেত্ৰীয়ে চৰকাৰী আঁচনিসমূহ সুন্দৰভাৱে ৰূপায়ণ হয় তাৰ বাবে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে।

## লাহৰীঘাটত ভয়ংকৰ অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত দাঁতিয়ালবড়িত মঙলবাৰে পুৱা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। ফলত গাঁওখনৰ দুটা পৰিয়ালৰ তিনিটা বাসগৃহকে ধৰি বহু সা-সম্পত্তি জুইত ভস্মীভূত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, দাঁতিয়ালবড়ি গাঁৱৰ অহেদ আলী নামৰ লোকজনৰ ঘৰত মঙলবাৰে পুৱাৰ ভাগত অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত অহেদ আলীৰ দুটা বাসগৃহকে ধৰি বিভিন্ন সা-সামগ্ৰী আৰু প্ৰয়োজনীয় নথিপত্ৰ আদি সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে কাষতে থকা তেওঁৰ পুত্ৰ ইক্ৰামুল হকৰ এটা ঘৰসহ সা-সামগ্ৰী জুইত জাহ যায়। ইফালে, ঘটনা সন্দৰ্ভত অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও অগ্নিনিৰ্বাপক বাহিনী গৈ পোৱাৰ আগতেই স্থানীয় লোকৰ প্ৰচেষ্টাত জুই নিয়ন্ত্ৰণ হোৱাত ভয়ংকৰ বিপদৰ পৰা কথমপি গাঁওবাসী ৰক্ষা পৰে। অৱশ্যে ইয়াৰ মাজতে ওচৰৰ এগৰাকী প্ৰতিবেশীৰ ঘৰতো জুই বিয়পি কিছু ক্ষতিসাধন হয়। অগ্নিকাণ্ডটোত গাঁওখনৰ দুই পিতা-পুত্ৰৰ তিনিটা বাসগৃহৰ লগতে ধান, মৰাপাট, আ-অলংকাৰ, বিভিন্ন সামগ্ৰী, প্ৰয়োজনীয় নথিপত্ৰ আদি সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাত কেইবা লক্ষ টকা ক্ষতিসাধন হয়।

## ৰিণ্টু কুমাৰ বৰালৈ ৰাষ্ট্ৰীয় যোগবীৰ সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৮ নৱেম্বৰ ঃ** অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘই ৯ নৱেম্বৰত নতুন দিল্লীৰ ৰাজপট ভৱন প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় যোগবীৰ সন্মান সমাৰোহ ২০২২ অনুষ্ঠিত কৰে। এই সমাৰোহত মৰিগাঁৱৰ জ্যেষ্ঠ যোগ শিক্ষক তথা অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ অসম ৰাজ্যিক সমিতিৰ সচিব ৰিণ্টু কুমাৰ বৰাক ৰাষ্ট্ৰীয় যোগবীৰ সন্মান প্ৰদান কৰা হয়। উক্ত সমাৰোহত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল কেন্দ্ৰীয় ৰাজ্যিক আয়ুস মন্ত্ৰী মহেশ ভাই মঞ্জুপাৰা, বীৰা সংসদীয় সমষ্টিৰ সাংসদ বৃকেশ মিশ্ৰা, মুৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ সংস্থাৰ নিৰ্দেশক ডাঃ ঈশ্বৰ বসাবাৰেড্ডী আৰু অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ প্ৰতিষ্ঠাপক অধ্যক্ষ যোগগুৰু মংগেশ ত্ৰিবেদী। ৰিণ্টু কুমাৰ বৰাৰ এই সাফল্যত অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ মৰিগাঁও জিলা সমিতি আৰু মণিকাঞ্চন যোগ বিদ্যালয়ে আনন্দ প্ৰকাশ কৰে আৰু বৰাক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

## বাৰাপেটাৰ বিএছএফৰ জোৱান বিপুল স্বৰ্গীয়াৰীৰ দুৰ্ঘটনাত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৮ নৱেম্বৰ ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাৰাপেটাৰ বিএছএফৰ জোৱান বিপুল স্বৰ্গীয়াৰীৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ পিছতে তেওঁলোকৰ বাসগৃহত আহি উপস্থিত হয় বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস। মঙলবাৰে জোৱানগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে কাৰ্যবাহী সদস্য গৌতম দাসে। উল্লেখ্য যে সোমবাৰে বজালীত সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে নিহত হৈছিল বিএছএফৰ জোৱান বিপুল স্বৰ্গীয়াৰী। বিপুল স্বৰ্গীয়াৰী বিএছএফৰ ১৫১নং বেটেলিয়নত কৰ্মৰত হৈ আছিল ওড়িশাত। ১১ নৱেম্বৰত কন্যাৰ জন্মদিন উদ্‌যাপনৰ উদ্দেশ্যে এমাহৰ বাবে ছুটীত আহিছিল জোৱান বিপুল স্বৰ্গীয়াৰী। কিন্তু বজালীৰ উৰণীয়া সেতুৰ ওপৰত এখন অচিনাক্ত বাহনৰ খুন্দাত সোমবাৰে থিতাতে প্ৰাণ হেৰুৱায় জোৱানগৰাকীয়ে। তাৰ পিছতে শোকস্তব্ধ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে। উল্লেখ্য যে জোৱানগৰাকীৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

## প্ৰাথমিক শব্দকোষৰ প্ৰণেতা, আজীৱন সাহিত্য সেৱী, কৃতী শিক্ষক মহৎ চন্দ্ৰ দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৮ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ জাগীভকতগাঁও অঞ্চলৰ এগৰাকী সৰ্বৰহী ব্যক্তি, সমাজ সংগঠক, সাহিত্যৰ সাধক তথা জিলা কৃতী শিক্ষকৰ বঁটাপ্ৰাপক মহৎ চন্দ্ৰ দাসে মঙলবাৰে পুৱা ৫.৩৫ বজাত প্ৰায় ৭০ বছৰ বয়সত নিজা বাসগৃহ শান্তিপুৰত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫৩ চনৰ পহিলা মাৰ্চত ডিমৰুগুৰি গাঁৱত জন্মগ্ৰহণ কৰা দাসে ৩৮ বছৰ শিক্ষকতা কৰি শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। ২০১৩ চনত তেওঁ জিলা কৃতী শিক্ষকৰ বঁটাও লাভ কৰিবলৈ সক্ষম হয়। তেওঁ সদৌ অসম গ্ৰাম্য পুথিভঁৰাল আন্দোলনৰ অন্যতম গুৰি ধৰোঁতাৰ লগতে মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। অসম সাহিত্য সভাৰ একনিষ্ঠ সেৱক তথা আজীৱন সভ্য দাসে জাগীভকতগাঁও শাখা সাহিত্য সভাৰ সুদীৰ্ঘ দিনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তদুপৰি ২০১৬ চনত প্ৰাথমিক শব্দকোষ আৰু ২০১৯ চনত শত হাঁহি নামেৰে দুখন গ্ৰন্থ প্ৰণয়ন কৰি সাহিত্য-কৃতি ৰাখি থৈ গৈছে। এইগৰাকী মৃদুভাষী, সৰলমনা, সমাজ সচেতন আৰু হাস্য-মধুৰ ব্যক্তিত্বৰ অধিকাৰী দাসৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত এক শোকৰ ছাঁ পৰিছে। মহৎ চন্দ্ৰ দাসৰ মৃত্যুত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকা আৰু প্ৰধান সম্পাদক বল্লদেৱ শৰ্মাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ এক বৃহৎ ক্ষতি হ'ল বুলি উল্লেখ কৰে। মৰিগাঁও জিলা সাহিত্য সভাৰ উপৰি মৰিগাঁও গ্ৰাম্য পুথিভঁৰাল সন্থাৰ লগতে জাগীভকতগাঁও শাখা সাহিত্য সভাৰ সভাপতি লক্ষেশ্বৰ ডেকা, জাগীভকতগাঁও আঞ্চলিক ছাত্ৰ সন্থা, কলং-কপিলী শাখা কবি সন্মিলনৰ সম্পাদক জয়ন্ত সাগৰ শইকীয়া, ড° ভূপেন হাজৰিকা সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক ৰাজীৱ চহৰীয়া, নখোলা সাহিত্য চ'ৰাৰ সভানেত্ৰী অকণ দেৱীয়ে গভীৰ শোক প্ৰকাশ কৰে, লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে, দাসে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, জীয়ৰী, বোৱাৰীৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

## লাহোৱালৰ গড়পৰাৰ এগৰাকী যুৱতী জটিল ৰোগত আক্ৰান্ত

### মুখ্যমন্ত্ৰী তথা সুহৃদয় ব্যক্তিৰ পৰা সহায়ৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** এগৰাকী দৰিদ্ৰ পৰিয়ালৰ যুৱতীৰ এটা কৰুণ জীৱনৰ কাহিনী! পিতৃ কৰ্কট ৰোগত আক্ৰান্ত, মাতৃয়ে বিচাৰিছে মুখ্যমন্ত্ৰী তথা সু-হৃদয়ৱান লোকৰ আৰ্থিক সাহায্য। পিতৃ কৰ্কট ৰোগত আক্ৰান্ত হোৱা বাবেই যুৱতীগৰাকীয়ে পিতৃৰ চিকিৎসা পৰিচৰ্যাৰ দায়িত্ব লৈ বয়সে গৰকাৰ পিছতো আজিলৈকে বিবাহপাশত আবদ্ধ নহ'ল। যুৱতীগৰাকীৰ নাম হৈছে ৰিকুমণি গোহাঁই, ঘৰ ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত ফুকনৰখাত গাঁও পঞ্চায়তৰ অধীনৰ গড়পৰা কোঁৱৰ গাঁৱত। ৰোগাক্ৰান্ত পিতৃ ভৰেন গোহাঁয়ে বিগত বহু বছৰ ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা বাবেই নিজৰ সকলো মাটি-বাৰী বন্ধকত দিয়ো যুৱতীগৰাকীয়ে জীৱন সংগ্ৰামত নিজকে নিয়োজিত কৰি ঘৰখন পৰিচালনা কৰাৰ লগতে পিতৃৰ দৰৱ আৰু সময় মতে চিকিৎসা সামান্যভাৱে যোগান ধৰিবলৈ সদায় চেষ্টা কৰা যুৱতীগৰাকীয়ে কেতিয়াবা আৰ্থিক অভাৱত নিজেই মানসিকভাৱে ভাগি পৰে। ৰিকুমণি হৈছে ঘৰখনৰ একমাত্ৰ উপাৰ্জন কৰা যুৱতী। পুৱাই এখন চাইকেলত কিছু কাপোৰ লৈ ৰহমৰীয়া অঞ্চলৰ একাংশ গাঁৱৰ লগতে চাহ বাগিচাৰ লাইনসমূহত পুৱা ৮ বজাতে নিজ গৃহৰ পৰা গৈ কাপোৰ বিক্ৰী কৰা পৰিলক্ষিত হৈছে। মাতৃয়ে দৈনিক আনৰ ঘৰত দিন হাজিৰা কৰি কোনোমতে কৰ্কট ৰোগত আক্ৰান্ত স্বামীৰ দৰৱ আৰু চিকিৎসা কৰাত কন্যাক সহায় কৰিবলৈ চেষ্টা কৰি আহিছে।

## নগাঁৱত মঞ্চস্থ নাটক 'এক থা টাইগাৰ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** নগাঁৱৰ অগ্ৰণী নাট্য অনুষ্ঠান শিল্প কাননে ১৪ নৱেম্বৰৰ সন্ধ্যা মঞ্চস্থ কৰে যুৱ লেখক- নাট্যকৰ্মী গৌৰাংগ বৰাৰ 'এক থা টাইগাৰ' নামৰ নাটখন। সাম্প্ৰতিক সময়ৰ বহুকেইটা বিষয় সামৰি বিশেষকৈ প্ৰকৃতি ৰক্ষাক কেন্দ্ৰ কৰি শিশু-চেমনীয়াৰ বাবে ৰচনা কৰা নাটখনৰ বিষয়বস্তুৱে সকলোৰে হৃদয় চুই যায়। নাটকৰ সংলাপসমূহে মানৱ সমাজৰ বহুকেইটা বাস্তৱ দিশ উদঙাই দি দৰ্শকক ভাবিবলৈ বাধ্য কৰাইছে প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰ কথা। শিল্প কাননৰ নাট কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে অভিনয় কৰা নাটখনৰ পৰিচালনা আছিল অভিনেতা সোণমণি বেজবৰুৱাৰ। পৰিচালনাৰ ক্ষেত্ৰত পৰিচালনক বেজবৰুৱাই প্ৰশিক্ষাৰ্থীসকলৰ পৰা অভিনয় আদায় কৰিব পাৰিছে। শিশু-চেমনীয়াসকলৰ অভিনয় আছিল জড়তাবিহীন। নাটৰ বিভিন্ন চৰিত্ৰত অভিনয়ত আছিল দেৱাশিস বৰা, জাগৃতি দাস, ভাস্বতী শইকীয়া, কৌস্তৱ কাৰ্তিক শাণ্ডিল্য, কৃষ্ণানংগ বৰা, অয়নাভ বৰা, নেহা ভূএগ, নিতিশা শৰ্মা, পত্ৰিক দাস, কস্তুৰী প্ৰিয়া কলিতা, য়শনীল গোপাল বৰুৱা, চাহিদ খান, ঋত্বিক শৰ্মা, হৃদয় বসুমতাৰী। নাটখনৰ সংগীত আছিল টিকেন্দ্ৰজিৎ বৰুৱাৰ। নগাঁৱৰ অমোলাপট্টীৰ মুকলি আকাশৰ তলত প্ৰয়াত প্ৰতাপ শৰ্মা চৌহদত নাটখন মঞ্চস্থ কৰা হয়।



*ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত উপায়ুক্ত কাৰ্যালয় সভাকক্ষত আলোচনা-চক্ৰ আৰু সংবাদ কৰ্মীক মান পত্ৰ বিতৰণ। ফটো ঃ টিংকুমণি।*

## কৃতী শিক্ষক মহৎ চন্দ্ৰ দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ১৮ নৱেম্বৰ ঃ** জাগীৰোডৰ জাগীভকতগাঁও অঞ্চলৰ এগৰাকী সৰ্বৰহী ব্যক্তি, সমাজ সংগঠক, সাহিত্যৰ সাধক তথা জিলা কৃতী শিক্ষকৰ বঁটাপ্ৰাপক মহৎ চন্দ্ৰ দাসে মঙলবাৰে পুৱা ৫.৩৫ বজাত প্ৰায় ৭০ বছৰ বয়সত নিজ বাসগৃহ শান্তিপুৰত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫৩ চনৰ পহিলা মাৰ্চত ডিমৰুগুৰি গাঁৱত জন্মগ্ৰহণ কৰা দাসে ৩৮ বছৰ শিক্ষকতা কৰি শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। ২০১৩ চনত তেওঁ জিলা কৃতী শিক্ষকৰ বঁটাও লাভ কৰিবলৈ সক্ষম হয়। তেওঁ অসমৰ গ্ৰাম্য পুথিভঁৰাল আন্দোলনৰ অন্যতম গুৰি ধৰোঁতা আছিল। আৰু মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। অসম সাহিত্য সভাৰ একনিষ্ঠ সেৱক তথা আজীৱন সভ্য দাসে জাগীভকতগাঁও শাখা সাহিত্য সভাৰ সুদীৰ্ঘ দিনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তেওঁ ২০১৬ চনত প্ৰাথমিক শব্দকোষ আৰু ২০১৯ চনত 'শত হাঁহি' নামেৰে দুখন গ্ৰন্থ প্ৰণয়ন কৰি সাহিত্য-কৃতি ৰাখি থৈ গৈছে। এইগৰাকী মৃদুভাষী, সৰলমনা, সমাজ সচেতন আৰু হাস্য-মধুৰ ব্যক্তিত্বৰ অধিকাৰী দাসৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত এক শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত পত্নী, পুত্ৰ, জীয়ৰী, বোৱাৰী আৰু নাতিক এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত জাগীভকতগাঁও শাখা সাহিত্য সভাৰ সভাপতি লক্ষেশ্বৰ ডেকা, জাগীভকতগাঁও আঞ্চলিক ছাত্ৰ সন্থা, কলং-কপিলী শাখা কবি সন্মিলনৰ সম্পাদক জয়ন্ত সাগৰ শইকীয়া, ড° ভূপেন হাজৰিকা সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক ৰাজীৱ চহৰীয়া, নখোলা সাহিত্য চ'ৰাৰ সভানেত্ৰী অকণ দেৱীয়ে গভীৰ শোক প্ৰকাশ কৰে, লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## চিলাপথাৰৰ ডালিম পেগুৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৮ নৱেম্বৰ ঃ** চিলাপথাৰ নগৰ নিৱাসী বৰ্ষীয়ান সমাজকৰ্মী ডালিম পেগুৰ (৯৩) বয়সত বিয়োগ ঘটে। বাৰ্ধক্যজনিত কাৰণত আজি বিয়লি প্ৰায় ৩.৪১ বজাত নিজা বাসভৱনতে শেষ নিশ্বাস ত্যাগ কৰে বৰেণ্য সমাজসেৱকজনে। উল্লেখ যে চিলাপথাৰ নগৰৰ ছ'চাইটী নিৱাসী লোকজনে অঞ্চলটোৰ চিলাপথাৰ ৰেচিডেন্সিয়েল হায়াৰ ছেকেণ্ডাৰী স্কুল, ৰেচিডেন্সিয়েল ইংলিছ হায়াৰ ছেকেণ্ডাৰী স্কুল, নগৰ প্ৰাথমিক বিদ্যালয়, চিলাপথাৰ কলেজ আদি বহু শিক্ষানুষ্ঠানৰ লগতেবহু ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাত গুৰু দায়িত্ব পালন কৰি গৈছে। চিলাপথাৰ আলি আয়ে লৃগাং উদ্‌যাপন সমিতিৰো প্ৰতিষ্ঠাপক কৰ্মী হিচাপে কাৰ্যনিৰ্বাহ কৰি গ'ল। অঞ্চলটোৰ যিকোনো লোকৰ আপদ-বিপদৰ বেলিকা সদায় সহায়ৰ হাত আগবঢ়াই ছিল এইজন বয়স্ক লোকে। ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতিত ভাগ লৈ ৰাইজক সহযোগ আগবঢ়াই থৈ গৈছে। বিদায় বেলাত তেওঁ ৬ পুত্ৰ, ৪ কন্যা আৰু বহু নিকট আত্মীয়ক ইহলোকত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত আঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত বিভিন্ন সংগঠন আৰু অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ মুক্তি কামনা কৰিছে।

# অসম গ্ৰন্থমেলা নলবাৰীত উপগ্ৰহ চলচ্চিত্ৰৰ ৫০ বছৰ উপলক্ষে ৰোমন্থন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ নৱেম্বৰ ঃ** নলবাৰীৰ শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাংগণত নলবাৰী ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত আয়োজিত অসম গ্ৰন্থমেলা, নলবাৰীত আজি উপগ্ৰহ চলচ্চিত্ৰৰ ৫০ বছৰ উপলক্ষে বিশেষ ৰোমন্থন অনুষ্ঠিত হয়। যশস্বী লেখক, চলচ্চিত্ৰ সমালোচক উৎপল দত্তই সঞ্চালনা কৰা এই অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট অভিনেত্ৰী পূৰ্ণিমা পাঠক শইকীয়া, মীৰা শৰ্মা, প্ৰণৱমল্ল বৰুৱা আৰু ফজল আলী। নলবাৰীত চলচ্চিত্ৰ নিৰ্মাণ আৰু দৃশ্যগ্ৰহণৰ স্মৃতি সুঁৱৰি প্ৰণৱমল্ল বৰুৱাই তেওঁৰ ঘৰৰ প্ৰথম মহলাত হোৱা দৃশ্যগ্ৰহণৰ বিষয়ে উনুকিয়ায়। অভিনেত্ৰী মীৰা শৰ্মাই নিজৰ শিল্পী জীৱনৰ অভিজ্ঞতা সুঁৱৰি কয় যে ঘৰৰ কাম কৰিও তেওঁ আখৰা কৰিবলৈ আহিছিল আৰু তেনেদৰেই জীৱনত প্ৰায় পঞ্চাশখন নাটকত অভিনয় কৰিছিল। জীৱনৰ প্ৰথম চলচ্চিত্ৰৰ দৃশ্যগ্ৰহণৰ বাবে শ্বিলঙলৈ যোৱা মীৰা শৰ্মাই কয় যে জীৱনত এখন মাত্ৰ চলচ্চিত্ৰত কাম কৰি তেওঁ আচৰিত ধৰণে পৰিচয় লাভ কৰিছে। একালত ডিঙিত জীৱন্ত সাপ লৈ মনসাৰ চৰিত্ৰত বেউলা নাটকত কৰা অভিনয়ৰ সংলাপ মাতি মীৰা শৰ্মাই পুৰণি দিনৰ স্মৃতি সোঁৱৰণ কৰে। অভিনেতা ফজল আলীয়ে 'উপগ্ৰহ' চিনেমাৰ যোগেদি জীৱনত লাভ কৰা চলচ্চিত্ৰ অভিনয়ৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে। বিশিষ্ট অভিনেত্ৰী পূৰ্ণিমা পাঠক শইকীয়াই এই অনুষ্ঠানত উপগ্ৰহ চিনেমাখনে তেওঁৰ অভিনয় জীৱনক কেনেদৰে প্ৰভাৱান্বিত কৰিছিল সেই সম্পৰ্কে জানিবলৈ দিয়ে। এই চলচ্চিত্ৰখনৰ যোগেদি তেওঁৰ অভিনয় জীৱনলৈ অহা পৰিৱৰ্তনৰ কথাও উনুকিয়ায়। অসমীয়া চলচ্চিত্ৰৰ বিকাশত উপগ্ৰহ চলচ্চিত্ৰৰ ভূমিকাৰ বিষয়ে চৰ্চা হোৱা এই অনুষ্ঠানত শৈলেন্দ্ৰ কুমাৰ চৌধুৰীও উপস্থিত থাকে।

তৃতীয় পৃষ্ঠাৰ পৰা—

## লাচিত বৰফুকনৰ ৪০০

বাইহাটা চাৰিআলিৰ 'সূৰ্যোদয় নাট্য গোষ্ঠীয়ে'। উক্ত সভাত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পূব কামৰূপ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক নৃপেন্দ্ৰ ডেকা, পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰ, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত নৱসিং বেই বীৰ লাচিতৰ শৌৰ্য-বীৰ্য, দেশপ্ৰেম সামৰি বক্তব্য প্ৰদান কৰে। আজিৰ এই মাৰ্চ পাষ্ট অনুষ্ঠানত কামৰূপ জিলা আৰক্ষী, সেনাবাহিনী, কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, এছ এছ বি আৰু এন চি চি কেডাসকলে অংশগ্ৰহণ কৰে। বীৰ লাচিত বৰফুকনৰ জন্ম-জয়ন্তীৰ শুভাৰম্ভণি উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ইতিহাস অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বীৰ লাচিত বৰফুকনৰ বীৰত্ব, দেশপ্ৰেমৰ বিষয়ে যাতে সমগ্ৰ দেশ তথা বিশ্বই পৰিচিত হয় তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সুদৃঢ় পদক্ষেপ সামৰি বক্তব্য প্ৰদান কৰে। বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তী নতুন দিল্লীত অনুষ্ঠিত কৰা, এই উপলক্ষে ছাত্ৰ-ছাত্ৰী তথা বিভিন্ন স্তৰৰ জনসাধাৰণক সামৰি ৰচনা প্ৰতিযোগিতাৰ আয়োজন, বীৰ লাচিত বৰফুকনৰ বিষয়ে তথ্যচিত্ৰ ইত্যাদি প্ৰকাশৰ উদ্যোগ লোৱা হৈছে বুলিও তেওঁ অৱগত কৰে। তদুপৰি যোৰহাটৰ বীৰ লাচিতৰ মৈদামখন বিশ্ব পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ২৯০ কোটি টকা ব্যয় পৰিকল্পনা, এম পি থিয়েটাৰ, লাইট এণ্ড ছাউণ্ড প্ৰ'গ্ৰাম, আলাপৰ স্মৃতি ক্ষেত্ৰ নিৰ্মাণৰ পদক্ষেপেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এইগৰাকী মহান বীৰক বিশ্ব দৰবাৰত সজোৰে প্ৰতিষ্ঠা কৰাৰ উদ্যোগ লৈছে বুলিও তেওঁ কয়। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই সভাত উপায়ুক্ত কীৰ্তি জল্লী, জিলা উন্নয়ন আয়ুক্ত নৱসিং বে, পূব কামৰূপ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক নৃপেন্দ্ৰ ডেকা, কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰেও লাচিত বৰফুকনৰ বীৰত্ব তথা দেশপ্ৰেমৰ বিভিন্ন বিষয় সামৰি বক্তব্য প্ৰদান কৰে।

**তেজপুৰৰ ঐতিহাসিক হজৰাপাৰ এতিয়া ৰূপান্তৰিত হৈছে শৰাইঘাটলৈ ঃ শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত তেজপুৰৰ 'অসম বেপাৰেটৰী' ২৫ সংখ্যক নাট্য নিবেদন 'লাচিত-বুৰঞ্জী লিখা তৰোৱাল'ৰ শব্দ-পোহৰৰ মায়াজালত মুক্তাংগণত ঘোঁৰাত উঠি লাচিত মিষ্টাৰ ইণ্ডিয়া বিজিত গগৈ, হাতীত উঠি প্ৰতাপ সিংহৰ চৰিত্ৰত বিধায়ক পদ্ম হাজৰিকা, চক্ৰধ্বজ সিংহৰ ৰূপত কলাগুৰুৰ পুত্ৰ পৃথ্বিৰাজ ৰাভা, আতন বুঢ়াগোহাঁইৰ চৰিত্ৰত জনপ্ৰিয় অভিনেতা প্ৰাঞ্জল শইকীয়া ঃ আজি আৰু কাইলৈ তেজপুৰৰ ঐতিহাসিক হজৰাপাৰত প্ৰদৰ্শিত হ'ব 'লাচিত-বুৰঞ্জী লিখা তৰোৱাল'**

**দৈনন্দিন বাৰ্তাৰ সেৰা, তেজপুৰ ঃ** নিশাটোৰ ভিতৰতে গড় সাজি দুৰ্জেয় মোগলবাহিনীক পৰাভূত কৰাৰ দৰেই ভাৰতীয় বীৰত্বৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী উপলক্ষে তেজপুৰৰ ঐতিহাসিক হজৰাপুখুৰীৰ পাৰত দিনে নিশাই দুই শতাধিক কুশীলৱ এতিয়া ব্যস্ত বুৰঞ্জীখ্যাত শৰাইঘাট যুদ্ধৰ ৰূপ দিয়াৰ প্ৰয়াসত। কিয়নো বৃহত্তৰ অসমীয়া জাতিৰ গৌৰৱ মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি ১৯ আৰু ২০ নৱেম্বৰৰ সন্ধিয়া ৬-১৫ বজাত হজৰাপাৰ খেলপথাৰ মুক্তাঙ্গনত শব্দ-পোহৰৰ মায়াজালত নাটকীয় ৰূপত ৰোমন্থন কৰা হ'ব বীৰ লাচিতৰ পৰাক্ৰমৰ গাঁথা। জীৱন্ত ঘোঁৰা, হাতী আৰু পুখুৰীত বহু সংখ্যক নাৱেৰে বিগত কেইবাদিন ধৰি অব্যাহত আছে কুশীলৱসকলৰ আখৰা। যাকৈলৈ এতিয়া নিতৌ সন্ধিয়া তেজপুৰৰ বহু শতাধিক লোক আগ্ৰহসহকাৰে উপস্থিত হৈছে। এই উৎসৱমুখৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে শিল্পী, কলা-কুশলীসকলৰ উৎসাহিত কৰা পৰিকল্পিত হৈছে। অসমীয়া জাতিৰ শৌৰ্য - বীৰ্যৰ প্ৰতীক, অসম আৰু অসমীয়াৰ স্বাভিমান বীৰ লাচিত বৰফুকনৰ বীৰ গাঁথা শব্দ আৰু পোহৰৰ মায়াজালেৰে ৰাজ্যখনৰ প্ৰথিতযশা অভিনয় শিল্পীসহ আঢ়ৈশ শিল্পীয়ে মঞ্চৰ বিপৰীতে তেজপুৰৰ হজৰাপাৰ পুখুৰীৰ পাৰত বিশেষ শৈলীৰে মুক্তাংগণত শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত এক ইতিহাস সৃষ্টি কৰাৰ দিশে আগবাঢ়িছে তেজপুৰৰ নাট্যানুষ্ঠান 'অসম বেপাৰেটৰী'। উল্লেখ্য যে, অসম বেপাৰেটৰীৰ ২৫ সংখ্যক নাট্য নিবেদন তথা 'লাচিত - বুৰঞ্জী লিখাৰ তৰোৱাল' নামৰ নয়ন জ্যোতি ভট্টাচাৰ্যৰ উপন্যাসখনৰ কাহিনীৰ নাটকৰ পৰিচালনা কৰি পুলক কুমাৰ ডেকাৰ 'লাচিত - বুৰঞ্জী লিখাৰ তৰোৱাল' নামৰ বহল চৰিত্ৰ নাটকখন ৰূপায়ণৰ বাবে সম্প্ৰতি শালস্তম্ভ বংশৰ ৰজা হজৰবৰ্মই নিৰ্মাণ কৰা হজৰাপুখুৰীৰ পৰীক্ষামূলকভাৱে মুকলিত প্ৰদৰ্শিত হ'বলগীয়া নাটকখনৰ বাবে সাজু কৰা হৈছে এটা হাতী, পাঁচটাকৈ ঘোঁৰা আৰু ছয়খন নাও। তদুপৰি সাজুকৰা হৈছে সেই সময়ত ব্যৱহাৰ হোৱা বৰটোপেৰে ধৰি বিভিন্ন যুদ্ধ সামগ্ৰী। প্ৰকাশযে, লাচিতৰ চৰিত্ৰত মিষ্টাৰ ইণ্ডিয়া বিজিত গগৈ, আতন বৰগোহাঁইৰ চৰিত্ৰত ৰাজ্যখনৰ এগৰাকী বলিষ্ঠ অভিনেতা প্ৰাঞ্জল শইকীয়া, স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ চৰিত্ৰত বিধায়কপৃথ্বিৰাজ ৰাভা, স্বৰ্গদেউ প্ৰতাপ সিংহৰ চৰিত্ৰত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা, পাখৰী কুঁৱৰীৰ চৰিত্ৰত বিশিষ্ট অভিনেত্ৰী ডাঃ জাহানাৰা বেগম, জয়ধ্বজ সিংহৰ চৰিত্ৰত অভিনেতা ভূপেন শৰ্মা, মিৰজুমলাৰ চৰিত্ৰত প্ৰশান্ত কুমাৰ বৰাই মুখ্য চৰিত্ৰত অভিনয়ৰ কৰাৰ সমান্তৰালভাৱে অৰুণী বৰা, ৰাজীৱ শৰ্মা, অশ্বিনী বৰা, প্ৰহ্লাদ তালুকদাৰ, জীতেন কুমাৰ দাস, পুতুল বৰুৱা, সঞ্জীৱ বৰঠাকুৰ, শান্তনু শইকীয়া, নমিতা মহন্ত, মধুস্মিতা হাজৰিকা ডেকা, ৰণজিৎ বৰা, গৌতম শৰ্মা, জিতু কলিতা, অৰুণ মহন্ত, বিপুল কুমাৰ নাথ, মিণ্টু নয়ন দাস, নৱ কিশোৰ শইকীয়া, নৱজিৎ শৰ্মা, বিষ্ণু দাস, জানকীৰ বড়ো, হীৰক কলিতা, অপূৰ্ব বৰা, প্ৰশান্ত দাস, জান তালুকদাৰ, বিশ্বশ্ৰী ভট্টাচাৰ্য, হিমাশ্ৰী বৰা, ভিলাবচিয়া বৰা, কৃষাণু, আদিত্য, পাপু, প্ৰিয়াংশু মনজিৎ, পৰন, দেবাশীষ, দেৱ, কনি, লিজা, দিশা আদিয়ে বিভিন্ন চৰিত্ৰত অভিনয় কৰিব। সেইদৰে চৌৱাই সিংগে শিশু লাচিতৰ চৰিত্ৰত অভিনয় কৰাৰ লগতে মোহমায়ী অভিনেত্ৰী আঙুৰলতা ডেকা আৰু শোণিতপুৰৰ উপায়ুক্ত দেব কুমাৰ মিশ্ৰই বিশেষ চৰিত্ৰত অভিনয় কৰিব। লক্ষণীয় যে, তেজপুৰৰ ঐতিহাসিকস্থলীত ৰূপায়ন কৰিব লগীয়া এই 'লাচিত-বুৰঞ্জী লিখা তৰোৱাল' শীৰ্ষক নাটখনিত বীৰ লাচিতৰ অশ্বাৰোহন আৰু নৱিয়া দেহেৰে নাৱত উঠি কৰা শৰাইঘাটৰ যুদ্ধৰ স্মৃতি ৰোমন্থনো হজৰাপুখুৰীত কৰা হ'ব। হৰিহৰৰ যুদ্ধৰ স্থলীত মোগল আৰু আহোমৰ যুদ্ধৰ স্মৃতি ৰোমন্থনৰ বাবে আয়োজিত এই নাটখনত হাতীত উঠি স্বৰ্গদেউ প্ৰতাপ সিংহৰ চৰিত্ৰত বিধায়ক তথা অভিনয় শিল্পী পদ্ম হাজৰিকাই ৰূপায়ন কৰিব। ঘোঁৰা-হাতীৰ চিঞৰ, বৰটোপৰ ধ্বনি, অস্ত্ৰশস্ত্ৰৰ ঝনঝনণি আৰু ৰণ শিঙাৰ মাজেৰে পোহৰৰ মায়াজালত দৰ্শকমণ্ডলীক সম্মোহিত কৰি ৰাখিবলৈ উদ্যোক্তাসকলে শব্দ আৰু পোহৰৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে বিগত দিনকেইটাত তেজপুৰ চহৰৰ বিভিন্ন শিক্ষানুষ্ঠানত এই উপলক্ষে 'জাতিৰ বাবে ৩০ মিনিট' শীৰ্ষক অনুষ্ঠান আয়োজনেৰে ছাত্ৰ-ছাত্ৰীসকলক বীৰ লাচিতৰ পৰাক্ৰমৰ গাঁথা সন্দৰ্ভত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখি জাতিৰ স্বাভিমান সন্দৰ্ভত অৱগত কৰাবলৈ প্ৰয়াস কৰিছিল। যাৰ বাবে উঠি অহা প্ৰজন্মৰ লগতে তেজপুৰ তথা শোণিতপুৰীয়া কলামোদী ৰাইজ অতি ঔৎসুকতাৰে অপেক্ষা কৰাৰ অন্তত কালি সন্ধিয়া ৬-১৫ বজাত হজৰাপাৰ খেলপথাৰত অসম বুৰঞ্জীৰ কেতবোৰ ঐতিহাসিক মুহূৰ্তৰ লগতে বীৰ লাচিতৰ পৰাক্ৰম আৰু শৰাইঘাটৰ যুদ্ধৰ নাটকীয় ৰূপ স্বচক্ষুৰে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হ'ব। উল্লেখ্য যে, কাইলৈ মুক্তাঙ্গনত আয়োজিত এই নাটকখন পৰহি অৰ্থাৎ ২০ নৱেম্বৰতো দৰ্শকসকলে উপভোগ কৰিব পাৰিব।

**হামৰেণত ৪০০ সংখ্যক লাচিত বৰফুকনৰ জন্মজয়ন্তী উপলক্ষে মাৰ্চপাষ্ট কাৰ্যসূচী**

**দৈনন্দিন বাৰ্তাৰ সেৰা, বৈঠালাংছু ঃ** সমগ্ৰ দেশৰ লগতে পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ জিলাসদৰ হামৰেণতো আজি মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক লাচিত দিৱসৰ প্ৰথম কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠান লগত সংগতি ৰাখি সমগ্ৰ হামৰেণ নগৰৰ প্ৰায় তিনি কিলোমিটাৰ পথ আৰক্ষী জোৱান, অৰ্ধ-সামৰিকবাহিনী, বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে এটি মাৰ্চপাষ্ট কাৰ্যসূচিত অংশগ্ৰহণ কৰে। জিলা উপায়ুক্ত কৃষ্ণা বৰুৱাই শুভাৰম্ভণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে জিলাখনত লাচিত বৰফুকনৰ ত্যাগ আৰু দেশমাতৃৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সেৱাৰ সজাগতা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে বক্তাসকলে। অনুষ্ঠানত আৰক্ষী অধীক্ষক ইমদাদ আলিয়ে মাৰ্চপাষ্ট কাৰ্যসূচীটি পৰিচালনা কৰাৰ লগতে অসমভূমিক মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰা এইগৰাকী মহান বীৰযোদ্ধাৰ স্মৃতি সুঁৱৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি সাৱলীল ভাষণ প্ৰদান কৰে।

## মিনি বলীউডলৈ পৰ্যবসিত

হৃত্বিক ৰোচন, অনিল কাপুৰ, আৰু দীপিকা পাড়ুকন। তেজপুৰস্থিত বায়ু সেনাৰ শিবিৰত চলিছে দৃশ্যগ্ৰহণ। হৃত্বিক ৰোচন উপস্থিত হৈছে কেন্দ্ৰীয় বিদ্যালয়ত। ৰাজপথত ফুৰিছে। কিছুদিন পূৰ্বে বলীউডৰ 'ড্ৰীম গাৰ্ল'খ্যাত হেমা মালিনী আৰু কৌতুক অভিনেতা আচৰানীয়ে উপভোগ কৰি গ'ল নলবাৰীৰ ৰাস মহোৎসৱ। কাৰ্বি আংলঙতো উপস্থিত হৈছে বলীউডৰ 'বেডবয়'খ্যাত শক্তি কাপুৰ। শক্তি কাপুৰৰ ঘোষণা— মুম্বাইলৈ গৈ ছবি উদ্যোগটোৰ কৰ্মকৰ্তাক ক'ব অসমত শুটিং কৰিবলৈ। কিয়নো অসমৰ সৌন্দৰ্য মনোমোহা। অভিনেতাগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক হৃদয়বান আখ্যা দিয়াৰ লগতে কৌতুক কৰি দৰ্শকক আনন্দিত কৰি তোলে। মুঠতে অসম মিনি বলীউড হৈ পৰিছে। ৰাসৰ আনন্দত যেন চৰিছে দুগুণ আনন্দ।

## সন্ত্ৰাসবাদৰ ভাবুকি কোনো

সন্ত্ৰাসবাদ নিঃসন্দেহে বিশ্বৰ শান্তি আৰু নিৰাপত্তাৰ বাবে আটাইতকৈ গুৰুতৰ ভাবুকি । সন্ত্ৰাসবাদৰ বাবে বিত্তৰ যোগান 'অধিক বিপজ্জনক'। সন্ত্ৰাসবাদীসকলে নিৰন্তৰ হিংসা সংঘটিত কৰা, যুৱক-যুৱতীসকলক মৌলবাদী আদৰ্শৰে পৰিচালনা কৰা আৰু বিত্তীয় যোগান বৃদ্ধি কৰাৰ নতুন উপায় বিচাৰি আছে। ডাৰ্কনেটতো সন্ত্ৰাসবাদীসকলে মৌলবাদী বিষবাষ্প বিয়পাবলৈ চেষ্টা কৰি আছে বুলি শ্বাহে মন্তব্য কৰে। তেওঁ কয়, 'ক্ৰিপ্টোকাৰেন্সীৰ দৰে ভাৰ্চুৱেল সম্পদৰ ব্যৱহাৰ বৃদ্ধি পাইছে। এই ডাৰ্কনেট কাৰ্যকলাপৰ আৰ্হিবোৰ বুজি লোৱাটো প্ৰয়োজনীয় কথা হৈ পৰিছে আৰু সেইবোৰৰ সমাধান বিচাৰি উলিওৱাৰ সময়ো আহি পৰিছে।' শ্বাহে কয়— 'মই বিশ্বাস কৰোঁ যে সন্ত্ৰাসবাদীক বিত্তীয় যোগান সন্ত্ৰাসবাদতকৈ অধিক বিপজ্জনক। কিয়নো সন্ত্ৰাসবাদ এনে ধৰণৰ পুঁজিৰ দ্বাৰা প্ৰতিপালিত হয়। সন্ত্ৰাসবাদীক বিত্তীয় যোগানৰ ফলত দেশসমূহৰ অৰ্থনীতি দুৰ্বল হৈ পৰে'। তেওঁ লগতে কয় যে আমি এইটোও স্বীকাৰ কৰোঁ যে সন্ত্ৰাসবাদৰ ভাবুকি কোনো ধৰ্ম, ৰাষ্ট্ৰীয়তা বা গোটৰ সৈতে সম্পৰ্কিত হ'ব নোৱাৰে আৰু তেনে কৰিবও নালাগে। ভাৰতে এই বিপদৰ বিৰুদ্ধে যুঁজিবলৈ নিৰাপত্তা শৈলীৰ লগতে আইনী আৰু বিত্তীয় ব্যৱস্থাক সুৰক্ষিত কৰি তুলিছে। তেওঁ কয়— 'এয়া আমাৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফল। ভাৰতত সন্ত্ৰাসবাদী ঘটনাবোৰ যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ ফলত সন্ত্ৰাসবাদৰ ফলত হোৱা অৰ্থনৈতিক লোকচানো যথেষ্ট হ্ৰাস পাইছে'। পাকিস্তান আৰু চীনৰ প্ৰচ্ছন্ন আক্ৰমণ সন্দৰ্ভত গৃহমন্ত্ৰীয়ে কয় যে এনে কিছুমান দেশ আছে যিয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ আমি যি সামূহিক সংকল্প লৈছো তাক দুৰ্বল কৰিব বা বাধা দিব বিচাৰে। 'আমি দেখিছো যে কিছুমান দেশে সন্ত্ৰাসবাদীসকলক সুৰক্ষা আৰু আশ্ৰয় দিয়ে। এজন সন্ত্ৰাসবাদীক সুৰক্ষা দিয়াটো সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়াৰ সমান। এইটো আমাৰ সামূহিক দায়িত্ব হ'ব যে এনে উপাদানবোৰে যাতে কেতিয়াও তেওঁলোকৰ উদ্দেশ্যত সফল হ'ব নোৱাৰে সেয়া নিশ্চিত কৰা' —তেওঁ কয়। আফগানিস্তানৰ শাসন পৰিৱৰ্তনৰ কথা উল্লেখ কৰি গৃহমন্ত্ৰীয়ে কয় যে ২০২১ চনৰ আগষ্ট মাহৰ পিছত দক্ষিণ এছিয়া অঞ্চলৰ পৰিস্থিতি সলনি হৈছে আৰু আল-কায়দা আৰু আইএছআইএছৰ বৰ্ধিত প্ৰভাৱ আঞ্চলিক নিৰাপত্তাৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে চিহ্নিত হৈছে।' উল্লেখ্য, সন্ত্ৰাসবাদ সম্পৰ্কীয় বৈঠকখন নতুন দিল্লীৰ হোটেল তাজ পেলেচত অনুষ্ঠিত হৈছে। দুদিনীয়া বৈঠকত ৭০খনতকৈও অধিক দেশৰ ৪৫০জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

## ডিব্ৰুগড়ত ৯ মাওবাদীৰ

ৰক্ষা কৰি আহিছিল এই ৯জন কেডাৰে। অৱশ্যে আত্মসমৰ্পণৰ সময়ত কোনো মাৰণাস্ত্ৰ জমা দিয়া নাই। আৰক্ষীৰে বৰ্তমানো অব্যাহত ৰাখিছে সোধ-পোছা। আত্মসমৰ্পণ কৰাকেইজন ক্ৰমে ডিব্ৰুগড়ৰ নাহৰকটীয়াৰ অজয় চৱৰ, যোৰহাটৰ টীয়কৰ ভৰত তাঁতী, ডিব্ৰুগড়ৰ ৰাজগড়ৰ অমৃত মূড়া, ডিব্ৰুগড়ৰ নামৰূপৰ অনিল সিং, ডিব্ৰুগড় টিংখাঙৰ মোহন মূড়া, ডিব্ৰুগড় ৰাজগড়ৰ অজিত ওৰাং, ডিব্ৰুগড় নাহৰকটীয়া চাচনিৰ দ্বিপেন মান্‌কি, যোৰহাট মৰিয়নিৰ বিপুল তাঁতী, ডিব্ৰুগড় টিংখাঙৰ মিণ্টু ভূমিজ।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত

পিছতেই নিশা মফিজুদ্দিন আহমেদ হাজৰিকা ছাত্ৰ নিৱাসৰ ভিতৰতে একাংশ উদণ্ড ছাত্ৰৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। মাৰপিটত লিপ্ত হোৱা একাংশ উদণ্ড ছাত্ৰৰ কাজিয়া এৰাবলৈ আহে বিশ্ববিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীৰ দল। কিন্তু উদণ্ড ছাত্ৰ জঁপিয়াই পৰে বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰক্ষী দলৰ ওপৰত। আক্ৰমণৰ লক্ষ্য কৰি লয় বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰক্ষী বিষয়া পৱন তালুকদাৰ আৰু বিজয় থাপাক। ফলত ছাত্ৰৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দুয়োজন। দুয়োজনকে এম্বুলেন্সেৰে চিকিৎসাৰ বাবে লৈ যোৱা হয়। ইফালে এই ঘটনাৰ দোষী ছাত্ৰৰ ওপৰত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভিত বিশ্ববিদ্যালয়ৰ কাষৰে বৰপথাৰ অঞ্চলৰ লোক। আঘাতপ্ৰাপ্ত দুয়োজন বৰপথাৰৰ স্থানীয় লোক। ১৭ নৱেম্বৰত এই ঘটনাৰ উচিত তদন্ত আৰু দোষীক শাস্তিৰ দাবীৰে বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰ জ্যোতি বাটচ'ৰা আবদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল একাংশ স্থানীয় লোকে। প্ৰতিবাদৰ পিছত তেওঁলোকে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক এখন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে এই ঘটনাৰ দোষীক শাস্তি প্ৰদানৰ বাবে। ইফালে কালি এই ঘটনাৰ প্ৰতিবাদত বিশ্ববিদ্যালয়ৰ সমূহ কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ পিছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ কৰ্তৃপক্ষ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ২০২২ চনৰ ১৭ নৱেম্বৰত (বৃহস্পতিবাৰ) অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুশাসনমূলক কাৰ্য সমিতিৰ পৰামৰ্শ অনুসৰি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ আচৰণ আৰু অনুশাসন নিয়মৰ ১৩ (xii) দফা বিবেচনা কৰি এই বিশ্ববিদ্যালয়ৰ তলত উল্লেখ কৰা ছাত্ৰ-ছাত্ৰী আৰু বৰ্ডাৰসকলক ইয়াৰ জৰিয়তে আগবঢ়োৱা হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ আচৰণ আৰু অনুশাসনৰ দফা (৫)ৰ অৰ্থৰ ভিতৰত গুৰুতৰ অসৎ আচৰণ আৰু অনুশাসনহীন কাৰ্য সংঘটিত হোৱা বুলি ধৰা পৰাৰ বাবে অধিক অধ্যয়নৰ পৰা অযোগ্য ঘোষণা আৰু তাৎক্ষণিকভাৱে বিশ্ববিদ্যালয়ত অধিক নামভৰ্তি বা পুনৰ নামভৰ্তিৰ পৰা নিষিদ্ধ কৰা হয়। নিয়মসমূহ একে কথাকে বিবেচনা কৰিলে তেওঁলোক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ হোৱাটো লগে লগে বন্ধ হৈ যাব। ১) ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ লব্ধ প্ৰতিম দাস। ২) হেমাংগ ভূএঞা, প্ৰথম ছেমিষ্টাৰৰ ছাত্ৰ (মাষ্টাৰ অৱ বিজনেছ এডমিনিষ্ট্ৰেচন)। চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজ, ডি ইউ, ৩) অংকুৰ হাতীবৰুৱা, প্ৰথম ছেমিষ্টাৰৰ ছাত্ৰ, চেণ্টাৰ ফৰ টি এণ্ড এগ্ৰো ষ্টাডিজ, ডি ইউ। তদুপৰি, ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত ওপৰত উল্লেখ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰৱেশ আৰু চলাচল কঠোৰভাৱে নিষিদ্ধ আৰু একেটা উলংঘা কৰিলে আইন অনুসৰি কঠোৰভাৱে মোকাবিলা কৰা হ'ব বুলি জাননী জাৰি কৰিছে। আনহাতে, ১৭ নৱেম্বৰ বৃহস্পতিবাৰে অনুশাসনমূলক কাৰ্য সমিতিৰ বৈঠকত দিয়া পৰামৰ্শ অনুসৰি ইয়াৰ দ্বাৰা অৱগত কৰা হৈছে যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ডেভিদ হাজৰিকা আৰু ৰুবুল বৰাক প্ৰৱেশ আৰু চলাচল, বিশ্ববিদ্যালয় চৌহদত কঠোৰভাৱে নিষিদ্ধ কৰা হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ আচৰণ আৰু অনুশাসন নিয়মৰ দফা (৫)ৰ নীতি অনুসৰি।

## ভূৰাগাঁৱৰ গেৰুৱাত ন

ৰিয়াক। ৰিয়াৰ দুমাহৰ পিছৰ পৰাই মাদক দ্ৰব্য সেৱন কৰি বিকিয়ে ৰিয়াৰ ওপৰত চলাইছিল ধাৰাবাহিক নিৰ্যাতন। যোৱানিশাও ৰিয়া বিকিৰ ভয়ত পলাই থাকিব লগা হয়। আজি পুৱাৰ ভাগতে ৰিয়াই চিপ লৈ আত্মহত্যা কৰে ঘৰত।

## 'সন্ত্ৰাসবাদীক সমৰ্থন জনাই

আমি প্ৰতিহত কৰিব লাগিব। দেশৰ ৰাজধানী চহৰ দিল্লীত অনুষ্ঠিত সন্ত্ৰাসবাদবিৰোধী সন্মিলনত ভাষণ দি মোদীয়ে এনেদৰে কয়। সন্মিলনৰ উদ্বোধনী ভাষণ প্ৰদান কৰাৰ সময়ত মোদীয়ে কয় যে দেশখনে সাহসেৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আছে। মোদীয়ে কয়— 'এই সন্মিলনখন ভাৰতত অনুষ্ঠিত হোৱাটো গুৰুত্বপূৰ্ণ কথা। বিশ্বই সন্ত্ৰাসবাদক গুৰুত্বসহকাৰে লোৱাৰ বহু আগতে আমাৰ দেশখনে সন্ত্ৰাসৰ ভয়াৱহতাৰ সন্মুখীন হৈছে। কেইবা দশক ধৰি বিভিন্ন ৰূপত সন্ত্ৰাসবাদীয়ে ভাৰতক আঘাত কৰিবলৈ চেষ্টা কৰি আহিছে, কিন্তু আমি সাহসেৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিছো'। প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদক উৎখাত কৰিবলৈ আহ্বান জনাই কয় যে 'এইক্ষেত্ৰত এক বৃহত্তৰ, সক্ৰিয়, প্ৰণালীবদ্ধ সঁহাৰিৰ প্ৰয়োজন। যদি আমি আমাৰ নাগৰিকসকল সুৰক্ষিত হোৱাটো বিচাৰো, আমি আমাৰ ঘৰলৈ সন্ত্ৰাসবাদী অহালৈ অপেক্ষা কৰিব নোৱাৰো। আমি সন্ত্ৰাসবাদীসকলক অনুসৰণ কৰিব লাগিব, তেওঁলোকৰ সমৰ্থন কৰা নেটৱৰ্ক ভাঙিব লাগিব আৰু তেওঁলোকৰ বিত্তীয় যোগানত আঘাত কৰিব লাগিব।' প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়— 'এয়া সকলোৱে জানে যে সন্ত্ৰাসবাদী সংগঠনবোৰে কেইবাটাও উৎসৰ জৰিয়তে ধন লাভ কৰে- এটা হৈছে কোনো দেশৰ সমৰ্থন। কিছুমান দেশে তেওঁলোকৰ বৈদেশিক নীতিৰ অংশ হিচাপে সন্ত্ৰাসবাদক সমৰ্থন কৰে। তেওঁলোকে সন্ত্ৰাসবাদীক ৰাজনৈতিক, আদৰ্শগত আৰু বিত্তীয় সমৰ্থন আগবঢ়ায়...'। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে 'যিসকল লোকে সন্ত্ৰাসবাদক সমৰ্থন কৰে তেওঁলোকৰ কোনো দেশত স্থান থাকিব নালাগে'। প্ৰধানমন্ত্ৰীয়ে 'সন্ত্ৰাসবাদীৰ বিত্তীয় যোগানৰ মূল উৎস'ত আঘাত কৰাৰো আহ্বান জনায়। তেওঁ কয় যে সন্ত্ৰাসবাদক মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ ওপৰত আক্ৰমণ বুলি গণ্য কৰিব লাগে। আজিৰ পৃথিৱীত সন্ত্ৰাসবাদৰ বিপদৰ বিষয়ে সোঁৱৰাই দিয়াৰ কোনো প্ৰয়োজন নাই বুলি উল্লেখ কৰি মোদীয়ে কয় যে সকলো সন্ত্ৰাসবাদী আক্ৰমণেই সমানে গৰিহণাৰযোগ্য। কেতিয়াবা, সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাটো বন্ধ কৰিবলৈ সন্ত্ৰাসবাদৰ সমৰ্থনত পৰোক্ষ যুক্তি দিয়া হয়। এয়া মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ ওপৰত আক্ৰমণ। তেনে কৰিব নাপায় বুলিও মোদীয়ে স্পষ্ট কৰি দিয়ে। উল্লেখ্য, প্ৰধানমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত সন্মিলনখন উদ্বোধন কৰে। বৈঠকখন নতুন দিল্লীৰ হোটেল তাজ পেলেচত অনুষ্ঠিত হৈছে। দুদিনীয়া বৈঠকত ৭০খনতকৈও অধিক দেশৰ ৪৫০জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। এই সন্মিলনৰ মূল বিষয়েই হৈছে সন্ত্ৰাসবাদীলৈ ধনৰ যোগান ব্যাহত কৰা।

# তদন্তকাৰী দল অহাৰ আগতেই নদীৰ পৰা নাইকিয়া হ'ল বালি মেচিন, জেচিবি

**বৰপথাৰত বালিৰ চোৰাং বেহাৰ বিৰুদ্ধে অভিযান ঃ বিধায়ক বিশ্বজিৎ ফুকনৰ পত্ৰৰ পিছতেই তৎপৰ বন বিভাগ**

**দৈনন্দিন বাৰ্তাৰ সেৰা, বৰপথাৰ, ১৮ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ ভিন্ন ঠাইৰ পৰা অবৈধভাৱে বালিৰ চোৰাং সৰবৰাহ চলি থকাৰ বাতৰি সংবাদ মাধ্যমত ধাৰাবাহিকভাৱে প্ৰকাশ হৈ থকাৰ সময়তে বিধায়ক বিশ্বজিৎ ফুকনৰ এখন পত্ৰই এতিয়া তোলপাৰ লগাইছে বন বিভাগৰ ভিতৰ চ'ৰাত। হঠাতে তৎপৰ হৈ পৰা দেখা গৈছে অসম চৰকাৰৰ বন বিভাগক। বিধায়কগৰাকীয়ে অবৈধভাৱে বালি খনন তথা চোৰাং সৰবৰাহ হৈ থকাৰ বিষয়ে মুখ্যমন্ত্ৰীলৈ তদন্ত বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পিছতেই ১৬ নৱেম্বৰৰ পৰা বন বিভাগৰ এটা উচ্চস্তৰীয় তদন্তকাৰী দলে অভিযান আৰম্ভ কৰিছে জিলাখনত। আজি ধনশিৰি মহকুমাৰ বৰপথাৰত তদন্তকাৰী দলটো উপস্থিত হৈ অভিযান চলায়। দলটোৱে পুৱাই বৰপথাৰ খণ্ড বন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পিছতেই টেঙানিৰ বিভিন্ন ঠাইত চলি থকা বালিৰ মহলসমূহ পৰিদৰ্শন কৰে। কিন্তু আচৰিত কথা যে বালি খননৰ বাবে উক্ত ঠাইসমূহত ব্যৱহাৰ কৰা মেচিন, জেচিবি আদি তদন্তকাৰী দলটো গৈ পোৱাৰ আগতেই খননস্থলীৰ পৰা আঁতৰাই দিয়া হয়। আনহাতে, নিতৌ শ শ বালিভৰ্তি ডাম্পাৰ চলা বৰপথাৰৰ ৰাজপথত যোৱা দুটা দিনে এখনো বালিৰ গাড়ী নচলা বিষয়টোৱে এতিয়া আৰু অধিক ৰহস্যৰ সৃষ্টি কৰিছে। তাৎপৰ্যপূৰ্ণ যে বৰপথাৰ খণ্ড বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ধনশিৰি নদীত বহুকেইটা বালিৰ মহল বন বিভাগে অনুমোদন দিছে। অনুমোদনপ্ৰাপ্ত বালিৰ মহলদাৰসকলে বন বিভাগে বান্ধি দিয়া নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰেহে নদীৰ বুকুৰ পৰা বালি উঠাই সৰবৰাহ কৰিব পাৰে। কিন্তু বিভিন্ন পক্ষক মেনেজ কৰি নীতি-নিয়মক বুঢ়া আঙুলি দেখুৱাই দীৰ্ঘদিনে এই বালি মহলসমূহৰ পৰা নিতৌ শ শ গাড়ী বালি চোৰাংভাৱে সৰবৰাহ কৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। অকল সেয়াই নহয়, বন বিভাগে বান্ধি দিয়া নিৰ্দিষ্ট ব্যাসাৰ্ধৰ ভিতৰত বালি খনন কৰাৰ বিপৰীতে অবৈধভাৱে আন বহু ঠাইতো বালি খনন কৰি অবাধ লুণ্ঠন চলাই আছে। আনহাতে, নদীৰ পৰা মেচিনেৰে বালি উঠোৱা সম্পূৰ্ণ নিষিদ্ধ। কিন্তু টেঙানিৰ বিভিন্ন ঠাইত ধনশিৰি নদীৰ পৰা মেচিন আৰু জেচিবিৰে চলাই গৈছে বালিৰ খনন কাৰ্য। লগতে বৰপথাৰস্থিত খণ্ড বন বিষয়া কাৰ্যালয়ৰ পৰা টিপি নোলোৱাকৈয়ে নিতৌ শ শ বালিৰ ডাম্পাৰ মেৰাপানী, তিতাবৰ, বৰহোলা, দেৰগাঁও, যোৰহাট আদিৰ লগতে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ ডিমাপুৰ, নগাবস্তি আদিলৈ সৰবৰাহ হৈ আছে। যাৰ ফলত চৰকাৰে কোটি কোটি টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। বন বিভাগৰ নীতি-নিয়মক বুঢ়া আঙুলি দেখুৱাই কোটি কোটি টকাৰ ৰাজহ ফাঁকিৰে বালিৰ লুণ্ঠন চলাই যোৱা এচাম বালি মাফিয়াৰ বাবেই এতিয়া ধনশিৰি নদীৰ গতিপথ সলনি, ব্যাপক খহনীয়া, প্ৰদূষণ আদিৰ লগতে প্ৰকৃতিৰ বুকুলৈ ভাবুকি নামি আহিছে। আনহাতে, বন বিভাগক পকেটত ৰাখি প্ৰত্যেকখন গাঁড়ীয়ে অত্যধিক বালি কঢ়িওৱাৰ ফলত পথৰ অৱস্থা কম দিনৰ ভিতৰতে শোচনীয় হৈ পৰিছে। উল্লেখ্য যে ২০২১ বৰ্ষত বালি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবেই টেঙানিৰ পৰা বৰপথাৰ সংযোগী মূল পথটোৰ অৱস্থা অতিকে শোচনীয় হৈ পৰিছিল। পথৰ অৱস্থা ইমানেই বিধ্বস্ত হৈছিলগৈ যে কেইবামাহ ধৰি টেঙানিলৈ ১০৮ সেৱাৰ বাহন সোমাব পৰা নাছিল। পিছলৈ যেনিবা ২০২২ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে নিজৰ প্ৰচেষ্টাত ৯ কিলোমিটাৰ পথ মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰি তোলে। ইপিনে যোৱা ১৪ নৱেম্বৰ তাৰিখে দেৰগাঁৱৰ পৰা টেঙানিলৈ অবৈধ বালি কঢ়িয়াই নিবলৈ অহা এখন ডাম্পাৰ উন্মুক্ত ৰে'ল ক্ৰছিং পাৰ হ'বলৈ লওঁতেই ৰে'লে মহটিয়াই লৈ যায়। যাৰ ফলত চালকজনৰ থিতাতে মৃত্যু হয়। এনেদৰেই সাধাৰণ জনতাই এচাম অসাধু আমোলা-বিষয়া আৰু বালি মাফিয়াৰ দপদপনিৰ পৰিণতি ভুগিব লগা হৈছে। জানিব পৰা মতে আজি চলা অভিযানত তদন্তকাৰী দলটোৰ নেতৃত্ব দিছে অতিৰিক্ত মুখ্য বন সংৰক্ষক আই এফ এছ বিষয়া পি বিজয়কাৰে। লগতে দলটোত আছে বন বিভাগৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ অতিৰিক্ত প্ৰধান বন সংৰক্ষক বিনয় গুপ্তা, বন সংৰক্ষক ৰাজেন চৌধুৰী, উপ-বন সংৰক্ষক ৰঞ্জিত কোঁৱৰৰ লগতে বিশাল নিৰাপত্তা বাহিনী। উল্লেখ্য যে টেঙানিত চলা অভিযানত দলটো গৈ পোৱাৰ আগতেই খননস্থলীবোৰৰ পৰা স্বয়ংক্ৰিয় মেচিন, জেচিবি, ডাম্পাৰ আদি গোপন স্থানলৈ লৈ যোৱাৰ ফলত সেইবিলাক জব্দ কৰিবলৈ সক্ষম নহ'ল। ইপিনে প্ৰায় ১৫ দিন ধৰি জিলাখনৰ বিভিন্ন ঠাইত চলিবলগীয়া অভিযানৰ অন্তত দোষীক শাস্তি দিব পৰাকৈ তদাৰকী দলটোৰ প্ৰতিবেদন প্ৰকাশ পাবনে, নে সকলো ঠিকে ঠাকে আছে বুলি প্ৰতিবেদন সামৰিব সেয়াহে পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

## বাক্সাৰ শিলিখাগুৰিত পথৰ দাঁতিত বাগৰিল সমবায় সমিতিৰ চাউল ভৰ্তি বাহন, পাঁচজন আহত

**দৈনন্দিন বাৰ্তাৰ সেৰা, শালবাৰী, ১৮ নৱেম্বৰ ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত তথা বৰপেটা ৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ শিলিখাগুৰিত আজি যান্ত্ৰিক বিজুতি ঘটি পথৰ দাঁতিত বাগৰি দুৰ্ঘটনাত পতিত হয় এখন সমবায় সমিতিৰ চাউল ভৰ্তি বাহন। দুৰ্ঘটনাটোত এ এছ-২৮ চি-৭১০২ নম্বৰৰ সমবায় সমিতিৰ চাউল ভৰ্তি বলেৰ' বাহনখনত থকা চালকসহ ৫গৰাকী কৰ্মচাৰী আহত হয়। পিছত আটাইকে ততাতৈয়াকৈ নিমুৱা চিকিৎসালয়লৈ প্ৰেৰণ কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে, বলেৰ' বাহনখনত আনন্দ বজাৰ সমবায় সমিতিৰ সুলভ মূল্যৰ চাউল কঢ়িয়াই নিছিল কুঠুৰীঝাৰলৈ।

## কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্ছৃংশল পৰিৱেশ

**ছাত্ৰক প্ৰহাৰ কৰাৰ অভিযোগত কাৰ্যালয় সহায়কৰ বিৰুদ্ধে থানাত গোচৰ**

**দৈনন্দিন বাৰ্তাৰ সেৰা, কমলপুৰ, ১৮ নৱেম্বৰ ঃ** বৃহত্তৰ অঞ্চলটোৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সামগ্ৰিক পৰিৱেশ বিগত কিছু বছৰৰ পৰা অধঃনমিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিদ্যালয় কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণহীন প্ৰশাসন ব্যৱস্থাৰ বিপৰীতে একাংশ উচ্ছৃংশল ছাত্ৰ-ছাত্ৰীৰ উদ্ভাগুলিয়ে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাই নহয় পূৰ্বৰ সুনামো ভূ-লুণ্ঠিত কৰা বুলি ৰাইজে আক্ষেপ প্ৰকাশ কৰিছে । একাংশ শিক্ষকৰ অমনোযোগী মনোভাৱৰ গইনা লৈ একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ ভিতৰে-বাহিৰে বিভিন্ন দৃষ্টিকটু ঘটনাৰ সৃষ্টি কৰি বিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশ বিধ্বস্ত কৰি পেলাইছে। শেহতীয়াভাৱে ১৬ নৱেম্বৰৰ দিনা বিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ ছাত্ৰই বিদ্যালয়খনৰ প্ৰস্ৰাৱাগাৰত ভাং খোৱাৰ অভিযোগত বিদ্যালয়খনৰ জ্যেষ্ঠ সহায়ক বসন্ত ডেকাই ছাত্ৰ তিনিগৰাকীক কাৰ্যালয়লৈ মাতি আনি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। ইয়াৰ পিছতে ভাৰ্গৱ ডেকা, কংকন ডেকা আৰু জিণ্টুমণি নাথ নামৰ ছাত্ৰ তিনিগৰাকীয়ে বসন্ত ডেকাৰ বিৰুদ্ধে কমলপুৰ থানাত এজাহাৰ দাখিল কৰে। উক্ত ঘটনাই ইতিমধ্যে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ মাজতে আজি পুনৰ এক ঘটনাই শৈক্ষিক মহলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দশম শ্ৰেণীত পাঠদান কৰি থকা শৰ্মা উপাধিৰ শিক্ষক এগৰাকীৰ গা লৈ এজন ছাত্ৰই শিলগুটি দলিয়ায়। ফলত শিক্ষকগৰাকী শ্ৰেণী কোঠাৰ পৰা ওলাই আহি অধ্যক্ষ হলধৰ ঠাকুৰীয়াক ঘটনা সম্পৰ্কে অৱগত কৰোৱাত বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰগৰাকীৰ অভিভাৱকক মাতি আনে। পিছত ছাত্ৰগৰাকীক পৰৱৰ্তী তিনি মাহলৈ বিদ্যালয়ত উপস্থিত থকাৰ পৰা বাৰণ কৰে।

## ৩৫গৰাকী শিক্ষাৰ্থী

কেইবাগৰাকীও শিক্ষাৰ্থীক এখন স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। মহাবিদ্যালয়খনৰ পৰীক্ষাগাৰত কি গেছ লিক হৈছে সেয়া জানিবলৈ ফৰেনচিকৰ দল ঘটনাস্থলীত উপস্থিত হৈছে। ৰাসায়নিক গেছ লিক হোৱাৰ পিছত গেছৰ সংস্পৰ্শলৈ অহা সকলো শিক্ষাৰ্থী এতিয়া বিপদমুক্ত বুলি চিকিৎসকে প্ৰকাশ কৰিছে। উল্লেখ্য, চলিতবৰ্ষৰ জানুৱাৰী মাহত গুজৰাটৰ চুৰাটত এটা ৰাসায়নিক কাৰখানাত গেছ লিক হোৱাৰ ফলত কমেও ছজন লোকৰ মৃত্যু হোৱাৰ লগতে ২০জন লোক অসুস্থ হৈ পৰিছিল। শচীন ঔদ্যোগিক এলেকাৰ বাহিৰত ৰখাই থোৱা এখন টেংকাৰৰ পৰা গেছ লিক হোৱাৰ ফলত কাৰখানাৰ শ্ৰমিকসকলে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰে। টেংকাৰখনৰ পৰা গেছ লিক হোৱাৰ সময়ত শচীন গুজৰাট ঔদ্যোগিক উন্নয়ন নিগমৰ শ্ৰমিকসকলে শুই আছিল। উক্ত ঘটনাত ছজন শ্ৰমিকৰ থিতাতে মৃত্যু ঘটিছিল।

## আন্দোলনত নেতাৰ মৃত্যু নহয়

তাৰকাযুক্ত হোটেলত বহি থাকে নেকি বুলি প্ৰশ্ন উত্থাপন কৰি পায়েঙে আইনে আন্দোলন বুজি নাপায় বুলি কয়। পুলিচে গুলীয়াবই বুলি মন্তব্য কৰি পায়েঙে আন্দোলন কৰি কি লাভ বুলিও প্ৰশ্ন কৰে। মানৱ সম্পদ ৰক্ষা নকৰিলে দেশৰ উন্নতি হ'ব নোৱাৰে বুলি স্পষ্ট কৰি দি ছাত্ৰ-ছাত্ৰীসকলে আন্দোলন নহয় পঢ়া-শুনাত মনোনিৱেশ কৰিব লাগিব বুলিও তেওঁ কয়। শিক্ষা অবিহনে এখন দেশ উন্নতিৰ জখলাত বগোৱা অসম্ভৱ বুলি স্পষ্ট কৰি দিয়ে পায়েঙে।

## সুস্থিৰ নহয় ব্ৰিটেইনৰ অৰ্থনীতি

বিত্তমন্ত্ৰী জেৰেমি হাণ্টে। হাণ্টে কয় যে বহু প্ৰতীক্ষিত ব্ৰিটেইনত এতিয়া মন্দাৱস্থা চলিছে। সেই বাবেই কৰ বৃদ্ধি আৰু ব্যয় হ্ৰাসৰ কথা ঘোষণা কৰিবলৈ চৰকাৰ বাধ্য হৈছে বুলি হাণ্টে প্ৰকাশ কৰিছে। কৰ বৃদ্ধিৰ জৰিয়তে প্ৰায় ২৫ বিলিয়ন ডলাৰ আৰু ব্যয় হ্ৰাস কৰি প্ৰায় ৩০ বিলিয়ন ডলাৰ অৰ্জন কৰিব পৰা যাব বুলি চৰকাৰ এতিয়া আশাবাদী। উল্লেখ্য, ব্ৰিটেইনত অপ্ৰত্যাশিতভাৱে কৰ ২৫ শতাংশৰ পৰা ৩৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে। দেশখনৰ হাউছ অৱ কমনছত দিয়া ভাষণৰ সময়ত বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে পুঁজিবিহীন কৰ হ্ৰাস বিপজ্জনক। ব্ৰিটিছ প্ৰধানমন্ত্ৰী হিচাপে লিজ ট্ৰাছৰ কাৰ্যকালত প্ৰৱৰ্তন কৰা ছেপ্টেম্বৰৰ মিনি বাজেটৰ কথা উল্লেখ কৰি তেওঁ কয় যে লিজ ট্ৰাছ চৰকাৰে প্ৰৱৰ্তন কৰা মিনি বাজেটৰ ফলত ব্ৰিটেইনৰ বজাৰ আৰু মূলধনৰ বজাৰত সংকটৰ সৃষ্টি হৈছে। মুদ্ৰাস্ফীতি হ্ৰাস কৰাটো এতিয়া চৰকাৰৰ বাবে প্ৰথম কাম হ'ব বুলিও তেওঁ কয়। জেৰেমি হাণ্টে ব্ৰিটেইনৰ বিত্তীয় নীতি আৰু মুদ্ৰা নীতিৰ মাজত সমন্বয়ৰ প্ৰয়োজনীয়তাৰ বিষয়তো অধিক আলোকপাত কৰে। প্ৰধানমন্ত্ৰী ঋষি চুনাকে কৈছে যে মুদ্ৰাস্ফীতি হ্ৰাস কৰাটো চৰকাৰৰ অগ্ৰাধিকাৰ। ব্ৰিটেইনৰ মুদ্ৰাস্ফীতিয়ে ৪১ বছৰৰ ভিতৰত সৰ্বোচ্চ স্তৰ স্পৰ্শ কৰিছে আৰু এই মুহূৰ্তত ই প্ৰায় ১১.১ শতাংশ হৈছে। চুনাকে কয়— 'আমি মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ বাবে নিৰন্তৰ যুঁজ অব্যাহত ৰাখিব লাগিব'।

## যোগীঘোপাত কুখ্যাত ডকাইত আশ্ৰব আলী ধৃত

**কয়লা ব্যৱসায়ীৰ ঘৰত লুটিছিল ধন-সোণ**

**দৈনন্দিন বাৰ্তাৰ সেৰা, যোগীঘোপা, ১৮ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত কাবাইটাৰীত সংঘটিত ডকাইতি কাণ্ডৰ লগত জড়িত এজন কুখ্যাত ডকাইতক যোগীঘোপা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত কুখ্যাত ডকাইতটো চিৰাং জিলাৰ ঢালিগাঁও থানাৰ অন্তৰ্গত হাচলাবাৰীৰ আশ্ৰব আলী (২২) বুলি আৰক্ষী সূত্ৰে জনা গৈছে। জানিব পৰা মতে, কালি যোগীঘোপা আৰক্ষীৰ এটা দলে ঢালিগাঁৱত অভিযান চলাই কুখ্যাত ডকাইতটোক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত যোগীঘোপা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সুখেশ ঘোষে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, ২৯ অক্টোবৰৰ নিশা কাবাইটাৰী কয়লা ব্যৱসায়ী আব্দুল কাদেৰ মজুমদাৰৰ ঘৰত ডকাইতি কাণ্ড সংঘটিত হৈছিল । ঘটনা সন্দৰ্ভত আব্দুল কাদেৰ মজুমদাৰে যোগীঘোপা থানাত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত যোগীঘোপা আৰক্ষীয়ে ১৮১/২০২২ নম্বৰৰ এটা গোচৰ পঞ্জীয়ন কৰি অধিক তৎপৰতাৰে তদন্ত আৰম্ভ কৰে। আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে, ব্যৱসায়ী আব্দুল কাদেৰ মজুমদাৰৰ পত্নী ৰুকীয়া খাতুন মজুমদাৰ কাবাইটাৰী পঞ্চায়তৰ সভানেত্ৰী হোৱা হেতুকে প্ৰায় প্ৰতিদিনে তেওঁলোকৰ বাসগৃহত বিভিন্ন প্ৰান্তৰ লোকৰ নিশাপৰ্যন্ত আহ-যাহ চলে। এনে পৰিপ্ৰেক্ষিতত ডকাইতৰ দলটোৱে এই সুযোগ গ্ৰহণ কৰি দলটোৰ তৌফিকা ৰহমান নামৰ মহিলাগৰাকীয়ে উক্ত নিশা ব্যৱসায়ী কাদেৰ মজুমদাৰৰ বাসগৃহলৈ যায়। মহিলাগৰাকীয়ে অতি গোপনে সুযোগ বুজি নিশাৰ আহাৰৰ সৈতে চেতনানাশক দ্ৰব্য মিহলাই ৰাখে। উক্ত খাদ্য কাদেৰ মজুমদাৰৰ পৰিয়ালৰ লোকে খোৱাৰ পিছতে অচেতন হৈ পৰে। পিছত উক্ত নিশাই ডকাইতৰ দলটোৱে কাদেৰ মজুমদাৰৰ ঘৰত প্ৰৱেশ কৰি নগদ ধন, সোণ-ৰূপৰ অলংকাৰ লুটি কৰি নিয়ে। আনহাতে, বিষয়াগৰাকীয়ে জনোৱা মতে, আৰক্ষীৰ তদন্তত ঘটনাৰ লগত জড়িত থকা ছজনকৈ লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰা লোককেইজন ক্ৰমে— তৌফিকা ৰহমান (কাবাইটাৰী), আকতাৰ হুছেইন (সাতশ বিঘা চৰ), মকবুল হুছেইন (সাতশ বিঘা চৰ), ছাহিদা খাতুন (কায়েথপাৰা) আব্দুল হামিদ মিঞা (নাম্বাৰপাৰা) আৰু আকিদা খাতুন (গোৱালপাৰা) বুলি জনা গৈছে। পিছত আৰক্ষীয়ে ঘটনাৰ লগত জড়িত কুখ্যাত ডকাইত আশ্ৰব আলীক গ্ৰেপ্তাৰ কৰি অধিক তদন্ত অব্যাহত ৰাখিছে।

## গেলেকীৰ হাতীপট্টীত দুৰ্ঘটনাত প্ৰাণ গ'ল দুজনৰ

**দৈনন্দিন বাৰ্তাৰ সেৰা, নাজিৰা, ১৮ নৱেম্বৰ ঃ** নাজিৰা মহকুমাৰ গেলেকী থানাৰ অন্তৰ্গত গেলেকী হাতীপট্টীত যোৱানিশা সংঘটিত এক পথ দুৰ্ঘটনাত দুজন যুৱকৰ প্ৰাণ যোৱাৰ ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে আজি সন্ধিয়া মেকিপুৰৰ দিশৰ পৰা গেলেকী অভিমুখে এ এছ-০৬ এন-২৩৫২ নম্বৰৰ পাল্‌ছাৰ বাইকেৰে গৈ থকা দুজন যুৱকে নিয়ন্ত্ৰণ হেৰুৱাই হাতীপট্টীত পথৰ কাষত ৰখাই থোৱা এখন ট্ৰেইলাৰত তীব্ৰ বেগে খুন্দা মৰাৰ ফলত বাবলু মুণ্ডা নামৰ যুৱকজনৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে চিকিৎসালয়লৈ নি থকা অৱস্থাতে আৰোহী সোণটো মুণ্ডাৰ (২৬) মৃত্যু হয়। দুয়োজন যুৱকৰ ঘৰ ক'ত সেয়া বাতৰি লিখা পৰলৈকে জানিব পৰা হোৱা নাই। ইফালে আৰক্ষীয়ে দুয়োজনৰে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে আৰু চিকিৎসালয়ৰ কৰ্তৃপক্ষই দুয়োজনৰে শৱদেহ মৰ্গতে ৰখাৰ ব্যৱস্থা কৰিছে।




**নগাঁৱৰ ঐতিহ্যমণ্ডিত মিছন স্কুলৰ ১৭৫ বছৰীয়া জয়ন্তী**

## বৰ্ণিল শোভাযাত্ৰাৰে মুখৰ নগাঁও

**উজ্জীৱিত ১৮৪৬ চনতেই স্থাপিত শিক্ষানুষ্ঠানখনৰ বৰ্ণময় ইতিহাস ঃ অভিনেত্ৰী মলয়া গোস্বামীয়ে উদ্বোধন কৰিলে শোভাযাত্ৰা**

**দৈনন্দিন বাৰ্তাৰ সেৰা, নগাঁও, ১৮ নৱেম্বৰ ঃ** বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰ হৈ পৰিল নগাঁও। অসমৰ লগতে ভাৰতীয় বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় কলা-সংস্কৃতিয়ে প্ৰাণ পাই উঠিল নগাঁও চহৰৰ ৰাজপথ। ভাষাৰ কাণ্ডাৰী তথা আমেৰিকান ব্যাপ্টিষ্ট মিছনেৰী মাইলছ ব্ৰনচনে ১৮৪৬ চনতে নগাঁও চহৰৰ মাজমজিয়াত প্ৰতিষ্ঠা কৰা নগাঁও মিছন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল ১৭৫ বছৰীয়া জয়ন্তীৰ উপলক্ষে শিক্ষানুষ্ঠানখনৰ পৰা আজি উলিওৱা হয় এই বৃহৎ সাংস্কৃতিক শোভাযাত্ৰা। প্ৰথমাৱস্থাত অনাথ শিশুৰ শিক্ষানুষ্ঠানৰূপে আত্মপ্ৰকাশ কৰা বিদ্যালয়খনে পৰৱৰ্তী সময়ত অসমৰ প্ৰথমখন নাৰী শিক্ষাৰ প্ৰতিষ্ঠানৰূপে সেৱা আগবঢ়ায়। কালক্ৰমত ঐতিহ্যমণ্ডিত বিদ্যালয়খন সহঃ শিক্ষা প্ৰতিষ্ঠানলৈ পৰ্যবসিত হয় আৰু বিদ্যালয়ৰ মহান ঐতিহ্যক আদৰ্শ হিচাপে লৈ অসমৰ শিক্ষা জগতত এক সুকীয়া স্থানেৰে আজিৰ পৰ্যায়ত উপনীত হৈছে। অসমৰ শৈক্ষিক জগতত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হোৱা বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ১৭৫বছৰীয়া জয়ন্তী বৃহস্পতিবাৰৰ পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ আছে। ১৭৫খনকৈ পতাকা উত্তোলনেৰে দুদিনীয়া কাৰ্যসূচীৰে শুভাৰম্ভ হোৱা ১৭৫ বছৰীয়া জয়ন্তীৰ কাৰ্যসূচীৰ অংশৰূপে প্ৰদৰ্শনী, স্মৃতিগ্ৰন্থ উন্মোচন, সতীৰ্থ সন্মিলন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা বিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়। আজি দিনৰ ১২ বজাত নগাঁৱৰ মাজ-মজিয়াৰে উলিওৱা সাংস্কৃতিক শোভযাত্ৰা উদঘাটন কৰে ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী তথা শিক্ষাবিদ মলয়া গোস্বামীয়ে। ইপিনে কণ্ঠশিল্পী দীপলীনা ডেকাৰ সংগীতানুষ্ঠানেৰে শিক্ষানুষ্ঠানখনৰ ১৭৫বছৰীয়া জয়ন্তীৰ সামৰণি পৰে।




*মই থাকো বা নাথাকো, এইখন দেশ থাকিব লাগিব- প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ এক কবিতাৰ পংক্তিৰ শিৰোনামেৰে নিৰ্মাণ কৰিবলৈ ওলোৱা জীৱনীমূলক চলচ্চিত্ৰৰ নাম ভূমিকাত অভিনয় কৰিব পংকজ ত্ৰিপাঠীয়ে*

# নেচনেল কনফাৰেন্সৰ মুৰব্বী পদৰ পৰা অপসাৰিত হ'ল ফাৰুক আব্দুল্লা

**শ্ৰীনগৰ, ১৮ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা নেচনেল কনফাৰেন্স দলৰ মুৰব্বী ফাৰুক আব্দুল্লাক অপসাৰণ কৰা হৈছে। আগন্তুক জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ বাবে তেওঁৰ দলটোৱে নতুন এজনক সভাপতি পদত অধিষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছে। এই সম্পৰ্কত ফাৰুক আব্দুল্লাই কয় যে দলৰ পদবী এৰি দিয়াৰ পিছত পুনৰ সেই পদলৈ ঘূৰি যোৱাৰ প্ৰশ্ন নাহে। উল্লেখ্য যে দলটোৰ সাধাৰণ সম্পাদকে কৰা ঘোষণাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফালে দলটোৰ সভাপতিৰ পদৰ বাবে নতুনকৈ নিৰ্বাচন অনুষ্ঠিত কৰিব খোজা হৈছে। অহা পাঁচ ডিচেম্বৰত নতুনকৈ সভাপতি বাচনি কৰা হ'ব। অৱশ্যে তেতিয়ালৈকে ভাৰপ্ৰাপ্ত হিচাপে ফাৰুক আব্দুল্লাই কাৰ্যনিৰ্বাহ কৰি যাব। প্ৰণিধানযোগ্য এয়ে যে ২০১৯ চনৰ আগষ্ট মাহত কেন্দ্ৰীয় সংসদে



জম্মু-কাশ্মীৰ পুনৰ গঠন বিধেয়ক গৃহীত কৰে। সংবিধানৰ ৩৭০ অনুচ্ছেদ বিলুপ্ত কৰা হয়। ৰাজ্যখনে লাভ কৰি অহা ভাৰতীয় সংবিধানৰ বিশেষ স্বীকৃতি বাতিল কৰা হয়। ৰাজ্যখন দ্বিখণ্ডিত কৰি লাডাখ নামৰ এখন কেন্দ্ৰীয় শাসিত প্ৰদেশ সৃষ্টি কৰা হৈছে। ইফালে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰি জম্মু-কাশ্মীৰক কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ ৰূপান্তৰ ঘটোৱা হৈছে। ফলত ৰাজ্যখনত ব্যাপক অসন্তুষ্টি পৰিলক্ষিত হৈছে। আনকি পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা ঘূৰাই অনা আৰু সংবিধানৰ ৩৭০ অনুচ্ছেদ পুনৰ বাহাল ৰখাৰ বাবে বিভিন্ন ৰাজনৈতিক দলে দাবী জনাই আহিছে। নিৰ্বাচনত জয়ী হ'লে তেওঁলোকে জম্মু-কাশ্মীৰত পূৰ্বৰ অৱস্থানলৈ ঘূৰাই আনিব বুলিও প্ৰতিশ্ৰুতি দিছে। এনেধৰণৰ জলন্ত সমস্যাৰ মাজতে নিজেই গঠন কৰা ৰাজনৈতিক দলটোৰ পৰা ফাৰুক আব্দুল্লাক অপসাৰণ কৰা কাৰ্য লক্ষণীয় হৈ পৰিছে।

## সন্ধ্যা দেৱনাথন মেটাৰ ভাৰতীয় মুৰব্বী



**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** মেটা অৰ্থাৎ ফেচবুকৰ মূল প্ৰতিষ্ঠানৰ ভাৰতীয় খণ্ডৰ মুৰব্বী হিচাপে নিযুক্ত দিয়া হৈছে সন্ধ্যা দেৱনাথনক। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম বি এ ডিগ্ৰী আহৰণ কৰা সন্ধ্যাই ২০১৬ চনত মেটা প্ৰতিষ্ঠানত যোগদান কৰিছিল। বেংকিং, বিত্তীয় আৰু প্ৰযুক্তি খণ্ডত বিগত ২২ বছৰে কাম কৰাৰ অভিজ্ঞতা আছে ইয়াৰ পূৰ্বে ছিংগাপুৰ আৰু ভিয়েটনামত, পিছৰ ফালে দক্ষিণ-পূব এছিয়াত মেটাৰ ই-কমাৰ্ছ উদ্যোগত উল্লেখনীয় সেৱা আগবঢ়াইছিল সন্ধ্যাই। যোৱা বুধবাৰে ভাৰতীয় মুৰব্বী অজিত মোহনে পদত্যাগ কৰিছিল। ইয়াৰ পিছতে মেটা কৰ্তৃপক্ষই তেওঁৰ স্থানত সন্ধ্যা দেৱনাথনক নিযুক্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে ২০০২ চনৰ পৰা সন্ধ্যাই এছিয়া পেচিফিক সংমণ্ডলত মেটাৰ উপাধ্যক্ষ হিচাপে সেৱা কৰি আহিছে।

## দেশত প্ৰথমবাৰলৈ ব্যক্তিগত ৰকেট বিক্ৰম-এছৰ সফল উৎক্ষেপণ

### ভাৰতৰ মহাকাশ গৱেষণাৰ ইতিহাসত অভিলেখ সৃষ্টি



**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** শুকুৰবাৰে শ্ৰীহৰিকোটাৰ পৰা দেশৰ প্ৰথম ব্যক্তিগত ৰকেট বিক্ৰম এছ সফলতাৰে মহাকাশলৈ উৎক্ষেপণ কৰা হয়। স্কাইৰুট এৰোস্পেচ নামৰ প্ৰতিষ্ঠানটোৱে এই ৰকেট সাজি উলিয়াইছে। স্কাইৰুট এৰোস্পেচ প্ৰকাশ কৰা মতে ষ্টাৰ্টআপ মিছনটো এটা কাৰিকৰী প্ৰদৰ্শনী অভিযান হ'ব আৰু তাত বিক্ৰম-এছ ব্যৱহাৰ কৰা হ'ব।এই অভিযানটো ১৮ নৱেম্বৰৰ পুৱা ১১.৩০ বজাত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা আৰম্ভ কৰা হয়। মহাকাশ অভিযানত দেশৰ ব্যক্তিগত খণ্ডৰ সামৰ্থ্য প্ৰদৰ্শন কৰা আৰু ইছৰোৰ ভৱিষ্যতৰ বোজা বহন কৰাৰ ক্ষেত্ৰত এই অভিযান অতি গুৰুত্বপূৰ্ণ।প্ৰাৰম্ভিক অভিযানত তিনিটা পেলোড বিক্ৰম-এছ ৰকেটত পৃথিৱী পৃষ্ঠৰ পৰা ১২০কিলোমিটাৰ উচ্চতালৈ যাব আৰু তাত স্থাপন কৰা হ'ব। উপকক্ষীয় উৰণৰ লক্ষ্য হৈছে স্কাইৰুটৰ মুখ্য বাহন বিক্ৰম-১-ৰ নিম্ন পৃথিৱীৰ কক্ষপথলৈ যোৱাৰ পথ প্ৰশস্ত কৰা। স্কাইৰুটে আগতে ঘোষণা কৰিছিল যে বিক্ৰম-এছ ৰকেট আৰু তিনিটা পেলোডৰ সৈতে উৎক্ষেপণ অভিযান মঙলবাৰে কৰা হ'ব।বিক্ৰম-এছ ৰকেটটো কালাম ৮০ প্ৰপালচন প্ৰণালীৰ দ্বাৰা চালিত হ'ব যি পৃথিৱীৰ পৃষ্ঠৰ পৰা ১২০ কিলোমিটাৰ উচ্চতাত তিনি পৰ্যায়ৰ ৰকেটটো জ্বলাব। এই অভিযানটোৱে তিনিটা পেলোড বহন কৰিব যাক উপ-কক্ষীয় উৰণৰ সময়ত স্থাপন কৰা হ'ব যাতে ভৱিষ্যতে মহাকাশলৈ গধুৰ পেলোড লৈ যোৱাৰ এই ৰকেটৰ সামৰ্থ্য প্ৰদৰ্শন কৰিব পাৰি।স্কাইৰুটে বিক্ৰম ৰকেটৰ তিনিটা প্ৰকাৰ প্ৰস্তুত কৰিছে। যদিও বিক্ৰম-১-য়ে পৃথিৱীৰ নিম্ন কক্ষপথত ৪৮০ কিলোগ্ৰামৰ পেলোড কঢ়িয়াব পাৰে, বিক্ৰম-২-য়ে ৫৯৫ কিলোগ্ৰাম কাৰ্গো কঢ়িয়াব পাৰে। আনহাতে, বিক্ৰম-৩ য়ে ৮১৫ কিলোগ্ৰামৰ পৰা ৫০০ কিলোমিটাৰ নিম্ন ইনক্লিনেচন কক্ষপথৰ সৈতে উৎক্ষেপণ কৰিব পাৰে।

# সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সিংহ গৰ্জন

### মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ শত্ৰু বুলি অভিহিত

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** সন্ত্ৰাসবাদক মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ শত্ৰু আখ্যা দিলে প্ৰধানমন্ত্ৰী মোদীয়ে।প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে দৃঢ়তাৰে কয় যে কেইবা দশকধৰি বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদে ভাৰতক আঘাত কৰাৰ চেষ্টা কৰি আহিছে। সেই অপশক্তিবোৰক আমি প্ৰতিহত কৰিব লাগিব।দিল্লীত অনুষ্ঠিত সন্ত্ৰাসবাদ বিৰোধী সনিমিলনত ভাষণ দি মোদীয়ে এনেদৰে কয়। সন্মিলনৰ উদ্বোধনী ভাষণ প্ৰদান কৰাৰ সময়ত মোদীয়ে কয় যে দেশখনে সাহসেৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আছে। মোদীয়ে কয় "এই সন্মিলনখন ভাৰতত অনুষ্ঠিত হোৱাটো গুৰুত্বপূৰ্ণ কথা।বিশ্বই সন্ত্ৰাসবাদক গুৰুত্বসহকাৰে লোৱাৰ বহু আগতে আমাৰ দেশখনে সন্ত্ৰাসৰ ভয়াৱহতাৰ সন্মুখীন হৈছে। কেইবা দশকধৰি, বিভিন্ন ৰূপত সন্ত্ৰাসবাদীয়ে ভাৰতক আঘাত কৰিবলৈ চেষ্টা কৰি আহিছে ,কিন্তু আমি সাহসেৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিছো," । প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদক উৎখাত কৰিবলৈ আহ্বান জনাই কয় যে '' এইক্ষেত্ৰত এক বৃহত্তৰ, সক্ৰিয়, প্ৰণালীবদ্ধ সঁহাৰিৰ প্ৰয়োজন। যদি আমি আমাৰ নাগৰিকসকল সুৰক্ষিত হোৱাটো বিচাৰো, আমি আমাৰ ঘৰলৈ সন্ত্ৰাসবাদী অহালৈ অপেক্ষা কৰিব নোৱাৰো। আমি সন্ত্ৰাসবাদীসকলক অনুসৰণ কৰিব লাগিব, তেওঁলোকৰ সমৰ্থন কৰা নেটৱৰ্ক ভাঙিব লাগিব আৰু তেওঁলোকৰ বিত্তীয় যোগানত আঘাত কৰিব লাগিব।"প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, "এয়া সকলোৱে জানে যে সন্ত্ৰাসবাদী সংগঠনবোৰে কেইবাটাও উৎসৰ জৰিয়তে ধন লাভ কৰে — এটা হৈছে কোনো দেশৰ সমৰ্থন। কিছুমান দেশে তেওঁলোকৰ বৈদেশিক নীতিৰ অংশ হিচাপে সন্ত্ৰাসবাদক সমৰ্থন কৰে। তেওঁলোকে সন্ত্ৰাসবাদীক ৰাজনৈতিক, আদৰ্শগত আৰু বিত্তীয় সমৰ্থন আগবঢ়ায়..." ।প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে ''যিসকল



লোকে সন্ত্ৰাসবাদক সমৰ্থন কৰে তেওঁলোকৰ কোনো দেশত স্থান থাকিব নালাগে'' । প্ৰধানমন্ত্ৰীয়েও "সন্ত্ৰাসবাদীৰ বিত্তীয় যোগানৰ মূল উৎস"ত আঘাত কৰাৰো আহ্বান জনায়। তেওঁ কয় যে সন্ত্ৰাসবাদক মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ ওপৰত আক্ৰমণ বুলি গণ্য কৰিব লাগে।আজিৰ পৃথিৱীত সন্ত্ৰাসবাদৰ বিপদৰ বিষয়ে সোঁৱৰাই দিয়াৰ কোনো প্ৰয়োজন নাই বুলি উল্লেখ কৰি মোদীয়ে কয় যে সকলো সন্ত্ৰাসবাদী আক্ৰমণেই সমানে গৰিহণাৰযোগ্য। কেতিয়াবা, সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাটো বন্ধ কৰিবলৈ সন্ত্ৰাসবাদৰ সমৰ্থনত পৰোক্ষ যুক্তি দিয়া হয়। এয়া মানৱতা, স্বাধীনতা আৰু সভ্যতাৰ ওপৰত আক্ৰমণ। তেনে কৰিব নাপায় বুলিও মোদীয়ে স্পষ্ট কৰি দিয়ে। উল্লেখ্য প্ৰধানমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত সন্মিলনখন উদ্বোধন কৰে । বৈঠকখন নতুন দিল্লীৰ হোটেল তাজ পেলেচত অনুষ্ঠিত হৈছে। দুদিনীয়া বৈঠকত ৭০ খনতকৈও অধিক দেশৰ ৪৫০ জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। এইসন্মিলনৰ মূল বিষয়েই হৈছে সন্ত্ৰাসবাদীলৈ ধনৰ যোগান ব্যাহত কৰা।

## পাকিস্তানত ৭০ বছৰীয়া বৃদ্ধই বিবাহ কৰালে ১৯ বছৰীয়া যুৱতীক

**ইছলামাবাদ, ১৮ নৱেম্বৰ ঃ** পাকিস্তানৰ এজন ৭০ বছৰীয়া বৃদ্ধই শেহতীয়াকৈ ১৯ বছৰীয়া এজনী যুৱতীক বিবাহ কৰোৱাৰ খবৰে সামাজিক মাধ্যমত তোলপাৰ লগাইছে। নৱ দম্পতিৰ বয়সৰ তুলনা ৫০ বছৰ। বৃদ্ধ লিয়াকত আলীয়ে সুমাইলা আলী নামৰ যুৱতীগৰাকীক বিবাহ ভিডিঅ' ভাইৰেল হৈ পৰিছে। কিন্তু সুমাইলাই কয় যে তেওঁৰ পিতৃ-মাতৃয়ে এই বিবাহত বাধা প্ৰদান কৰিছিল। কিন্তু তেওঁলোকে বুজনি দিবলৈ সক্ষম হয়। ইফালে বৃদ্ধ লিয়াকট আলীয়ে কয় যে বিবাহৰ ক্ষেত্ৰত কোনো ডাঙৰ বা সৰু বুলি প্ৰশ্ন থাকিব নালাগে। আইনমতে অনুমতি দিলে বিবাহ কৰাব পাৰে। পাকিস্তানৰ এই বহুচৰ্চিত বিবাহখনে ইতিমধ্যে নিজ দেশতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাতঃভ্ৰমণৰ সময়ত পৰস্পৰে চিনাকি হৈছিল আৰু পিছত এই চিনাকি প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। লাহোৰত প্ৰাতঃভ্ৰমণৰ সময়ত নিতৌ পুৱা ইজনে-সিজনক লগ পাইছিল। এদিন লিয়াকটে এটা গান গুণগুণাই জগিং কৰি আছিল। তেতিয়াৰ পৰাই দুয়োৰে মাজত প্ৰথমে পৰিচয় আৰু পিছত ঘনিষ্ঠ সম্পৰ্কলৈ পৰিৱৰ্তন ঘটিছিল। এনেকৈয়ে পাকিস্তানৰ লিয়াকট আলি আৰু সুমাইলা আলীৰ বিবাহে বিভিন্নজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। অৱশ্যেবৃদ্ধ লিয়াকটে ইয়াৰ পূৰ্বেও দুবাৰকৈ বিবাহ কৰাইছিল বুলি প্ৰকাশ পাইছে। তেওঁৰ পুত্ৰ আৰু কন্যাই ইতিপূৰ্বে বিবাহ পাশত আৱদ্ধ হোৱাৰ উপৰিও লিয়াকটৰ নাতি আৰু নাতিনীয়ে বিবাহত আৱদ্ধ হোৱাৰ লগতে সন্তান আদিও জন্ম দিছে।



গতিকে নাতিনীৰ বয়সৰ এগৰাকী যুৱতীক বিবাহ কৰোৱা লিয়াকটৰ কাণ্ডই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা গৈছে।





*দৃশ্যম-২ চলচিত্ৰত দৃশ্যগ্ৰহণৰ প্ৰাকক্ষণত সপত্নীক অজয় দেৱগণ*

## শনিবাৰে বেংক ধৰ্মঘটৰ আহ্বান

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** সৰ্বভাৰতীয় বেংক বিষয়া আৰু কৰ্মচাৰী সকলে যুটীয়াভাৱে কাইলৈ অৰ্থাৎ শনিবাৰে দেশজুৰি বেংক ধৰ্মঘটৰ আহ্বান জনাইছে। বিষয়া আৰু কৰ্মচাৰীৰ সৈতে চৰকাৰৰ চলি থকা আলোচনা ব্যৰ্থ হোৱাৰ বাবে এনেদৰে কৰ্মদিন হোৱা সত্বেও প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰতি বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সকলোবোৰ সংগঠনৰ সহযোগিতা কামনা কৰিছে। ধৰ্মঘটৰ ফলত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বেংক সেৱা অচল হৈ পৰিব বুলি কোৱা হৈছে। আনকি এটিএম বুথসমূহতো সমস্যাৰ সৃষ্টি হোৱাৰ আশংকা আছে। অন্যান্য অত্যাৱশ্যকীয় সেৱা সমূহতো বেংকৰ এই আন্দোলনে প্ৰভাৱ বিস্তাৰ কৰিব। কেইবাটাও বেংকৰ প্ৰতিষ্ঠানে নিজৰ নিজৰ গ্ৰাহকসকলক কাইলৈ হ'বলগা ধৰ্মঘটৰ বিষয়ে অৱগত কৰিছে। বেংক কৰ্মচাৰী সন্থাৰ সম্পাদক চি এইচ ভেংকট চলনে কয় যে গ্ৰাহকসকলেও চৰকাৰৰ নতুন বেংকিং নীতিৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। গ্ৰাহকসকলৰ বিত্তীয় সুৰক্ষা, জমা ধনৰ নিৰাপত্তা আদিৰ প্ৰতি চৰকাৰে গুৰুত্ব নিদিয়া বুলিও অভিযোগ কৰা হৈছে। যাৰ বাবে বেংকত ধন হৰলুকিৰ ঘটনা অধিক পৰিমাণে বৃদ্ধি হোৱা দেখা গৈছে।

# এছিয়াৰ সৰ্বোচ্চ ফোৱাৰা স্থাপন হ'ব ত্ৰিপুৰাত

### আগন্তুক নৱবৰ্ষৰ প্ৰথম মাহতে মুকলি হোৱাৰ আশা



**আগৰতলা, ১৮ নৱেম্বৰ ঃ** উত্তৰ-পূবৰ ৰাজ্য ত্ৰিপুৰাত স্থাপন হ'ব এছিয়া মহাদেশৰ ভিতৰতে সৰ্বোচ্চ ফোৱাৰা। ৰাজ্যখনৰ ৰাজধানী আগৰতলাস্থিত উজ্জয়ন্ত প্ৰাসাদত এই ফোৱাৰাটোৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশে আগবাঢ়িছে।এছিয়াৰ ভিতৰতে সৰ্বোচ্চ হিচাপে পৰিগণিত হ'বলগীয়া এই ফোৱাৰাটো নিৰ্মাণৰ কাম আগৰতলা স্মাৰ্ট চিটি লিমিটেড প্ৰকল্পৰ অধীনত কৰা হৈছে।এই ফোৱাৰাটোৰ স্থাপনৰ কাম আগন্তুক ২০২৩ চনৰ জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি জানিব পৰা গৈছে।উল্লেখ্য যে ফোৱাৰাটোৰ উচ্চতা হ'ব মুঠ ১২০ মিটাৰ। এছিয়ান ডেভেলপমেণ্ট বেংকে এই প্ৰকল্পৰ বিত্তীয় সাহায্যৰ অনুমোদন জনাইছে।আগৰতলা স্মাৰ্ট চিটি লিমিটেড প্ৰকল্পৰ মুখ্য কাৰ্যবাহী বিষয়া ড০ শৈলেশ কুমাৰ যাদৱে কয়, "এই প্ৰকল্পত আমি এটা ফোৱাৰা স্থাপন কৰিম, ই এছিয়াৰ আটাইতকৈ ডাঙৰ ফোয়াৰা হ'ব। ফোৱাৰাটো ১২০ মিটাৰ উচ্চতাৰ হ'ব আৰু ২০২৩ চনৰ জানুৱাৰী মাহৰ ভিতৰত কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।' ''ফেডাৰেল চৰকাৰে প্ৰদান কৰা ২৯৪ কোটি টকাৰ ভিতৰত ৭৮ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব। আগৰতলা স্মাৰ্ট চিটি লিমিটেড প্ৰকল্পৰ মুঠ বাজেট ৩৭২ কোটি টকা, ইয়াৰে ৩৪২ কোটি টকা এতিয়ালৈকে নিৰ্মাণৰ বাবে ব্যয় কৰা হৈছে।"- তেওঁ লগতে কয়।

## ইউক্ৰেইনৰ বহু ঠাইত পুনৰ আক্ৰমণ ৰাছিয়াৰ



ৰাছিয়াই শেহতীয়াকৈ ইউক্ৰেইন বাহিনীৰ প্ৰতিৰোধৰ সন্মুখীন হৈ গুৰুত্বপূৰ্ণ চহৰ খেৰছনৰ পৰা সৈন্য প্ৰত্যাহাৰ কৰিছিল। বৃহস্পতিবাৰে ৰাছিয়াই সমগ্ৰ ইউক্ৰেইনত আন এটা মিছাইল আক্ৰমণ আৰম্ভ কৰে। ৰাছিয়াৰ বাহিনীয়ে ইউক্ৰেইনৰ নিপ্ৰো চহৰত এটা মিছাইল আৰু গেছ উৎপাদন প্ৰকল্পত আক্ৰমণ কৰিছিল। আক্ৰমণটোত কমেও চাৰিজন লোক নিহত হৈছিল।ৰাছিয়াই কেইবা সপ্তাহ ধৰি ইউক্ৰেইনৰ শক্তি আৰু ইন্ধন কোম্পানীসমূহক লক্ষ্য কৰি মিছাইল আক্ৰমণ চলাই আহিছে। মঙলবাৰে ৰাজধানী কিয়েভকে ধৰি কেইবাটাও ঠাইত কেইবাটাও আক্ৰমণ সংঘটিত হয়। অৱশ্যে, বৃহস্পতিবাৰৰ আক্ৰমণ সম্পৰ্কে মস্কোৱে এতিয়ালৈকে জাননী জাৰি কৰা নাই।ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি কাৰ্যালয়ৰ মতে, জাপোৰিজজিয়া অঞ্চলত হোৱা আক্ৰমণত চাৰিজন লোক নিহত হৈছে। নিপ্ৰো চহৰৰ মিছাইল নিৰ্মাণ কাৰখানাটো ক্ষতিগ্ৰস্ত হৈছে। চহৰখনত কমেও ১৪ জন লোক আহত হৈছে।ৰাছিয়াৰ বাহিনীয়ে অঞ্চলটোৰ ওচৰৰ নিকোপোল চহৰত কমেও ৭০ টা বোমা নিক্ষেপ কৰিছিল। ফলস্বৰূপে, চহৰখনৰ হাজাৰ হাজাৰ ঘৰত বিদ্যুৎ আৰু পানী নাই। ওডেচা আৰু খাৰকিভ অঞ্চলো এই আক্ৰমণৰ দ্বাৰা প্ৰভাৱিত হৈছে। দুয়োটা অঞ্চলত হোৱা আক্ৰমণত কমেও তিনিজন লোক আহত হৈছে।

## সন্ত্ৰাসবাদৰ ধৰ্মীয় পৰিচয় গ্ৰাহ্য কৰিব নালাগে ঃ অমিত শ্বাহ

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে নতুন দিল্লীত সন্ত্ৰাসবাদ বিৰোধী এক সন্মিলনত কয় যে ভাৰতে সন্ত্ৰাসবাদৰ দ্বাৰা সদায় আক্ৰান্ত হৈ আহিছে। সন্ত্ৰাসবাদীৰ ভাবুকি নিতৌ লাভ কৰিছে। কিন্তু সন্ত্ৰাসবাদীক আইন-শৃংখলাৰ নীতিৰে দমন কৰিবলৈ সদায় পদক্ষেপ গ্ৰহণ কৰিছে। সন্ত্ৰাসবাদীৰ ধৰ্মীয় পৰিচয় কি, সেয়া ভাৰতে বিচাৰ নকৰে। তেওঁ লগতে কয় যে বিভিন্ন প্ৰকাৰে সন্ত্ৰাসবাদীক পৃষ্ঠপোষকতা কৰা ব্যক্তি আৰু দেশৰ অভাৱ নাই। নাম নোলোৱাকৈয়ে চীন আৰু পাকিস্তানৰ কথা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আঙুলিয়াই দিয়ে। এই দেশসমূহে সন্ত্ৰাসবাদীক আশ্ৰয় আৰু প্ৰশ্ৰয় দি অহা বুলিও অভিযোগ কৰিছে। অল কায়দা, লস্কৰ-ই-তৈবা, জৈছ-ই-মহম্মদ আদি সন্ত্ৰাসবাদীয়ে এনেদৰে আশ্ৰয় আৰু প্ৰশ্ৰয় লাভ কৰি দেশত কুটাঘাটৰ বাবে নিতৌ প্ৰয়াস কৰিছে।



## বিধ্বংসী জুইত জাহ গ'ল গাজাৰ শৰনাৰ্থী শিবিৰ

### ৭ শিশুসহ ২১ গৰাকীৰ মৃত্যুৰ আশংকা

**গাজা, ১৮ নৱেম্বৰ ঃ** পেলেষ্টাইনৰ গাজা ষ্ট্ৰিপস্থিত এক শৰণাৰ্থী শিবিৰত বৃহস্পতিবাৰে সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। এই বিধ্বংসী অগ্নিকাণ্ডত ৭ টি শিশুসহ ২১ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ খবৰ প্ৰকাশ পাইছে আন্ত:ৰাষ্ট্ৰীয় সংবাদ মাধ্যমসমূহত।গাজাৰ প্ৰশাসনে জানিবলৈ দিয়া মতে, উত্তৰ গাজাৰ ঘন জনবসতিপূৰ্ণ জাবালিয়া শৰণাৰ্থী শিবিৰত এই অগ্নিকাণ্ড সংঘটিত হয়। চাৰি মহলীয়া আৱাসিক ভৱনটোৰ ওপৰৰ মহলাত সূত্ৰপাত হোৱা জুইৰ লেলিহান শিখাই মুহূৰ্ততে মহলাটো আৱৰি ধৰে।এই বিধ্বংসী জুই নিয়ন্ত্ৰণ কৰিবলৈ অগ্নিনিৰ্বাপক বাহিনীক এঘণ্টাৰো অধিক সময় প্ৰয়োজন হয়। প্ৰাথমিক তদন্ত অনুসৰি অট্টালিকাটোৰ ভিতৰত বৃহৎ পৰিমাণৰ গেছলিন জমা হৈ থকাৰ ফলত জুইৰ তীব্ৰতা বৃদ্ধি পায়। অট্টালিকাটোত থকা সকলো লোক এই ভয়াৱহ অগ্নিকাণ্ডত নিহত হোৱা বুলি গাজাৰ প্ৰশাসনিক কৰ্তৃপক্ষই জানিবলৈ দিয়ে। আন্ত:ৰাষ্ট্ৰীয় সংবাদ সংস্থাত প্ৰকাশিত বাতৰি অনুসৰি পেলেষ্টাইন কৰ্তৃপক্ষৰ সভাপতি মাহমুদ আব্বাছে এই শোকাৱহ ঘটনাক ৰাষ্ট্ৰীয় ট্ৰেজেডী বুলি অভিহিত কৰি নিহতসকলৰ বাবে এদিনীয়া শোক ঘোষণা কৰে।উল্লেখ্য যে, জাবালিয়া হৈছে গাজাৰ আঠটা শৰণাৰ্থী শিবিৰৰ ভিতৰত এটা উল্লখনীয় শিবিৰ। ২৩ লাখ লোকৰ বাসস্থান জাবালিয়া বিশ্বৰ অন্যতম ঘন জনবসতিপূৰ্ণ অঞ্চল হিচাপে পৰিচিত।




# 'ভাৰত জোড়ো যাত্ৰা'ত ৯৩ বছৰীয়া লীলাবাই

### স্বাধীনতা সংগ্ৰামত ভাৰত ত্যাগ আন্দোলনত খাটিছিল কাৰাবাস



**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** লীলাবাই চিতালে ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত যোগদান কৰিছিল। তেতিয়া তেওঁ এজনী বাৰ বছৰীয়া ছোৱালী আছিল। কিন্তু লীলাবাই এতিয়া এগৰাকী বৃদ্ধা। আশী বছৰৰ পিছত, ৯৩ বছৰ বয়সত তেওঁ পুনৰ কংগ্ৰেছে আয়োজন কৰা পদযাত্ৰাত যোগদান কৰে। কংগ্ৰেছে সাংসদ ৰাহুল গান্ধীৰ নেতৃত্বত 'ভাৰত জোড়ো যাত্ৰা' আৰম্ভ কৰিছে। বৃহস্পতিবাৰে লীলাবাইয়ে এই যাত্ৰাত যোগদান কৰিছিল। জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে লীলাবাইৰ শোভাযাত্ৰাত খোজ কাঢ়ি থকা এটা ভিডিঅ' টুইটাৰত পোষ্ট কৰিছে। তেওঁ বৃহস্পতিবাৰে মহাৰাষ্ট্ৰৰ আকোলা জিলাৰ বালাপুৰ তহচিলৰ ভাদেগাওঁত চমু যাত্ৰাত অংশ লৈছিল।টুইটাৰত জয়ৰামে লিখিছে, "লীলাবাইয়ে বিচাৰে যে এই যাত্ৰাৰ মূল বাৰ্তাটো হোৱা উচিত সংবিধানৰ সংৰক্ষণ।" জয়ৰাম ৰমেশৰ পোষ্ট কৰা ভিডিঅ'টোত লীলাবাইক কোৱা শুনা গৈছে, "১৯৪২ চনৰ ৯ আগষ্টত মই ভাৰত ত্যাগ আন্দোলনত যোগদান কৰিছিলো। মোৰ বয়স তেতিয়া বাৰ বছৰ আছিল। মহাত্মা গান্ধীয়ে 'ডু অৰ ডাই' শেগান দিছিল। মই আৰু মোৰ দুজন বন্ধু ব্ৰিটিছৰ বিৰুদ্ধে শ'গান দি এখন মহাবিদ্যালয়ৰ ওচৰত ধৰা পৰিছিলো। আমি সৰু আছিলোঁ বাবে সেইদিনা সন্ধিয়া আৰক্ষীয়ে আমাক মুকলি কৰি দিছিল। কিন্তু মোৰ দেউতা আৰু ভাতৃ চাৰে তিনি বছৰ কাৰাগাৰত আছিল। আমাৰ দেশখনে এতিয়া কোৱাৰ দৰে স্বাধীনতা পোৱা নাছিল।'' তেওঁ উল্লেখ কৰে যে তেওঁ 'ভাৰত জোড়ো যাত্ৰা'ত যোগদান কৰি আনন্দিত হৈছে। তেওঁ লগতে কয় যে সমাজ আৰু ধৰ্ম নিৰ্বিশেষে জীৱনৰ সকলো ক্ষেত্ৰৰ মানুহে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিল। তেওঁ কয় যে 'ভাৰত জোড়ো যাত্ৰা'ৰ অংশগ্ৰহণকাৰীসকলে সংবিধান ৰক্ষা কৰিবলৈ চেষ্টা কৰি আছে।উল্লেখ্য যে ৰাহুল গান্ধীৰ যাত্ৰা ৭ ছেপ্টেম্বৰত তামিলনাডুৰ কন্যাকুমাৰীৰ পৰা আৰম্ভ হৈছিল। ১২ খন ৰাজ্য ভ্ৰমণ কৰাৰ পিছত এই যাত্ৰা শ্ৰীনগৰত সমাপ্ত হ'ব। যাত্ৰা ১৫০ দিন ধৰি চলিব। ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো যাত্ৰা' এতিয়া তামিলনাডু, কেৰালা, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক আৰু তেলেংগানা ভ্ৰমণ সম্পূৰ্ণ কৰাৰ পিছত মহাৰাষ্ট্ৰত পাইছে।

আজি সামৰণি পৰিব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ

# ইণ্ডো-আমেৰিকান যুটি অমন-আয়ুষৰ ল'ৰাৰ, ভাৰতীয় যুটি শ্ৰীনিধি-চাৰ্মিৰ ছোৱালীৰ ডাবলছ খিতাপ লাভ

**গুৱাহাটী, ১৮ নৱেম্বৰ ঃ** সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ কাইলৈ সফল সামৰণি পৰিব। কাইলৈ পুৱা ৯.৩০ বজাত অনুষ্ঠিত হ'ব ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ ফাইনেল মেচ। ইফালে, ১৮ বছৰ অনূৰ্ধ্ব আন্তৰ্জাতিক প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত হয় ল'ৰা-ছোৱালী উভয় শাখাৰে ডাবলছ শাখাৰ ফাইনেল মেচ। আমেৰিকাৰ আয়ুষ পি ভাট আৰু ভাৰতৰ অমন দহিয়া যুটীয়ে লাভ কৰে ল'ৰাৰ ডাবলছ শাখাৰ বিজয় মুকুট। খিতাপৰ যুঁজত ইণ্ডো-আমেৰিকান যুটীটোৱে ছাৰ্বিয়াৰ আলেকজেণ্ডাৰ ডাস্কালোভিক আৰু ছুইজাৰলেণ্ডৰ লুক ৰেইলেণ্ডক ৪-৬, ৬-৩, ১০-৫ ৰ ছেটত পৰাস্ত কৰে। ইফালে, ছোৱালীৰ ডাবলছ শাখাৰ খিতাপ লাভ কৰে ভাৰতীয় যুটী শ্ৰীনিধি বালাজী আৰু চাৰ্মি গোপীনাথে। তিনিটা ছেটত নিৰ্ণয় হোৱা চেম্পিয়ন যুটীটোৱে ভাৰতৰ সোণাল পাটিল আৰু তেওঁৰ ফ্ৰান্সৰ সংগী মাৰ্গট ফান্থালাক ৬-৩, ৫-৭, ১০-৭ ৰ ব্যৱধানত পৰাস্ত কৰিবলৈ সক্ষম হয়। এতিয়া প্ৰতিযোগিতাৰ কাইলৈ অন্তিম দিনা হ'বলগা ল'ৰাৰ একক শাখাৰ খিতাপৰ যুঁজত আমেৰিকাৰ হানু পেটেলে খেলিব ভাৰতৰ কৃষ ত্যাগীৰ বিৰুদ্ধে। আনহাতে, ছোৱালীৰ একক শাখাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ভাৰতৰ সোণাল পাটিল আৰু ফ্ৰান্সৰ মাৰ্গট ফান্থালাৰ মাজত। আজি হোৱা ল'ৰাৰ একক শাখাৰ প্ৰথমখন ছেমিফাইনেলত আমেৰিকাৰ হানু পেটেলে ছুইজাৰলেণ্ডৰ লুক উইলেণ্ডক ৬-৩, ৭-৫ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে আনখন ছেমিফাইনেলত ভাৰতৰ কৃষ ত্যাগীয়ে তিনিটা ছেটৰ অন্তত ২-৬, ৬-২, ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰে আমেৰিকাৰ আয়ুষ পি ভাটক। ইফালে, ছোৱালীৰ একক শাখাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতৰ সোণাল পাটিলে থাইলেণ্ডৰ মায়া বুনিয়াৰুনেটক ৬-২, ৬-০ ৰ পোনপটীয়া ছেটত সহজে পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱাৰ বিপৰীতে আনখন ছেমিফাইনেলত ভাৰতৰ প্ৰিশা নিখিল সিন্দেক ফ্ৰান্সৰ মাৰ্গট ফান্থালাই ৬-০, ৬-৩ ৰ পোনপটীয়া ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

## গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত পি এছ পি বি আন্তঃ ইউনিট ফুটবল প্ৰতিযোগিতা পূৰ্ণগতিত

**গুৱাহাটী, ১৮ নৱেম্বৰ ঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত চলি থকা আন্তঃ ইউনিট পি এছ পি বি ফুটবল প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা চাৰিখনকৈ মেচ অনুষ্ঠিত হয়। উল্লেখ্য যে আজি হোৱা খেলত আয়োজক দল এন আৰ এলৰ লগতে অংশগ্ৰহণকাৰী অন্য দলসমূহেও অনবদ্য প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনৰ তৃতীয় দিনা অনুষ্ঠিত হোৱা এখন মেচত আয়োজক দল এন আৰ এলৰ স'তে গ'লশূন্য ড্ৰ খেলে আই অ' চি এল-এ অ' ডি দলটোৱে। ইফালে, নেহৰু ষ্টেডিয়ামত হোৱা প্ৰতিযোগিতাৰ আন এখন মেচত ই আই এলে চি পি চি এলক পৰাস্ত কৰে ১-০ গ'লৰ ব্যৱধানত। আনহাতে, পি এছ পি বি ফুটবল প্ৰতিযোগিতাৰ আজি হোৱা অন্য দুখন মেচৰ এখনত এন আৰ এল-বি দলক ৪-০ গ'লত পৰাস্ত কৰি সুন্দৰ প্ৰদৰ্শন কৰে এইচ পি চি এল দলে। ইফালে, বি পি চি এলক ৩-১ গ'লত পৰাস্ত কৰিবলৈ সক্ষম হয় আই অ' চি ফুটবল দলে।

## মাৰাথন দৌৰত সূৰ্য দাস শ্ৰেষ্ঠ

**গুৱাহাটী, ১৮ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ ক্ৰীড়া সংগঠক ৰঞ্জন গোহাঁইৰ স্মৃতিত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা সদৌ অসম মাৰাথান দৌৰ প্ৰতিযোগিতাত শীৰ্ষস্থান দখল কৰে মৰিগাঁও জিলাৰ ঘগুৱাৰ সূৰ্য দাসে। প্ৰতিযোগিতাখনিত অসমৰ বিভিন্ন জিলাৰ পাঁচ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মৰিগাঁও জিলাৰ বাৰপূজীয়া তিনিআলিত ৰাজ্যিক প্ৰাক্তন ফুটবলাৰ কণ হুছেইনে উদ্ধোধন কৰা আৰু মৰিগাঁও চহৰৰ বিহুতলিত সামৰণি পৰা প্ৰতিযোগিতাত চৰাইদেউ জিলাৰ বিপুল সাতনানীয়ে দ্বিতীয় স্থান, যোৰহাটৰ বিপিন মুণ্ডাই তৃতীয় স্থান, গোলাঘাটৰ তিখেশ্বৰ কুৰ্মীয়ে চতুৰ্থ স্থান,গোলাঘাটৰ কমল দাসে পঞ্চম স্থান,কামৰূপ জিলাৰ বিজন্ত থাৰিয়াই ষষ্ঠ স্থান, গহপুৰৰ বিকাশ চাওতালে সপ্তম স্থান, তিনিচুকীয়াৰ হবিবুল আহমেদে অষ্টম স্থান, বকোৰ সীমান্ত বৰদলৈয়ে নৱম স্থান আৰু মৰিগাঁও জিলাৰ চিণ্টু লৰকে দশম স্থান দখল কৰিবলৈ সক্ষম হয়।



# অপৰাজেয় হায়দৰাবাদৰ ইতিহাস ভংগ কৰিব পাৰিবনে কেৰালাই

**হায়দৰাবাদ, ১৮ নৱেম্বৰ ঃ** হায়দৰাবাদ এফ চিয়ে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত নিজৰ অপৰাজেয় ধাৰা অব্যাহত ৰখাৰ লগতে ক্ৰমাগত পাঁচখন মেচত জয়ৰে ১৬ পইণ্ট অৰ্জন কৰি শীৰ্ষস্থান অক্ষুন্ন ৰখিছে। ডিফেণ্ডিং চেম্পিয়ন দলটোৱে কাইলৈ গৃহভূমি জি এম চি বালাযোগী এথলেটিকছ ষ্টেডিয়ামত কেৰালা ব্লাষ্টাৰ্ছৰ মুখামুখি হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে ঘৰত তিনিখন মেচত ওড়িছা, বাংগালুৰু আৰু গোৱাক পৰাস্ত কৰা হায়দৰাবাদে যোৱা মেচত একমাত্ৰ গ'লত লীগ বিজয়ী জামছেদপুৰ এফ চিক হৰুৱাই ঘৰলৈ আনিছে। হায়দৰাবাদে চলিত ছিজনৰ ছখন মেচৰ পাঁচখনতে জয়লাভ কৰাৰ বিপৰীতে দলে এখন মেচ ড্ৰ খেলিছে। উল্লেখ্য যে হায়দৰাবাদে মুম্বাই চিটীৰ বিৰুদ্ধে ছিজনৰ প্ৰথম মেচত ৩-৩ গ'লত ড্ৰ খেলিছিল যদিও পৰৱৰ্তী চাৰিখন মেচত কোনো গ'ল হজম নকৰাকৈ জয়লাভ কৰিছে। ইয়াৰপূৰ্বে দলে ৩-০ ত নৰ্থ ইষ্ট ইউনাইটেডক পৰাস্ত কৰিছিল। হায়দৰাবাদৰ আত্মবিশ্বাস স্বাভাৱিকতে তুংগত। ইফালে, কেৰালা দলে ঘৰত খেলা অন্তিম মেচত সফল প্ৰত্যাৱৰ্তন কৰি ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছে এফ চি গোৱাক। এয়া দলৰ ক্ৰমাগত দ্বিতীয় জয়। ইয়াৰপূৰ্বে দলে গুৱাহাটীত নৰ্থ ইষ্ট ইউনাইটেডক ৩-০ ত হৰুৱাইছিল। স্মৰ্তব্য যে ক্ৰমাগত তিনিখন মেচত ব্যৰ্থ হৈ পৰাজয়ৰ হেট্ৰিক অৰ্জন কৰা কেৰালাক যোৱা দুখন মেচৰ সফলতাই মানসিক শক্তি দিছে। উল্লেখ্য যে কোচিতে ছিজনৰ প্ৰথম দুখন মেচ খেলা কেৰালাই ৩-১ ত ইষ্ট বেংগলক হৰুৱাইছিল যদিও এ টি কে মোহন বাগানৰ বিৰুদ্ধে ৫-২ ত পৰাস্ত হয়। আনহাতে, ওড়িছাই ২-১ গ'লত পৰাস্ত কৰিছিল দলক। ইফালে, কেৰালা ২-০ গ'লত পৰাস্ত হৈছিল মুম্বাই চিটীৰ বিৰুদ্ধে। আজি হায়দৰাবাদৰ মুখ্য প্ৰশিক্ষক মানোলো মাৰ্কেজে কয় 'আমি জানো যে কাইলৈ এটা অতি ভাল দলৰ বিৰুদ্ধে খেলিম। লীগৰ প্ৰতি সপ্তাহত খেলবোৰ কঠিন হৈ পৰিছে। এই মেচখন যোৱা বছৰৰ ফাইনেলৰ পুনৰাবৃত্তি আৰু কেৰালা দলে একেৰাহে দুটা জয়লাভ কৰি কাইলৈৰ খেলখনলৈ আহিছে।'

## যোৱা মেচৰ হতাশা পাহৰি জামছেদপুৰৰ বিৰুদ্ধে সাজু চেন্নাইয়ান

**চেন্নাই, ১৮ নৱেম্বৰ ঃ** যোৱা মেচৰ কথা চেন্নাইয়ান এফ চিয়ে হয়তো পাহৰি যোৱা নাই। উল্লেখ্য যে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হৈ যোৱা অন্তিম মেচত ঘৰুৱা দলটো ৬-২ ত বিধ্বস্ত হৈছিল মুম্বাই চিটীৰ বিৰুদ্ধে। কাইলৈ ঘৰত চেন্নাইয়ান দলে পুনৰ খেলিব জামছেদপুৰ এফ চিৰ বিৰুদ্ধে। উল্লেখ্য যে চলিত ছিজনত গৃহভূমিত এতিয়ালৈকে জয়ৰ পৰা বঞ্চিত হৈ আছে চেন্নাইয়ান। ইফালে, জামছেদপুৰ দলো ঘৰতে হায়দৰাবাদৰ হাতত পৰাস্ত হৈ চেন্নাইলৈ আহিছে। উল্লেখ্য যে যোৱা মেচত প্ৰথমে দুটা গ'ল কৰাৰ পাছতো চেন্নাইয়ানে ২-৬ ত বিধ্বস্ত হয় মুম্বাই চিটীৰ ধাৰাবাহিক আক্ৰমণত। ইয়াৰপূৰ্বে ঘৰতে গোৱাৰ বিৰুদ্ধে ২-০ ত পৰাস্ত হৈছিল দল। উল্লেখ্য যে চেন্নাইয়ানে কলকাতাত একমাত্ৰ গ'লত ইষ্ট বেংগলক হৰুৱাই ঘৰলৈ আহিছিল। ছিজনৰ প্ৰথম মেচত ২-১ ত মোহন বাগানক পৰাস্ত কৰা চেন্নাইয়ানে ঘৰতে বাংগালুৰুৰ বিৰুদ্ধে ১-১ ত ড্ৰ খেলিছিল। ইফালে, জামছেদপুৰ দলে ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাত কাইলৈ চাপত থাকিব। যোৱা মেচত হায়দৰাবাদৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হোৱাৰ পূৰ্বে গোৱাত ৩-০ ত পৰাস্ত হৈছিল জামছেদপুৰ। অৱশ্যে ঘৰত নৰ্থ ইষ্ট ইউনাইটেডক একমাত্ৰ গ'লত হৰুৱাই ছিজনৰ প্ৰথম সফলতা পাইছে দলে। ইয়াৰপূৰ্বে প্ৰথমখন মেচ ঘৰত খেলাৰ পাছতো ওড়িছাৰ বিৰুদ্ধে ৩-২ ত পৰাস্ত হৈছিল জামছেদপুৰ। আনহাতে, দ্বিতীয় মেচত মুম্বাই চিটীৰ লগত ১-১ ত ড্ৰ কৰি পইণ্ট ভগাই লৈছিল। কাইলৈৰ মেচৰ প্ৰাকক্ষণত আজি চেন্নাইয়ানৰ মূখ্য প্ৰশিক্ষক ব্ৰডাৰিকে কয়, 'আমি কাইলৈৰ মেচখনৰ বাবে ৰণনীতি সাজু কৰিছো। কিন্তু সঠিক মুহূৰ্তত সেয়া কাৰ্যকৰী কৰাৰ বাবে দলটোত এক ভাল পৰিৱেশ সৃষ্টি কৰাটো প্ৰয়োজন। সেয়ে যোৱা মেচ আমি পাহৰি গৈছো। জামছেদপুৰ লীগ বিজয়ী যদিও এইবাৰ দলটো সলনি হৈছে আৰু সংগ্ৰাম কৰি আছে। আমি কেনেকৈ ল'ম সেয়া গুৰুত্বপূৰ্ণ।' ইফালে, জামছেদপুৰৰ মুখ্য প্ৰশিক্ষক আইডি বুথ্ৰ'ইডে কয় 'আমি পুনৰ জয়ৰ ছন্দলৈ ঘূৰি আহিব বিচাৰো। মই ভাবো যেতিয়া নিজৰ কামবোৰ ভাল হৈ থাকে তেতিয়া সেইবোৰ বাস্তৱতো ভাল হয়। দলটোৰ কেইটামান দিশত মই সন্তুষ্ট। মই ভাবো চেন্নাইয়ান এজন ভাল প্ৰশিক্ষকৰ সৈতে এটা ভাল দল সেয়ে মই জানো যে কাইলৈৰ নিশাটো অতি কঠিন হ'ব।'

## কিক বক্সিঙত অসম কন্যা ৰেছমিনাৰ ৰূপ

**গুৱাহাটী. ১৮ নৱেম্বৰ ঃ** দিল্লীত অনুষ্ঠিত দ্বিতীয় ৱাকো ইণ্ডিয়ান মুকলি আন্তঃৰাষ্ট্ৰীয় কিক বক্সিং প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰি হাজোলৈ গৌৰৱ কঢ়িয়াই আনিছে ৰেছমিনা বেগমে। উল্লেখ্য যে ব্যক্তিগত শাখাত ৰেছমিনাই ৰূপৰ পদক লাভ কৰে। আজি ৰেছমিনা গুৱাহাটীত উপস্থিত হোৱাৰ লগে লগে বিভিন্ন দল সংগঠনে শুভেচ্ছা জনাই আদৰি আনে হাজোলৈ। হাজোত উপস্থিত হোৱাৰ লগে লগে হাজো ক্ৰীড়া সন্থাৰ সভাপতি দিপাংকৰ মজুমদাৰ, হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া এমব্ৰাৰেল দৈমাৰী, ৰুমি দলে, ধ্ৰুৱজ্যোতি মালাকৰ, মনোজ মেধি, প্ৰশিক্ষক জয়ান আলী, মিণ্টু কলিতা, স্থানীয় কেইবাটাও দল, সংগঠনে শুভেচ্ছা জনায়। আনহাতে বুল্লুট বজাৰ চ'কত পদক বিজয়ী ৰেছমিনাক লৈ স্থানীয় দল সংগঠন আৰু কিক বক্সিঙৰ খেলুৱৈ সকলে শোভাযাত্ৰা কৰি ফুলাম গামোছা, ফুলৰ থোপাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বুল্লুট আঞ্চলিক জাতীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী ৰেছমিনা কুৰবান আলী আৰু তাহিৰন নেছাৰ কন্যা।

## ছাত্ৰ সন্থাৰ শ্বহীদ সোঁৱৰণী ফুটবলৰ সামৰণি

**গুৱাহাটী. ১৮ নৱেম্বৰ ঃ** নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নাহৰকটীয়াবাসী ৰাইজৰ সহযোগত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আৰু জয়পুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত হোৱা শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ বিদ্যালয় শাখাত নামৰূপৰ বি ভি এফ চি এল উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মুকলি শাখাত নাহৰকটীয়া চাহ বাগিচা দলে চুড়ান্ত বিজয়ী সন্মান লাভ কৰিছে। চুড়ান্ত খেল দুখনৰ সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক তচেন ডেকাই উদ্বোধন কৰা প্ৰথম খন চুড়ান্ত খেলত বি ভি এফ চি এল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ক চাডেন ডেথ পদ্ধতিৰ সহায়ত ৬-৫ গ'লৰ ব্যৱধানত পৰাজিত কৰি এই সন্মান লাভ কৰে। নিৰ্ধাৰিত সময়ত খেলখন গল শূন্য ভাৱে সমাপ্ত হোৱাত টাইব্ৰেকাৰৰ সহায় লয় যদিও তাতো মীমাংসা নোহোৱাত চাডেন ডেথৰ পদ্ধতি অবলম্বন কৰে। এই পদ্ধতিত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ে পাঁচ গল কৰাৰ বিপৰীতে বি ভি এফ চি এল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ছটা গল কৰিবলৈ সক্ষম হয়। আনহাতে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দিপাংক কুমাৰ নাথে উদ্বোধন কৰা দ্বিতীয় খন চুড়ান্ত খেলত নাহৰকটীয়া চাহ বাগিচাই নামৰূপ টাউন ক্লাবক ১-০ গলত পৰাজিত কৰি বিজয়ী সন্মান লাভ কৰে। বিজয়ী সূচক একমাত্ৰ গলটো দিয়ে হীৰক গগৈয়ে। প্ৰতিযোগিতাত উপস্থিত থাকে নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জ্যোতিপ্ৰসাদ কোঁৱৰ, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিপু ভূঞা। ইফালে, ফটিক চন্দ্ৰ গগৈৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে খেল পৰিচালনাৰ সভাপতি অজিত শৰ্মা আৰু যুটীয়া সম্পাদক উৎজ্বল বুঢ়াগোঁহাইয়ে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুকলি কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক গৌৰাঙ্গ গগৈয়ে। মুকলি আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ত্ৰিদিপ শইকীয়াই। অনুষ্ঠানটি আঁত ধৰে খেল পৰিচালনাৰ সমিতিৰ সাধাৰণ সম্পাদক বিতোপন গগৈয়ে। প্ৰতিযোগিতাৰ বিদ্যালয় শাখাত শ্ৰেষ্ঠ খেলুৱৈ সমীৰ কোঁৱৰ, শ্ৰেষ্ঠ গলকীপাৰ মৌচুম শইকীয়া, উদীয়মান খেলুৱৈ লোহিত সোণোৱাল আৰু তন্ময় গগৈ তথা শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ বঁটা লাভ কৰে নাহৰকটীয়া ছেণ্ট জেভিয়াৰ্স হাইস্কুলে। অন্যহাতে মুকলি শাখাত শ্ৰেষ্ঠ খেলুৱৈ হীৰকজ্যোতি গগৈ, শ্ৰেষ্ঠ গলদাতা ৰাহুল গগৈ আৰু শৃংখলাবদ্ধ দলৰ বঁটা লাভ কৰে জয়পুৰ চকাৰ চেণ্টাৰ ফুটবল দলে।



# বন্ধুৰ জন্মদিনৰ অন্তৰংগ আলাপ

*৬ পৃষ্ঠাৰ পৰা...* পৰা ব্যক্তিজন এতিয়াও বহুতৰ প্ৰেৰণাৰ আকৰ। আমাৰ বাবে এক জীৱন্ত উদাহৰণ।


খেতিয়কৰ ল'ৰা হিচাপে খেতি-খোলাৰ প্ৰতি থকা আগ্ৰহ আৰু কৰ্মস্পৃহা এতিয়াও অটুট। আন বহুতো মহা মনীষীৰ দৰেই অধ্যয়ন বিলাসী আৰু অধ্যয়নপুষ্ট অথচ প্ৰচাৰ বিমুখ মানুহজন আমাৰ সমবয়সীয়া যদিও আমাৰ অপৈণত সাহিত্য চৰ্চাত উৎসাহ যোগোৱা এজন অন্যতম উদাৰচিতীয়া বন্ধু। তেওঁৰে একান্ত অনুৰোধ আৰু অনুপ্ৰেৰণাত এই প্ৰতিবেদকে 'দৈনন্দিন বাৰ্তা'ৰ অতিথিৰ কলমত কমেও দুবছৰ কাল সাপ্তাহিক স্তম্ভ লেখকৰ দায়িত্বত আছিলোঁ। পৰৱৰ্তী সময়ত অৱশ্যে কোভিডত আক্ৰান্ত হৈ অসম মেডিকেল কলেজৰ আইচিইউত দীৰ্ঘদিন চিকিৎসাধীন হৈ থাকি কোনোৰকম জীৱনটো ঘূৰাই পালোঁ যদিও চিকিৎসকৰ পৰামৰ্শ আৰু দুৰ্বল মানসিক অৱস্থাৰ বাবে ২০২০ চনৰ জানুৱাৰী মাহৰ পৰা সাময়িকভাৱে সেই দায়িত্বৰ পৰা আঁতৰি থাকি পৰৱৰ্তী এই সময়ছোৱাত ছোো-চোৰোকাকৈ দুই-এটা লেখা প্ৰকাশ ওলাই আছে।

ইয়াৰ মাজতে আজৰি পালেই তেওঁৰ স'তে কথা-বতৰা পাতোঁ, সময়ৰ পৰিৱৰ্তনৰ কথা। আলোচনা কৰোঁ- পৰিৱৰ্তনকামী সমাজখনৰ ৰাজনৈতিক অৱক্ষয়ৰ কথা। সমাজৰ গৰিষ্ঠসংখ্যক সৰু সৰু মানুহৰ কৰ্মবিমুখিতা, আৰ্থিক অনাটন, মূল্যবৃদ্ধি প্ৰভৃতিৰ কথা। কেতিয়াবা পংকিলময় ৰাজনৈতিক বাতাবৰণৰ কথা। এয়া বিতৰ্কই লগ নেৰা সময়।

ধৰ্মীয় মেৰুকৰণ জানো আমাৰ ধৰ্মগুৰুসকলৰ শিকনি আছিল? প্ৰভৃতি। অনুভৱ কৰোঁ-

অযথা বৌজাল-বৌজালে ধূসৰিত কৰিছে সময়, সমাজ আৰু আকাশ। সাৰ-পানী যোগাইছে একাংশ পাৱত গজা আৰু তলুৱা চেলেকা সাংবাদিক, শিল্পী অথবা সাহিত্যিকে। এনে এক সন্ধিক্ষণত স্বাভিমান তেওঁৰ দিক্ দৰ্শন। আত্মসহায়ক, আত্মপ্ৰতিষ্ঠা হৃদয়ৰ আহ্বান। সেয়েহে সম্ভৱতঃ ভাল পায় 'কন্যাকা', কন্যকাৰ স্থানীয় উৎপাদনশীলতা। উচ্চাকাংক্ষা, একাগ্ৰতা আৰু আত্মপ্ৰতিষ্ঠাৰ দিশত আকাশ চুব নোৱাৰিলেও এটি এটি কৰি গোটোৱা ধনেৰে পূৰণ কৰিছে বিদেশ ভ্ৰমণৰ আনন্দ, আহৰণ কৰিছে অভিজ্ঞতা। ভ্ৰমণসূচী সম্পূৰ্ণ কৰিছে ইউৰোপৰ দহখন দেশ। সম্পূৰ্ণ কৰিছে দুৰ্গম কৈলাস যাত্ৰাও। খেতিয়কৰ ল'ৰা তেওঁ। জন্ম লখিমপুৰ নগৰৰ পৰা কমেও ২৫ কিলোমিটাৰ নিলগৰ দ'ল'হাত ফুলবাৰীত; য'ত তেওঁ অতিবাহিত কৰিছে জীৱনৰ আদি ভাগ। শৈশৱ-কৈশোৰ আৰু যৌৱন। হাইস্কুলত পঢ়ি থকাৰ সময়ৰে পৰা হাতত তুলি লৈছে কলম। আজিও অব্যাহত আছে এই যাত্ৰা।

বন্ধুৰ কৰ্মস্পৃহা, বহুমুখী প্ৰতিভা আৰু কৰ্মৰাজি আমাৰ বাবে সাগৰসম এক অভিনৱ যাত্ৰা। অকণিৰ মেল, মইনা পাৰিজাত কিম্বা 'শিশু সাহিত্য'কে আদি কৰি বিভিন্ন ক্ষেত্ৰৰ গঠনমূলক সৃষ্টিৰ এইগৰাকী স্ৰষ্টা। এম ই স্কুলত পঢ়ি থকা সময়ৰে পৰা মইনা পাৰিজাতৰ অনুষ্ঠান গঢ় দিয়াৰ নজিৰ দেখা



যায়। ১৯৭২ তে চেমনীয়া চ'ৰাৰ প্ৰথম গুৱাহাটী অধিৱেশনত যোগদান কৰি প্ৰশংসাৰ পাত্ৰ হৈছিল। একে বছৰতে নাওবৈচা আঞ্চলিক ছাত্ৰ সন্থাৰ দুটা কাৰ্যকালৰ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰাৰ খবৰ পোৱা যায়। সাহিত্যৰ জগতত তেখেতৰ প্ৰতিভাই স্বীকৃতি লভিছিল ১৯৭২ চন মানৰ পৰাই। একাধিক লেখা সিঁচৰতি হৈ পৰিছিল অসমৰ কে'বাখনো আগশাৰীৰ বাতৰি কাকত আৰু আলোচনীত। লেখা প্ৰকাশ পাইছিল জনমভূমিৰ যুৱ চ'ৰা, আজিৰ অসম, দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন কাকত, ৰাধিকা মোহন ভাগৱতী সম্পাদিত 'আজিৰ অসম' কাকতৰ তেওঁ আছিল এজন নিয়মীয়া স্তম্ভ-সাধাৰণ মানুহৰ অসাধাৰণ চিন্তা'ৰ ডেৰশৰো অধিক প্ৰেৰণামূলক লেখাৰ লেখক। মনোৰম গগৈ সম্পাদিত অসমীয়া প্ৰতিদিনৰ টেব্‌লয়ড 'সম্ভাৰ'ত বিভিন্ন স্বাদৰ হাস্য-ব্যংগ 'বু-বু বা-বা' শীৰ্ষক এলানি ক'ভাৰ ষ্টৰী প্ৰকাশ পোৱাৰ কথা জানো। যোৱা দশকৰ পৰা বৰ্তমানলৈকে তেখেতো 'দৈনন্দিন বাৰ্তা'ৰ নিয়মীয়া সাপ্তাহিক স্তম্ভ লেখক। ছাত্ৰাৱস্থাতে প্ৰকাশ কৰি উলিয়াইছিল 'আমি হেনো সৰু ল'ৰা' নামে শিশু কবিতা সংকলন।

তেখেতৰ যৌৱন দুৱাৰডলিত লিখা এটা কবিতাৰ স্তৱক ঃ

। আহিল নে কাতি।
জ্বলি থকা জোনটো নামি গ'ল ঘূণাসুতিৰ বুকুলৈ
নিয়ৰ আৰু শেৱালি সৰিল কি নসৰিল
সেউজীয়া সমুদ্ৰ ফালি
মূৰ দাঙি উঠিল সহস্ৰ জোনালী গৰ্ভ।
তেখেতৰ কাপেৰে নিৰ্গত গীত গুচ্ছৰ

প্ৰকাশ পাইছিল-'নেলাগে মোক আকাশী সৰগ' গীতৰ সংকলন। ১৯৮১ চনত স্বীকৃতি লাভ কৰিছিল আকাশবাণীৰ অনুমোদিত গীতিকাৰ হিচাপে। গীতসমূহ পৰিৱেশিত হৈছিল প্ৰতিষ্ঠিত গায়ক লোকনাথ গোস্বামী, কৃষ্ণমণি চুতীয়া, বন্দনা ভাগৱতী, ৰজেন পাঠক, ভৱানী বৰগোহাঁই, লুইত দাস আদিৰ বলিষ্ঠ কণ্ঠত। নিজেও আছিল ভাল গায়ক, আবৃত্তিকাৰ। এখেতৰ সম্পাদনাত প্ৰকাশ পাইছিল অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা আৰু সমাধানমূলক এক বিশেষ গৱেষণামূলক আলোচনী। হিন্দীত প্ৰবীণ উত্তীৰ্ণ লোকজনে অসমীয়া গল্প, প্ৰবন্ধ, সমালোচনামূলক লেখাসমূহৰ উপৰিও হিন্দী ভাষাত কবিতা লিখি সুদূৰ কাশ্মীৰত অনুষ্ঠিত কৰ্মশালাত অধিৱেশনত নিমন্ত্ৰিত আৰু সম্মানিত হোৱাৰ কথা জানিব পাৰিছিলোঁ। ছাত্ৰাৱস্থাৰ পৰাই অতিকে মেধা এই বন্ধুৱে প্ৰৱেশিকা উত্তীৰ্ণ হৈয়ে চাকৰি জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত স্নাতক হৈ 'ইন্দিৰা গান্ধী অ'পেন ইউনিভাৰ্চিটি'ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু চাকৰি জীৱনৰ শেহৰ ফালে অসম গ্ৰামীণ বিকাশ বেংকৰ প্ৰবন্ধকৰ দায়িত্বশীল পদবীৰ পৰা অৱসৰ লয়।

লোকসংগীত আৰু লোকসাহিত্যৰ ওপৰত থকা তেখেতৰ জ্ঞান আৰু চৰ্চা তবধ মানিব লগীয়া। উদাত্ত কণ্ঠে কৰা বৰগীত আৰু জিকিৰ পৰিৱেশন আমি শুনিছোঁ। শ্ৰোতা দৰ্শকে কৰা ভূয়সী প্ৰশংসা আমি দেখিছোঁ।

আমাৰ এই লেখাৰ উদ্দেশ্য কাৰোবাক তোষামোদৰ বাবে নহয়; বৰং ব্যক্তিৰ সুপ্ত প্ৰতিভাক উদ্‌ঘাটনৰ জৰিয়তে জীৱন কালত দিব পৰা সন্মানৰ এক সূক্ষ্ম প্ৰয়াসহে মাথোঁ। এজন লোকৰ প্ৰাপ্য সন্মান আৰু যশ মানক মৃত্যুৰ সোঁৱৰণী সভাত আলোচনা কৰাতকৈয়ো ব্যক্তিজনৰ প্ৰাপ্য সন্মান জীৱনকালত প্ৰদান কৰাৰ যথাৰ্থতা অধিক বুলি আমি বিবেচনা কৰোঁ।

প্ৰসংগতঃ বন্ধু শইকীয়াৰে অলপতে হোৱা এক অন্তৰংগ মুহূৰ্তৰ আলোচনাত তেখেতৰ জীৱনৰ বিস্তৃত এক আভাস পোৱাৰ সৌভাগ্য হৈছিল। জ্ঞান পীপাসু মানুহজনৰ অধ্যয়নৰ প্ৰতি থকা ৰাপ আৰু কিবা এটা জনাৰ কৌতূহল মন কৰিবলগীয়া। পঢ়াৰ আনন্দত পেলনীয়া বাতৰি কাকতৰ টুকুৰা এটাত পোৱা চাকৰিৰ বিজ্ঞাপন এটাই হঠাৎ সলনি কৰিছিল তেওঁৰ জীৱনৰ গতি। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে উল্লিখিত বিজ্ঞাপন আৰু সাক্ষাৎকাৰৰ ভিত্তিত চাকৰিত মকৰল পাইছিল নামৰূপত, হিন্দী শিক্ষক হিচাপে। ইমানতে সামৰণি পৰা নাছিল জীৱন সংগ্ৰাম। অক্লান্ত চেষ্টা আৰু অভ্যাসৰ বলত লাভ কৰিছিল স্নাতকোত্তৰ ডিগ্ৰী। সলনি হৈছিল কৰ্মক্ষেত্ৰ। কৰ্মসূত্ৰে বিভিন্ন ঠাই ভ্ৰমি শেহতীয়াকৈ গ্ৰামীণ বিকাশ বেংকৰ উচ্চ পদস্থ বিষয়া হৈ অৱসৰ গ্ৰহণ কৰে লখিমপুৰৰ কৰ্মক্ষেত্ৰৰ পৰা। সম্প্ৰতি বাৰ্ধক্যজনিত দুই-এটা ব্যাধিয়ে দেখা দিলেও মানসিকভাৱে এতিয়াও দুৰন্ত তৰুণ, মানুহজনৰ একান্ত সংগী এতিয়া কিতাপ অধ্যয়ন। কিতাপৰ উপৰিও তেখেতে পঢ়ি ভাল পায় মানুহ। অধ্যয়ন কৰি ভাল পায় প্ৰকৃতি, গছ লটিকা প্ৰভৃতি। চেষ্টা অব্যাহত ৰাখে প্ৰকৃতি, মানুহ আৰু পুথিৰ সামগ্ৰিক অধ্যয়নযোগে জ্ঞানৰ পূৰ্ণতা প্ৰাপ্তিৰ লক্ষ্য।

সামৰণিত ঃ তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা....।

# প্ৰিয় ব্যক্তিগৰাকীৰ

*৬ পৃষ্ঠাৰ পৰা...* এয়াই মোৰ সৌভাগ্য। সকলো দিশৰ জ্ঞানেৰে ভৰপূৰ এগৰাকী প্ৰতিভাৱান, অনবদ্য ব্যক্তি, আচৰিত যে বৰ্তমান যুৱ প্ৰজন্মকৈও এখোজ আগবঢ়া। প্ৰথমে তেওঁৰ লগত কথা পাতিবলৈ ভয় হৈছিল, এনেকুৱা কিছুমান দিশ আলোচনা হয় তাৰ ওপৰত মোৰ সম্যক জ্ঞানৰো অভাৱ। লাহে লাহে শিকিবলৈ আৰম্ভ কৰিলোঁ জীৱনৰ বহু কথা। জীৱনত প্লেনিং নকৰাকৈ কোনো কাৰ্যত সফল হ'ব নোৱাৰে এই শিক্ষা তেওঁ ৰপৰা ভালকৈ জনা যায়। সাধাৰণ এটা চাকৰি কৰি ঘৰ-সংসাৰৰ দায়িত্ব সূচাৰুৰূপে পালন কৰিও ভাৰতৰ এনে ৰাজ্য নাই য'ত ভ্ৰমণ কৰা নাই। তাৰ উপৰি বহুকেইখন দেশ ভ্ৰমণ কৰিলে একমাত্ৰ সফল প্লেনিঙৰ বাবে। ভ্ৰমণৰ বাবেই যে তেওঁৰ প্লেনিং এনে নহয়, সকলো দিশতে প্লেনিং কৰি আগবাঢ়িছিল। তেওঁৰ কৰ্মৰাজিত দেখা পাওঁ সততা, নিয়মনাৱৰ্তিতা, নিষ্ঠা ইত্যাদি গুণবোৰ। সেইবাবে হয়তো সকলোৰে লগত কম সময়ৰ ভিতৰত এটা সুন্দৰ সম্পৰ্ক গঢ় দিব পাৰে। সামাজিক বান্ধোনটো কেনেকৈ বৰ্তাই ৰাখিব লাগে তেওঁৰ পৰাই শিকিছোঁ। এই সকলোবোৰ দিশৰ উপৰিও তেওঁ আধ্যাত্মিক দিশৰ ওপৰতো সীমাহীন জ্ঞানৰ পৰিসৰ দেখা পাওঁ। শংকৰ মাধৱৰ ৰচনাৱলী তেওঁৰ জিভাৰ আগত। তেওঁৰ যুক্তিসমূহত আদৰ্শ বিচাৰি পাওঁ। এনে এজন ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিক লগ পোৱাটো মোৰ বাবে সঁচাকৈয়ে সৌভাগ্যৰ কথা। মোৰ অনুভৱ হয়, তেওঁক লগ পোৱা মোৰ পলমহে হ'ল। তেওঁ প্ৰতিটো ক্ষেত্ৰতে গাইড কৰিব পাৰে পঢ়া-শুনাৰ দিশতে হওক, সাংসাৰিক দিশত বা প্ৰেমৰ ক্ষেত্ৰতেই হওক, সকলো দিশতে অতি সুন্দৰভাৱে গাইড কৰিব পাৰে আৰু সকলো হয়। তেওঁৰ বিষয়ে কৈ থাকিলে কেতিয়াও শেষ কৰিব নোৱাৰিম। এয়া মোৰ সম্যক জ্ঞানেৰে আজি তিনি বছৰত যি দেখা পাইছোঁ সেয়াহে প্ৰকাশ কৰিছোঁ। যোৱা ৭ নৱেম্বৰত অভিনৱ থিয়েটাৰে অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় নাট মহোৎসৱত ছাৰক অভিনৱ এৱাৰ্ড প্ৰদান কৰে এজন বিশিষ্ট সাংস্কৃতিক সাধক হিচাপে। খবৰটিয়ে সঁচাকৈয়ে গৌৰৱান্বিত কৰালে যোগ্য ব্যক্তিক যোগ্য সন্মান যাচিছে। এই সুযোগতে ছাৰলৈ আন্তৰিক অভিনন্দন আৰু বহু শুভেচ্ছাৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

# অসাৰ্থক জীৱনৰ দস্তাৱেজ

*৬ পৃষ্ঠাৰ পৰা...* কথা, কল্পনাৰ কথা মোৰ আয়ে কৈ কৈ মোক মহাকাশ কিয় ব্ৰহ্মাণ্ড বিচৰণ কৰোৱাইছিল। হয়তো সেইবাবেই প্ৰতিভা, দক্ষতা আৰু সাহসৰ অভাৱৰ পিছতো প্ৰাথমিক বিদ্যালয়ৰ ভূচিত্ৰাৱলীখন চাই চাই টেমছ নদী পাৰ হোৱাৰ স্বপ্ন দেখিছিলোঁ। কল্পনাৰ প্ৰশান্ত সাগৰত সাঁতুৰিবলৈ শিকিছিলোঁ, সপোনৰ অনন্ত সমুদ্ৰত সাঁতুৰি জীৱনটো যে এক উৎসৱ হ'ব পৰে, উৎসৱত পৰিণত কৰিব পাৰি সেই কথা অনুভৱ কৰিছিলোঁ। সেইবাবেই হয়তো পৃথিৱীৰ সৰ্ব কঠিন কৈলাস যাত্ৰাৰ স্বপ্নই হাইস্কুলীয়া জীৱনতে ঘৰ কৰিছিলহি মনৰ মণিকোঠাত।

গ্ৰাম্য কৃষক পৰিয়ালৰ জিৰণিবিহীন, পৰিশ্ৰমসৰ্বস্ব, অথচ নিস্ব দৈনন্দিন জীৱন যন্ত্ৰণাই এদিন যে মোক গাঁও এৰিবলৈ বাধ্য কৰাইছিল। ভেনচাৰ স্কুলৰ পৰা প্ৰাইভেটকৈ হাইস্কপল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ দুদিনমান কলেজলৈ অহা-যোৱা কৰিছিলোঁ। এৰী আৰু কপাহী সূতাৰে আয়ে বৈ দিয়া চাদৰেৰে চিলোৱা এটি কামিজ আৰু তাত সাধাৰণ কাপোৰৰ একেটা লংপেণ্টেৰে কলেজৰ আঢ্যৱন্তসকলৰ লগত শাৰী পোনাই বিজ্ঞানৰ ছাত্ৰ হৈ প্ৰি-ডিগ্ৰীত বেছিদিন টিকি থকা সম্ভৱ নহ'ল।

ভাগ্যে, শৈশৱৰ পৰা কিতাপ পঢ়াৰ পোকে বেয়াকৈ আক্ৰান্ত কৰাৰ ফলত বিশ্বৰ, সংগ্ৰামী সফল মানুহৰ জীৱন কাহিনীয়ে, জীয়াই থাকিবলৈ, যুদ্ধ কৰিবলৈ অভাৱনীয় প্ৰেৰণা প্ৰদান কৰিছিল। সেইসকলৰ ভিতৰত কৰ্ণ, কৃষ্ণ, মেক্সীম্‌গৰ্কী, টমাছ আলভা এডিচন আদিৰ জীৱন সংগ্ৰাম আৰু সফলতাৰ কাহিনী আছিল মোৰ প্ৰেৰণাৰ পৰম উৎস।

বাহিৰা কিতাপ পঢ়াৰ সমান্তৰালভাৱে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অৱস্থাৰ পৰাই অসমৰ বিভিন্ন কাকত-আলোচনীৰ শিশু চ'ৰাবোৰত নিয়মীয়াকৈ লিখিবলৈ আৰম্ভ কৰিছিলোঁ। গাঁৱৰ ঘৰৰ হাজাৰটা কামৰ মাজতো ২৫ কিঃমিঃ চাইকেল কোবাই নগৰলৈ আহি কাকত-আলোচনী কিনা, জিলা পুথিভঁৰালৰ কিতাপ সলোৱা প্ৰকৃততে অতি কষ্টসাধ্য আছিল। তেনে এক কাকতালীয় সংযোগতে এদিন লগ পাই গ'লোঁ। মোৰ নিঃকিন বৌদ্ধিক জীৱনৰ পিছলৈ গুৰু হৈ পৰা অসমৰ বিশিষ্ট সাংবাদিক, লেখক, অসমৰ সৰ্বপ্ৰথম পূৰ্ণাংগ ক্ৰীড়ালোচনী 'ক্ৰীড়া সংবাদ'ৰ সম্পাদক, প্ৰকাশক হাৰুনুল ৰছিদ দাক। ৰছিদ দাই বাটৰ পৰা বুটলি আনি সেই সময়ত (১৯৭৫-৭৬) লখিমপুৰৰ পৰা প্ৰকাশিত 'ন-লখিমী' কাকতৰ সহকাৰী সম্পাদকৰূপে মোক আত্মনিয়োগ কৰাৰ সুযোগ দি এক নতুন জীৱন দান কৰিলে। তেওঁৰ আন্তৰিক স্নেহ, আশীৰ্বাদেই মোৰ পিছৰ জীৱনৰ পাথেয় হৈ ৰ'ল আৰু আজিও তেখেতৰ সেই স্নেহ, সেই প্ৰেম মোৰ পৰম প্ৰেৰণা হৈ আছে।

আঞ্চলিক বাতৰি কাকতৰ অনিশ্চিত ভৱিষ্যতৰ ভয়ত এদিন এই সকলোবোৰ এৰি নামৰূপ থাৰ্মেল পাৱাৰ ষ্টেচনৰ হিন্দী মাধ্যমৰ স্কুল কমপ্লেক্সত সহকাৰী শিক্ষক হিচাপে যোগ দিলোঁগৈ ১৯৭৬ চনত। ইতিমধ্যে মই অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰা হিন্দীৰ প্ৰবীণ পাছ কৰি আছিলোঁ। কলেজৰ নিয়মীয়া ছাত্ৰ হোৱাৰ সৌভাগ্য জীৱনত নঘটিল। প্ৰাইভেটকৈ প্ৰি-ডিগ্ৰী আৰু বি এ পাছ কৰিলোঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা। সেই সময়ত অসমীয়া কাকত-আলোচনীৰ উপৰিও দেশৰ কে'বাখনো হিন্দী আলোচনীত মোৰ হিন্দীত লেখা প্ৰকাশ হ'বলৈ ধৰে। সেই সুবাদতে এদিন ভাৰত চৰকাৰৰ হিন্দী মন্ত্ৰালয় নৱহিন্দী লেখক শিবিৰলৈ নিৰ্বাচন কৰি ১৯৮১ত জম্মুলৈ নিমন্ত্ৰণ কৰিলে। তেতিয়ালৈ লোক সংগীতৰ একান্ত চৰ্চা আৰু সাধনাত মই মগ্ন হৈ পৰিছিলোঁ। জম্মু শিবিৰত বিহু গীত হিন্দীলৈ অনুবাদ কৰি পৰিৱেশন কৰি প্ৰশংসা পইছিলোঁ। জম্মু ৰেডিঅ' ষ্টুডিঅ'লৈ মাতি নি ৰেকৰ্ড কৰি প্ৰচাৰ কৰিছিল। তেনে এক শিবিৰলৈ ১৯৮৪ চনতো হায়দৰাবাদলৈ গৈছিলোঁ।

অসমীয়া লোক সংগীতৰ প্ৰায়বোৰ ধাৰাৰে চৰ্চা অব্যাহত ৰখাৰ ফলতে বোধহয় জয়কান্ত গন্ধীয়াৰ সৰ্বপ্ৰথম বিহু গীতৰ কেছেট 'মোৰ ধন মইনা'ত বিহুনামৰ পুৰুষ কণ্ঠৰ লিড কৰিবলৈ মই সুযোগ পাইছিলোঁ ১৯৯০-৯১ চনত। সেই সময়ত আকাশবাণী আছিল সৰ্বাধিক জনপ্ৰিয় মাধ্যম। গীত- ৰচনাৰ হেঁপাহে সেই সময়ত মোক উদ্বাউল কৰি তুলিছিল। ফলত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা গীতিকাৰ ৰূপে স্বীকৃতি লাভ কৰি উৎসাহিত হৈ উঠিছিলোঁ। লোকনাথ গোস্বামী, ভৱানী বৰগোহাঁই, লুইত দাস, কৃষ্ণমণি চুতীয়া, উমেশ গগৈ আদি বহু শিল্পীৰ কণ্ঠত মোৰ ৰচনাই প্ৰাণ পাই উঠিছে।

১৯৮১ত আন এক অঘটন। জম্মুৰ নৱ হিন্দী লেখক শিবিৰলৈ ৰে'লেৰে দিল্লী হৈ অহা-যোৱা কৰোঁতে সহযাত্ৰী হিচাপে এনে দুজনমান সহযাত্ৰী পালোঁ যে তেওঁলোকে হিন্দী নেজানে, কিন্তু ইংৰাজী ফুটে আখৈ ফুটাদি। মই ইংৰাজীত বাক্য এটাও ক'ব নোৱাৰোঁ। তেওঁলোকৰ লগত কথা-বতৰা পাতিব নোৱাৰি, একপ্ৰকাৰ বেয়া হীনমন্যতাত ভুগিবলৈ ধৰিলোঁ। আনন্দময় সেই গোটেই যাত্ৰাটো এক নিৰানন্দত পৰিণত হ'ল। তেতিয়াই পণ কৰিলোঁ যে কথিত ইংৰাজীত নিজৰ দক্ষতা আৰ্জন কৰিবই লাগিব। ফলস্বৰূপে তাৰ পৰা ঘূৰি আহিয়ে ৰেডিঅ'ৰ যোগেদি, এআইআৰ, বিবিচি, ভিঅ'এৰ ইংৰাজী বাতৰি আৰু English Learning প্ৰ'গ্ৰামবোৰৰ নিয়মীয়াকৈ শ্ৰৱণ আৰু অনুশীলন আৰম্ভ কৰিলোঁ। লগতে বাংলা ভাষাৰো। ইংৰাজী, বাংলা আৰু হিন্দীৰ কাতত-পত্ৰ, আলোচনীৰ পঠন লগত আছিলেই। দুজনমান বন্ধুৰ সৈতে অনুশীলনো চলি আছিল।

অৱশেষত তিনি বছৰমান ধাৰাবাহিক সাধনাৰ ফলত সেই বিষয়ত এক আত্মবিশ্বাস আৰু সাধাৰণ দক্ষতা লাভ কৰিবলৈ সক্ষম হ'লোঁ। ফলস্বৰূপে ২০১৪-১৫ত ইউৰোপ ভ্ৰমণ কালত উচ্চাৰণৰ সচৰাচৰ বিজুতিৰ বাহিৰে বিশেষ অসুবিধাৰ সন্মুখীন নহ'লোঁ। ভাষা একোটা শিকাৰ ক্ষেত্ৰত ৰেডিঅ'ৰ নিউজে যে এক শক্তিশালী ভূমিকা পালন কৰে, সেই কথা সম্প্ৰতি নৱপ্ৰজন্মক মই প্ৰায়ে কৈ আহিছোঁ।

ডিগ্ৰী সামৰি ৰাজস্থান বিশ্ববিদ্যালয়ৰ Distance পাঠ্যক্ৰম সমাজতত্ত্বত এমএ কৰি থাকোঁতেই পিতৃ-মাতৃৰ আদেশ শিৰোধাৰ্য পূৰ্বক তেওঁলোকৰ নিৰ্বাচন মতেই প্ৰিয়ম শইকীয়াৰ সৈতে সংসাৰ যাত্ৰা আৰম্ভ কৰিলোঁ, লগে লগে অসম গ্ৰামীণ বিকাশ বেংকৰ বিষয়া হিচাপে নতুন চাকৰিত যোগ দি বিদ্যাৰ্থী জীৱনৰ সামৰণি মাৰিলোঁ। একে সময়তে এচিএছ পৰীক্ষাৰ Viva পৰ্যন্ত দিও মকৰল সম্ভৱ নহ'ল। আমেৰিকাৰ পেনচিলভেনীয়া বিশ্ববিদ্যালয়ত এমবিএ পঢ়িবৰ সুযোগ পায়ো অৰ্থনৈতিক আৰু অন্য আনুষংগিক কাৰণত সেই আশা পূৰণ কৰিব নোৱাৰিলোঁ।

স্বপ্নাতুৰ মানুহ আছিলোঁ কাৰণেই কৈলাস-মানস-সৰোবৰ যাত্ৰাৰ সপোনে মোৰ লগ এৰা নাছিল। সেই স্বপ্নই বছৰ ৫২-৫৩ বছৰ বয়সত ২০০৮-০৯ত এক বাস্তৱ ৰূপ পালে। আইৰ অনুমতি ল'বলৈ গ'লোঁ, আয়ে ক'লে 'যা'। কৈলাস পৰিক্ৰমাতকৈ কৈলাসৰ আন্তঃভ্ৰমণ বহু বেছি কঠিন। মানস সৰোবৰৰ আগলৈ 'দৰ্শন' নামৰ স্থানৰ পৰা কুবেৰ ক্ষেত্ৰৰ মাজেদি প্ৰায় বৰফৰ বৰষুণৰ মাজেদি ১৮/২০ কিঃমিঃ খোজ কাঢ়ি কৈলাস পৰ্বতৰ সমুখ বা সমীপলৈ যাব পাৰি। (-) ১০-১৫ ডিগ্ৰী ছেলছিয়াছ শীত চলি থাকে। ১৮/২০ কিঃ মিঃ খোজ কাঢ়ি কৈলাস পৰ্বতৰ কাষ পাবলৈ প্ৰায় ১২/১৩ ঘণ্টা লাগি যায়। বিশ্বৰ প্ৰায় তিনি কুৰি যাত্ৰীৰ ভিতৰত গন্তব্যস্থানত উপস্থিত হৈছিলোঁ মাথোঁ ১৩জন যাত্ৰী। তাৰ ভিতৰত এজন ময়ো আছিলোঁ। ইয়াৰ আগৰ দিনা কে'বাজনো যাত্ৰীয়ে সেই যাত্ৰাত প্ৰাণ হেৰুৱাইছিল। সেই যাত্ৰাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ মোক ছমাহতকৈও বেছি সময় প্ৰয়োজন হৈছিল। প্ৰবল ইচ্ছা শক্তিয়ে সফলতাৰ একমাত্ৰ সোপান, সেই কথাৰ প্ৰমাণ পালোঁ, কৈলাস মানস-সৰোবৰ যাত্ৰাত। একেৰাহে বাৰ বছৰ সাঁচি ৰখা সপোন আৰু সেই অৰ্থত কৰা যত্নৰ পিছতহে সেই স্বপ্ন সাকাৰ হৈ উঠিছিল।

এনেবোৰ মোৰ আহুকলীয়া চখৰ মাজতে সাহিত্যৰ চৰ্চা অব্যাহত আছিল। কিছুমান কাগজত কলম আৰু ধাৰাবাহিক হিচাপে লিখাৰ সুযোগ পাইছিলোঁ। তাৰ ভিতৰত ৰাধিকা মোহন ভাগৱতী সম্পাদিত 'আজিৰ অসম' কাকতৰ 'সাধাৰণ মানুহৰ অসাধাৰণ কথা', তিনিদিনীয়া অগ্ৰদূতৰ ব্যংগ শিতান 'বু-বু-বা-বা', আন এখন পত্ৰিকাৰ 'চহকী মানুহৰ সান্নিধ্য' আদিত শতাধিক লেখা ছপা হৈছিল। মনোৰম গগৈ সম্পাদিত টেবলয়ড 'সম্ভাৰ'ত অৰ্ধশতাধিক, বিভিন্ন বিষয়ৰ তথ্যসম্বলিত ক'ভাৰষ্টৰী লিখি আনন্দ পাইছিলোঁ।

১৯৮৬ত নামৰূপৰ চাকৰি এৰি অসম গ্ৰামীণ বিকাশ বেংকৰ বিষয়া হিচাপে যোগদান কৰাৰ পিছত চৰ্চাবোৰ কিছু পৰিমাণে শিথিল হৈছিল যদিও ব্যাহত হোৱা নাছিল। বেংকত চাকৰি কৰি থকাৰ সময়তে কিছু অনুবাদৰ কামো কৰিছিলোঁ। মোৰ প্ৰকাশিত আৰু অপ্ৰকাশিত গ্ৰন্থৰ চুটি তালিকা এখন এই পৃষ্ঠাতে দিয়া হৈছে।

এইবোৰ লিখি মোৰ ফটা ঢোলটো বজাবলৈ প্ৰকৃততে কোনো আগ্ৰহ নাই, কিন্তু লিখিছোঁ এটা কথা ক'বৰ কাৰণে। কথাটো এয়ে যে আজিও প্ৰতিভা বিকাশ আৰু আত্মপ্ৰতিষ্ঠাৰ বাবে অসমৰ পীঠস্থান কেৱল গুৱাহাটী। সাহিত্য, সংগীত, সাংবাদিকতা, চিনেমা, ৰাজনীতি আদি যিকোনো ক্ষেত্ৰত নিজকে সু-প্ৰতিষ্ঠিত কৰিবলৈ হ'লে গুৱাহাটী আৰু ইয়াৰ অতি নিকটৱৰ্তী বাসিন্দা হ'বই লাগিব। অসমৰ অন্য কোনো ঠাইত থাকি, অফুৰন্ত প্ৰতিভা লৈয়ো, আজীৱন সাধনা কৰিও মানুহ প্ৰকৃত সফলতা, প্ৰাপ্য স্বীকৃতি লাভ নকৰে। ই হৈ পৰে অসাধ্য সাধন। মোৰ দৰে বহুতেই এনে যন্ত্ৰণাৰে ভাৰাক্ৰান্ত।

মোৰ প্ৰতিভা আছে বুলি দম্ভালি মৰাৰ ধৃষ্টতা নকৰোঁ। কিন্তু চকুৰ আগতে অফুৰন্ত প্ৰতিভাৰ অনাকাংক্ষিত সম্বৰণ, সামৰণ দেখিলোঁ আৰু দেখিয়েই আছোঁ।

আয়ে কৈছিল, অদ্বিতীয় হ'ব নোৱাৰিলে জীৱন বৃথা। অদ্বিতীয় বাদেই তৃতীয়, চতুৰ্থ শ্ৰেণীৰ মনুষ্য হোৱাটোও সম্ভৱ নহ'ল। ইতৰ প্ৰাণীৰ দৰে জীৱন এটা কটাই আছোঁ, কটাই দিলোঁ।

জীৱনটোত উৎসৱ কৰা নহ'ল, জীৱনটো উদ্‌যাপন কৰাও নহ'ল। তথাপি আইৰ উপদেশ মানি আজিও সপোন দেখোঁ, মানুহৰ বাবে, পৃথিৱীৰ বাবে অদ্বিতীয় কিবা এটা কৰি যোৱাৰ। কল্পনা আৰু স্বপ্নবিলাকেই জীৱনৰ সঞ্জীৱনী।

আজিও মই কল্পনা বিলাসী, স্বপ্ন বিলাসী।

*ফোন ঃ ৭০০২৪১৯৪৯৭*

# মোৰ ভাতৃপ্ৰতিম বিপিন শইকীয়া



*৬ পৃষ্ঠাৰ পৰা...* আদি বাতৰি কাকতৰ চেমনীয়া চ'ৰাত লিখা-লিখি কৰি এজন প্ৰতিষ্ঠিত চেমনীয়া লেখক।

আমাৰ চিনাকী-পৰ্ব শেষ হোৱাৰ পিছত মই তেওঁক ন-লখিমীৰ ভাইটী-ভণ্টীৰ চ'ৰাত নিয়মীয়াকৈ লিখি যাবলৈ অনুৰোধ জনালোঁ। তেৰোঁ লগে লগে মান্তি হৈ গ'ল আৰু ন-লখিমীৰ পিছৰ সংখ্যাটোৰ পৰাই তেওঁ লিখা দিবলৈ ল'লে। তেওঁৰ লিখাবোৰ যথেষ্ট ভাল আছিল। কিছুদিনৰ পিছত মই তেওঁক ন-লখিমীৰ সহযোগী সম্পাদক হিচাপে যোগদান কৰিবলৈ ক'লোঁ। যোগদান কৰাৰ পিছত মই তেওঁক ভাইটি-ভণ্টীৰ চ'ৰটো চলাবলৈ দিয়াৰ লগতে ষ্টাফ ৰিপ'ৰ্টাৰৰ কাম কিছুমানো কৰিবলৈ দিলোঁ। সকলোবোৰ কামেই তেওঁ সূচাৰুৰূপে কৰিবলৈ ল'লে। পিছলৈ এনেকুৱা হ'লগৈ যে মই তেওঁক কিবা এটা ক'বলৈ লোৱাৰ পূৰ্বেই যেন তেওঁ সকলো বুজি উঠে। এবাৰ নগাঁৱৰ কামপুৰত অসম সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। মাজত মাত্ৰ দুদিন। আমাৰ কাকতখনো দুদিনৰ পিছতে পৰৱৰ্তী সংখ্যাটো প্ৰকাশ পাব। তেওঁক ক'লোঁ- বিপিন, কামপুৰ সাহিত্য সভাৰ ওপৰত লিখা এটা লাগিব নহয়। তেওঁ ক'লে— হ'ব ৰছিদ দা, ষ্টাফ ৰিপ'ৰ্টাৰৰ নিউজ হ'ব লাগিব ন? মই কোৱাৰ আগতেই নিউজটো কেনে হ'ব, তেওঁ ধৰি ল'লে আৰু সেইমতে অতি সুন্দৰকৈ নিউজটো কৰিলে। কাকতখন প্ৰকাশ পোৱাৰ পিছত গোটেই সাহিত্য সভাৰ কাৰ্যক্ৰমণিকাবিলাকৰ লগত সকলো মিলি গৈছিল। কোনো মানুহৰ ধৰিবলৈ সাহস নাছিল যে নিউজটো ন-লখিমীৰ কাৰ্যালয়তে বহি লিখা বুলি। অদ্ভুত গুণ আছিল বিপিন শইকীয়াৰ।

চিনাকী হোৱাৰ পিছৰে পৰা বিপিন শইকীয়া মোৰ পৰিয়ালৰ এজন সদস্যৰ দৰে হৈ পৰিছিল। ভণ্টীকেইজনীয়ে তেওঁক বিপিনদা বুলি সম্বোধন কৰিছিল। দেউতা-মায়ে তেওঁক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল। দেউতাই তেতিয়া কয়লামাৰী চাহ বাগিচাত চাকৰি কৰিছিল। শনিবাৰে দেউতা ঘৰলৈ আহিলে সেইদিনা বিপিন আমাৰ ঘৰতে থাকিব লগা হৈছিল। দেউতা-মায়ে তেওঁক অত্যন্ত মৰম কৰিছিল। তেনেকৈয়ে তেওঁ আমাৰ পৰিয়ালৰ দেৰগাঁও আৰু ডিব্ৰুগড়ত থকা পৰিয়ালবোৰৰো আপোন হৈ পৰিছিল। দেৰগাঁৱলৈ যাওঁতে যাওঁতে তেতিয়াৰ বিশিষ্ট জিকিৰ গায়ক তথা সাধক ৰেকিবুদ্দিন আহমেদৰ সৈতে চিনাকী হ'ল। পিছত ৰেকিবুদ্দিন আহমেদৰ ঘৰতে থাকি বিপিনে জিকিৰৰ চৰ্চা কৰিবলৈ ল'লে। তাৰ পিছৰে পৰা বিপিনেও সুন্দৰ জিকিৰ গাব পৰা হৈ পৰিল। এতিয়াও বিপিনে সুন্দৰ জিকিৰ গায়।

বক্তা হিচাপেও বিপিন এজন সুবক্তা। যিকোনো বিষয়বস্তুৰ ওপৰতে তেওঁ বক্তৃতা দিব পাৰে। সেয়া লাগে অসমীয়া, হিন্দী বা ইংৰাজীয়েই হওক। এইটো যেন তেওঁৰ ঈশ্বৰ প্ৰদত্ত এটা বিশেষ গুণ। আনকি ভাঙি যোৱা সভাতো তেওঁৰ বক্তৃতা শুনি সভালৈ পুনৰ মানুহ উভতি অহাৰ নজিৰ আছে। এনেকৈয়ে তেওঁ সুদূৰ নেপাল আৰু থাইলেণ্ডতো বক্তৃতা দি আহিছে।

ন-লখিমীত চাকৰি কৰি থকাৰ কিছুদিনৰ পিছতে তেওঁ নামৰূপত শিক্ষকৰ চাকৰি এটা পাই তালৈ গুচি যায়। কিন্তু আমাৰ সম্পৰ্কত কোনোধৰণৰ যতি পৰা নাছিল। মই তেওঁৰ তালৈ গৈছিলোঁ। তেৰোঁ মোৰ তালৈ আহি আছিল মাজে মাজে। চিঠি-পত্ৰৰো আদান-প্ৰদান চলি আছিল নিয়মীয়াকৈ। তেওঁ নামৰূপত চাকৰি কৰি থাকোঁতে ময়ো ন-লখিমীৰ পৰা পদত্যাগ কৰিলোঁ। তেতিয়া মই অসমৰ প্ৰথমখন ক্ৰীড়া আলোচনী 'ক্ৰীড়া সংবাদ'ৰ প্ৰকাশক আৰু সম্পাদক। কিন্তু ন-লখিমীত থাকোঁতে ন-লখিমীৰ বাবে আমি যিখিনি কৰি আহিলোঁ সেয়া ইতিহাসত সোণালী আখৰেৰে নিশ্চয় লিখা থাকিব। ছয় পৃষ্ঠাৰ কাকতখন মই যোগদান কৰিয়েই বাৰ পৃষ্ঠাৰ কৰিলোঁ। বাতৰিবোৰ গুৰুত্ব আৰু গুণ অনুযায়ী সজাই প্ৰকাশ কৰিবলৈ ল'লোঁ। পূৰ্বতে যিকোনো বাতৰি কাকতখনৰ পৃষ্ঠা ভৰাব লাগে বাবেই য'তে-ত'তে দি প্ৰকাশ কৰা হৈছিল। মই সেইবোৰ নিয়মীয়াকৈ প্ৰকাশ কৰিবলৈ ল'লোঁ। বিপিনে মোক এই ক্ষেত্ৰত সহযোগী হিচাপে যথেষ্ট সহায় কৰিছিল। এটা সময়ত অসমৰ আটাইতকৈ পুৰণি সাপ্তাহিক জনমভূমিয়ে তেওঁলোকৰ বিশেষ এটা সংখ্যাত ন-লখিমীৰ কথাও লিখিছিল। আনকি তিনিচুকীয়াৰ এছআৰ বৈদ্য নামৰ এজন এজেণ্টে তেওঁলৈ নিয়মীয়াকৈ তিনি হাজাৰ কপি কাকত পঠাবৰ বাবে টেলিগ্ৰামো কৰিছিল। এইবোৰ এতিয়া অতীত, কিন্তু সত্য। ভাল লাগিছিল আমাৰো। এই স্বীকৃতি আনে দিয়ক-নিদিয়ক, আমি আমাৰ কাম আৰু কষ্টৰ বিনিময়ত ৰাইজৰ পৰা এই স্বীকৃতি লাভ কৰিছিলোঁ।

মই ন-লখিমী ত্যাগ কৰাৰ পিছত কাকতখন পুনৰ ছয় পৃষ্ঠাৰ হৈ পৰিল। কাকত এখনৰ যিটো গতি-প্ৰকৃতি থাকিব লাগে, সেইটোও নোহোৱা হৈ পৰিল। কাকত এখন ওলাই থাকিব লাগে বাবেই যেন ওলাই থাকিল। আগৰ কোনো লেখকৰে লেখা আদিও প্ৰকাশ নোহোৱা হ'ল। এই কথাই আমাক যথেষ্ট মনোকষ্ট দিছিল। কিন্তু কোনো উপায়ো নাছিল আমাৰ তেতিয়া। এইদৰে কিছুদিন যোৱাৰ পিছত মই গুৱাহাটীৰ পৰা প্ৰকাশিত 'আজিৰ অসম' কাকতৰ লখিমপুৰস্থ 'বিশেষ প্ৰতিনিধি' হিচাপে নিযুক্তি পালোঁ। বিপিনেও শিক্ষকৰ চাকৰি এৰি গাঁৱলীয়া বেংকৰ চাকৰিত যোগদান কৰিলে। অৱশ্যে আমি ন-লখিমীত থকা সময়ত আমাৰ লগত আছিল অসমৰ বিশিষ্ট ক্ৰীড়া সাংবাদিক প্ৰয়াত যতীন শইকীয়া আৰু মোৰ বন্ধু বৰ্তমান ডিব্ৰুগড়ৰ নিৱাসী ৰণজিৎ বৰুৱা।

লিখিবলৈ কিন্তু কোনো এজনেই এৰা নাছিল। বিপিনে 'আজিৰ অসম' কাকতত নিয়মীয়াকৈ লিখিলে 'সৰু সৰু মানুহৰ অসাধাৰণ কথা', 'অগ্ৰদূত' কাকতত বু বু, বা বা, 'দৈনিক বাতৰি কাকত'ত সাধাৰণ মানুহৰ অসাধাৰণ কথা' শীৰ্ষক এলানি মন পৰশা কাহিনী। সেই সময়ত তেওঁৰ এই লিখনীয়ে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল। উল্লেখ কৰা ভাল হ'ব যে লেখাসমূহ কিতাপ আকাৰে প্ৰকাশ পালে নৱ-প্ৰজন্মৰ বাবে বহু মূল্যৱান সম্পদ হ'ব।

২০০০ চনত বিপিন শইকীয়া অসম গ্ৰামীণ বিকাশ বেংকৰ ভোগপুৰ চাৰিআলি শাখালৈ শাখা পৰিচালক হিচাপে বদলি হৈ আহিল। তেতিয়া আমি সম্প্ৰচাৰ কৰিবলৈ ল'লোঁ স্থানীয় 'কেব্‌ল চেনেল'ৰ যোগেদি আঞ্চলিক বাতৰি নামৰ এখন সাপ্তাহিক নিউজ বুলেটিন। বুলেটিনখন পিছলৈ লখিমপুৰৰ লগতে বিহপুৰীয়া, ঢকুৱাখনা আৰু ধেমাজিতো একেবাৰতে আৰু একে সময়তে কেব্‌ল টিভি চেনেলযোগে সম্প্ৰচাৰিত হৈছিল। এই বুলেটিনখন ২০০৪ লৈকে নিয়মীয়াকৈ চলি আছিল যদিও পিছত নানা কাৰণত সেইখনৰ সম্প্ৰচাৰ বন্ধ কৰি দিবলগীয়া হয়।

এনেকৈ আমি চলি আছিলোঁ। কিন্তু মই সাংবাদিকতা কেতিয়াও বাদ দিয়া নাছিলোঁ। তেতিয়া মই গুৱাহাটীৰ পৰা প্ৰকাশিত 'অসমীয়া খবৰ'ৰ লখিমপুৰস্থ 'বিশেষ প্ৰতিনিধি'। বিপিন তেতিয়া বেংকৰ স্থানীয় আঞ্চলিক কাৰ্যালয়ৰ বিষয়া। কিন্তু এইখিনিতে এটা কথা উল্লেখ কৰিবলৈ মন গৈছে— লখিমপুৰ জিলাত আজীৱন সাংবাদিকতা কৰা ময়েই একমাত্ৰ ব্যক্তি আছিলোঁ।

ইতিমধ্যে মই সাংবাদিকতাৰ জগতখনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিলোঁ। কিছুদিনৰ পিছত বিপিন শইকীয়ায়ো বেংকৰ পৰা অৱসৰ লৈ জীৱনৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰে এটা বিত্তীয় প্ৰতিষ্ঠানৰ পৰিচালক হিচাপে যোগদান কৰি। ইয়াৰ মাজতো আমাৰ মাজত কিন্তু ভাতৃত্বসুলভ সম্পৰ্ক পূৰ্বৰ দৰেই আছিল। কোনেও কাকো এৰিব পৰা নাই। এৰিব নোৱাৰোঁ। তাৰ মাজতে বিপিনে বোৱাৰী আনি নাতিৰ মুখো দেখিলে। ছোৱালী এজনীও আছে। বিয়া দিয়া নাই তাইক। মোৰ ল'ৰা এটা। সি বাংগালুৰুত এমবিএ কৰি তাতে চাকৰি এটা কৰি আছে। ক'ব নোৱাৰোঁ, পূৰ্ব জন্মত আমি দুয়ো সহোদৰ ভাতৃয়েই আছিলোঁ নেকি? গতিকে সম্পৰ্ক আমাৰ আজিও অটুট সেই সম্পৰ্ক।

বিপিনে ইতিমধ্যে 'উৎকণ্ঠাৰ এনিশা' নামৰ এখন উপন্যাস আৰু 'নালাগে মোক' আকাশীগংগা নামৰ দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। প্ৰথমখন উপন্যাস আৰু দ্বিতীয়খন গীতৰ সংকলন। তদুপৰি অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত তেওঁৰ অসংখ্য প্ৰবন্ধ-পাতি সিঁচৰতি হৈ আছে। সেইবোৰ গোটাই কিতাপ আকাৰে প্ৰকাশ কৰিলে কে'বাখনো মূল্যৱান কিতাপ হ'ব বুলি ভাবোঁ। তদুপৰি 'সম্ভাৰ'ত প্ৰকাশিত অসমৰ আৰু ভাৰতৰ অৰ্থনীতিৰ ওপৰত লিখা এলানি সুকীয়া আৰু মূল্যৱান প্ৰবন্ধ আছেই।

বৰ্তমান তেওঁ লখিমপুৰৰ 'বিয়লি' নামৰ বয়োজ্যেষ্ঠসকলৰ কল্যাণৰ বাবে গঠিত অনুষ্ঠানটোৰ লগত জড়িত থকাৰ উপৰিও তেওঁ লখিমপুৰত গঠিত সচেতন নাগৰিক মঞ্চৰ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰি আছে। তেওঁৰ কাৰ্যকালতে এই মঞ্চখনে ইতিমধ্যে কে'বাটাও গুৰুত্বপূৰ্ণ কাম সমাধা কৰিছে।

বিপিন শইকীয়াই নামৰূপত চাকৰি কৰি থাকোঁতেই আকাশবাণী, ডিব্ৰুগড়

কেন্দ্ৰৰ দ্বাৰা এজন স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ ৰূপেও পৰিচয় লাভ কৰে। সেই সময়ত আকাশবাণী, ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বিপিন শইকীয়াৰ গীতৰ প্ৰতি শ্ৰোতাৰ আগ্ৰহো আছিল যথেষ্ট। ইয়াৰ মাজতে তেওঁ ভাৰত চৰকাৰৰ দ্বাৰা আমন্ত্ৰিত হৈ হিন্দীৰ ন-লেখক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। সেইবোৰ জম্মু-কাশ্মীৰত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি, বিহু গীতৰ হিন্দী অনুবাদ কৰি পৰিৱেশন কৰি ৰাইজৰ বিপুল সঁহাৰি লাভ কৰিছিল। পিছত আকাশবাণী জম্মু-কাশ্মীৰে তেওঁ গোৱা বিহুগীত পুনৰ ৰেকৰ্ডিং কৰি সম্প্ৰচাৰো কৰিছিল কে'বাবাৰো।

আচলতে বিপিনে সৰুৰে পৰাই প্ৰচুৰ অধ্যয়ন আৰু ভ্ৰমণ কৰি ভাল পাইছিল। তেওঁ দেশৰ প্ৰায় সকলো ঠাইলৈকে যোৱাৰ উপৰিও বিদেশৰ বহুকেইখন দেশও ভ্ৰমণ কৰি প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰে। অধ্যয়ন মানে, বিপিনে পঢ়াৰ সমল থকা যিকোনো গ্ৰন্থ কিতাপ, আলোচনী, পুস্তিকা, গোহাৰি, বাতৰি কাকত, বাতৰি কাকতৰ টুকুৰা আদিও পঢ়ে অতি মনোযোগেৰে, তাৰ বাবে তেওঁক নালাগে কোনো নিৰ্দিষ্ট ঠাই বা সময়। যিকোনো সময়তে, যিকোনো ঠাইতে তেওঁ পঢ়িব পাৰে। পঢ়েও।

বিপিনে আনকি আধ্যাত্মিক চৰ্চাও কৰে। তেওঁ দেশ-বিদেশৰ বহুকেইটা ধৰ্মানুষ্ঠানলৈ যোৱাৰ উপৰি ২০১৮ চনত হায়দৰাবাদত অনুষ্ঠিত কুম্ভমেলাত ১৮দিনক উপস্থিত থাকি কুম্ভমেলাৰ কাৰ্যসূচীৰ আঁতো ধৰিছিল।

ক্ষুদ্ৰ চাহ খেতি শীৰ্ষক এখন তথ্যসমৃদ্ধ মূল্যৱান গ্ৰন্থ সম্পাদনা কৰাৰ উপৰিও আন বহুবোৰ আলোচনী-স্মৃতিগ্ৰন্থ আদি সম্পাদনা কৰি প্ৰচুৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়াও তেওঁ লেখা-মেলা আদি এৰি দিয়া নাই। বিগত দুবছৰ মানৰ পৰা তেওঁ গুৱাহাটীৰ পৰা প্ৰকাশিত এখন অন্যতম দৈনিক বাতৰি কাকত 'দৈনন্দিন বাৰ্তা'ত নিয়মীয়া স্তম্ভ লেখক হিচাপে নিজৰ লিখাবোৰৰ লগতে অন্যান্য কাকত-আলোচনী আদিতো লেখা-মেলা অব্যাহত ৰাখিছে। মোৰ লগতে তেওঁৰ আকাংশী আন সকলোৰে এই কামনা কৰিব যে তেওঁৰ এই লিখা যাতে অনন্ত কাললৈ অব্যাহত থাকে।

অনবৰতে হাঁহিমুখীয়া বিপিন শইকীয়া সমাজত সকলোৰে প্ৰিয়। তেওঁৰ লগত চিনাকী হৈ এবাৰ কথা-বতৰা পতা মানুহো তেওঁৰ অতি আপোন হৈ পৰে। এইটো এটা তেওঁৰ অদ্ভুত গুণ। বিপিন শইকীয়া সদায় এনেদৰে থাকক, ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।




# এজন 'মিঠা' অসমীয়া

*৬ পৃষ্ঠাৰ পৰা...* মানুহজনে বহুতো হিন্দী গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল, তাৰ ভিতৰত 'দুৰ্লভোপনিষদ আৰু হিমালয়ৰ এজন যোগী' - মোৰ মনত আছে।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰযোগে প্ৰচাৰিত তেখেতৰ বহুতো জনপ্ৰিয় গীতৰ ভিতৰত 'সোৱণশিৰিৰ পানেইজনী নৈৰ ঘাটলৈ যায়' আৰু 'জোনে দিখৌত নামিছে আকৌ শৰৎ আহিছে' - অতিকে জনপ্ৰিয়।

লখিমপুৰৰ পৰা প্ৰকাশিত ন-লখিমী বাতৰি কাকতত বিন্দুৱাণী শইকীয়া 'ছদ্ম নামত তেখেতৰ 'মৰুৰ মুকুতা' নামে ধাৰাবাহিক অনুবাদ উপন্যাস এখন প্ৰকাশ হৈছিল।

সদৌ ভাৰত হিন্দী সন্মিলনত অসমক প্ৰতিনিধিত্ব কৰিছিল দুজন মানুহে- এজন 'বলম', 'এনাজৰী' উপন্যাসৰ লেখক ক্ষিতি বৰা আৰু আনজন হ'ল মই যাৰ বিষয়ে লিখিছোঁ।

বিৰল ব্যক্তিত্বৰ এই মিঠা অসমীয়াজনেই হ'ল বিপিন শইকীয়া।

■ **চন্দ্ৰ সোণোৱাল**

*ফোন ঃ ৬৯০০২২৯৯১৪*

*Memo No:- KOK/BLDG/Tech-40/Pt-IV/2018-19/3370* *Date 11/11/2022*

**SHORT NOTICE INVITING TENDER**

Separate sealed tenders affixing Non-refundable Court fee stamp of Rs.8.25 (Rupees eight & paise twenty five) only with a validity period of 180(One hundred eighty) days which will subsequently to be converted and drawn up in the printed F-2 Form are invited from the intending Registered contractors of classes of the Assam PWD (Bldg.) and BTC for submitting tender for the works stated below. The tenders will be received by the undersigned up-to 1-30pm of 21-11-2022 and will be opened on the same date and place at 2.00PM.

| Sl. No. | Name of work | (Approx.) Estimated value of work) | Earnest money 2% for GNL & 1% for ST/SC/ OBC/MOBC | Cost of tender document | Time of completion |
|---|---|---|---|---|---|
| 1 | Construction of Sanitary Latrine with Water Facility at Raimona Market. | Rs.9,52,000.00 | Rs.19100/- & Rs. 9600/- | Rs.500/= | 6 (six) Months |
| 2 | Repairing and Renovation of Godown of Amteka Amguri S.S. Ltd. in the Chirang District, BTC. | Rs.7,62,000.00 | Rs.19100/- & Rs. 9600/- | Rs.500/= | 4(four) Months |
| 3 | Construction of B. Wall with Iron Gate at Ananda Bazar HSC in Chirang Diatrict. | Rs.5,68,000.00 | Rs.11400/- & Rs.5700/- | Rs.500/= | 4(four) Months |

Detailed NIT may be seen in all working days in the office of the undersigned. Tender paper will be issued to the contractor or their authorized agent up-to 1-30pm in all working days from 19-11-2022 to 21-11-2022 in the office of the undersigned on payment in the form of Banker cheque/Bank draft/Demand draft duly pledged in favour of the Principal Secretary, BTC. The contractor should submit up-to date Registration Certificate of contractor, latest clearance certificate of Income Tax and GST etc. along with the tender paper. In case the office is remain closed/bandh for any circumstances on tender receiving/opening date, then the same will be received/opened in the next working days.

Sd/- Executive Engineer, P.W.D.,
Kokrajhar Dist. & Chirang Dist.
Territorial Building Division, Kokrajhar

*IPR(BTC)-507/2022*

## ফেচ অৱ দ্য ডে’



■ নাম ঃ নয়নী শইকীয়া
■ জন্মস্থান ঃ জামুগুৰিহাট

প্ৰেৰণ কৰক আপোনাৰ আলোকচিত্ৰ

e-mail:newsdbarta2010@gmail.com

# সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সন্থাৰ দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ১৮ নৱেম্বৰ** ঃ সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সন্থাৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক ওদালগুৰি অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে । ১৯ আৰু ২০ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ’বলগীয়া ইতিমধ্যে পাঁচ শতাধিক প্ৰতিনিধিক আদৰিবলৈ সাজু কমলেশ্বৰ বড়োৰ সমিতি। ইতিমধ্যে কমলেশ্বৰ বড়োক সভাপতি, বানেশ্বৰ ৰাভা, প্ৰমোদ ডেকা, আজিজুৰ ৰহমানক উপ-সভাপতি, শ্যাম ৰায় বৰুৱাক সম্পাদক, ৰাজীৱ স্বৰ্গীয়াৰী, ভাস্কৰজ্যোতি শৰ্মাক সহঃ সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণী সমিতি গঠন হয়। স্মৃতিগ্ৰন্থ উপ-সমিতিৰ বিজয় কুমাৰ বৰুৱাক সভাপতি, মুনিন্দ্ৰ বৈশ্যক সম্পাদক, মনোৰঞ্জন শইকীয়া, লুতফুৰ মোল্লাক সদস্য, খাদ্য আৰু ব্যৱস্থাপনা উপ-সমিতিৰ ফ্ৰাঞ্চিছ নাৰ্জাৰীক সভাপতি, উইলচন খাখলাৰী, পুতুলী দেৱী, বিজয় শংকৰ নাথ, দিলীপ ৰাজবংশীক উপ-সভাপতি, মেৰুৰণ বসুমতাৰীক সম্পাদক, ভূপেন ৰাভা, সঞ্জিত গুপ্তা, গোপী চাংমা, নৰেশ্বৰ ৰাভাক সহঃ সম্পাদক, দুলুমণি ভূঞা, ৰোচন চেত্ৰী, জুমুৰ আলী আহমেদ, মনপ্ৰীত বসুমতাৰী, বিশ্বজিৎ মিত্ৰ, সদানন্দ কলিতাক সদস্য, মঞ্চসজ্জা আৰু শব্দৰ বাবে দীনেশ গৌতমক সভাপতি, ধ্ৰুৱ ডেকাক সম্পাদক, বিতোপন দৈমাৰী, চিলবিষ্টান বসুমতাৰী, ৰোচন চেত্ৰীক সহঃ সম্পাদক, দীপক পোখৰেল, সত্যচৰণ দাস, অৱনী হাজৰিকা, তপন কুমাৰ দত্ত, হিৰণ্য কুমাৰ দাস, আজহাৰ আলী, পংকজ দেৱনাথ, ললিত শৰ্মা, ৰাজীৱ দেৱনাথ, দীপক বৰা, বলেন মাহাটো, মিজানুৰ ৰহমান, প্ৰণৱ বৰুৱাক সদস্য ৰূপে লৈ এখন শক্তিশালী কমিটী গঠন কৰে। প্ৰথম দিনৰ কাৰ্যসূচী ১৯ নৱেম্বৰৰ পুৱা ৮ বজাত পতাকা উত্তোলন ৮.১০ বজাত স্মৃতি তৰ্পণ, ৮.৩০ বজাত প্ৰতিনিধি পঞ্জীয়ন, ৯.৩০ বজাত সমল ব্যক্তি হিচাপে আৰআইপিএছআৰ গুৱাহাটীৰ অধ্যক্ষ ডাঃঋতুৰাজৰ উপস্থিতিত এডভান্স ড্ৰাগ ডেলিভাৰী ছিষ্টেমৰ ওপৰত বিজ্ঞান কৰ্মশালা, ১২.৩০ বজাৰ পৰা আপছাৰ কেন্দ্ৰীয় সভাপতি অৰুণ বৰাৰ সভাপতিত্বত হ’বলগীয়া মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, ওদালগুৰি সমষ্টিৰ বিধায়ক তথা বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে’, বিটিআৰৰ জলসিঞ্চন আৰু আয়ুস বিভাগৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, অতিথি হিচাপে মাজবাট সমষ্টিৰ বিধায়ক চৰণ বড়ো, আমন্ত্ৰিত অতিথি অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সচিব আব্দুল লেইচ চৌধুৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সঞ্চালক ডাঃ এম এছ লক্ষ্মীপ্ৰিয়া, স্বাস্থ্য সেৱা সঞ্চালক অসম ডাঃ নীলমাধৱ দাস, স্বাস্থ্য শিক্ষা সঞ্চালক অসম ডাঃ অনুপ বৰ্মন, ঔষধ নিয়ন্ত্ৰক, অসমৰ হৃদয়ানন্দ মহন্ত, নেমকেয়াৰ গ্ৰুপ অৱ ইনষ্টিটিউটৰ অধ্যক্ষ ডাঃ ভাৰ্গৱজ্যোতি চহৰীয়াকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকিব। আবেলি ৪ বজাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ পিছতেই আৰম্ভ হ’ব বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। দ্বিতীয় দিনৰ কাৰ্যসূচী ক্ৰমে পুৱা ৮ বজাৰ পৰা চাফাই অভিযান, ৯.৩০ বজাৰ পৰা প্ৰতিনিধি সভা, দুপৰীয়া ১ বজাৰ পৰা আগন্তুক দুবছৰৰ বাবে বিষয় বাছনি সভা অনুষ্ঠিত হ’ব।



*লন বল খেলুৱৈ নয়নমণি শইকীয়াক সম্বৰ্ধনা, গুৱাহাটীত শুকুৰবাৰে*

# উখল-মাখল নাজিৰাৰ মেকিপুৰ গণেশ চন্দ্ৰ কুৰ্মী সমন্বয় ক্ষেত্ৰ

## শুভাৰম্ভ অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ নৱেম্বৰ** ঃ আজি নাজিৰাৰ মেকিপুৰ চাহ বাগিচা খেলপথাৰৰ প্ৰয়াত গণেশ চন্দ্ৰ কুৰ্মী সমন্বয় ক্ষেত্ৰত আৰম্ভ হৈছে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন। উখল- মাখল হৈ পৰা এই সমন্বয় ক্ষেত্ৰত অধিৱেশনৰ কাৰ্যক্ৰমণিকানুসৰি পুৱা সভাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী মনোমতী কুৰ্মীয়ে উত্তোলন কৰা কেন্দ্ৰীয় পতাকাকে ধৰি ১৫খন জিলাৰ সভাপতি আৰু সম্পাদকসকলে মুঠ ১৬খনকৈ পতাকা উত্তোলন কৰা হয়। পিছত সভাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা সাহিত্যিক পেন্সনাৰ মাখনলাল বাঢ়ৈ আৰু প্ৰধান সম্পাদক মনীষ ঠাকুৰে স্মৃতি তৰ্পণ অনুষ্ঠান শুভাৰম্ভ কৰে। প্ৰদৰ্শনী আৰু গ্ৰন্থ বিপণীৰ দ্বাৰ মুকলি কৰে আৰ্টফেডৰ উপাধ্যক্ষ প্ৰহ্লাদ গোৱালা আৰু সভানেত্ৰী মনোমতী কুৰ্মীয়ে। পিছত ‘শিৰীষৰ ছাঁত’ শীৰ্ষক কবি সন্মিলন অনুষ্ঠিত হয়। প্ৰতিষ্ঠিত কবি তথা অধ্যাপক ৰাজীৱ বৰাই সঞ্চালনা কৰা কবি সন্মিলনখন উদ্বোধন কৰে অসম কবি সন্মিলনীৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে। অনুষ্ঠানত ড° কমল কুমাৰ তাঁতী, ৰীতা গোৱালা, কবিতা কৰ্মকাৰ, ক্ষীৰোদ কৰ্মকাৰ, মিণ্টু তাঁতী, ৰেণু গোৱালা আদিকে ধৰি অৰ্ধকুৰিৰোধিক কবিয়ে কবিতা পাঠ কৰি জীপাল কৰি তোলে। নাজিৰাৰ মেকিপুৰত আজিৰ পৰা ১৮, ১৯ আৰু ২০ নৱেম্বৰলৈ তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই অধিৱেশনত প্ৰায় ১০ হাজাৰ লোকৰ সমাগম ঘটিব বুলি আশাবাদী উদ্‌যাপন সমিতি।

# বৰপেটাৰ বিষ্ণুপুৰত ভয়ংকৰ পথ দুৰ্ঘটনা, থিতাতে নিহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ১৮ নৱেম্বৰ** ঃ বৰপেটা জিলাৰ ভেল্লাৰ অন্তৰ্গত বিষ্ণুপুৰত আজি দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এজন অতি গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি আজি দিনৰ প্ৰায় ১ মান বজাত বৰপেটাৰ নগাঁৰৰ দিশৰ পৰা বৰপেটা টাউনলৈ এএছ ০১ এক্স ৬৮৪৭ নম্বৰৰ গ্লেমাৰ বাইকেৰে গৈ থকা অৱস্থাত ভেল্লাৰ বিষ্ণুপুৰৰ দুৰ্গা মন্দিৰৰ কেঁকুৰিত ভয়ংকৰ দুৰ্ঘটনাত পতিত হয়। সন্দেহ কৰা মতে তীব্ৰ বেগী বাইকখনে বিষ্ণুপুৰৰ উক্ত কেকুৰিটো পোৱাৰ লগে লগে একে দিশৰ পৰা গৈ থকা এএছ ১৯ এচি ৩৬২১ বলেৰ’ পিক আপ ভানৰ লগত দুৰ্ঘটনাত পতিত হয়। তীব্ৰবেগী গ্লেমাৰ বাইকখন পথৰ দাঁতিত থকা বৈদ্যুতিক খুঁটা আৰু লোহাৰ ৰেলিঙত প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত থিতাতে নিহত হয় ৰাকিবুল ইছলাম (২৫) নামৰ বাইক চালকজন। আনহাতে, বাইক আৰোহী ছহিদুল ইছলাম (২৬)ক অতি সংকটজনক অৱস্থাত বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। হতাহত দুয়োজনৰ ঘৰ চেঙা সমষ্টিৰ খৰুৱাপাৰাৰ মৈখুলীত বুলি জানিব পৰা গৈছে।


আপোনাৰ প্ৰতিভা আমাৰ সন্ধান

আমালৈ প্ৰেৰণ কৰক আপোনাৰ সন্তানটিৰ প্ৰতিভাৰ কিয়দংশ

DB NEWS ত আমি সম্প্ৰচাৰ কৰিম

নিতৌ পুৱা ৭ঃ৪৫ বজাত

আমাক WhatsApp অথবা Telegram যোগে প্ৰেৰণ কৰিব পাৰে ভিডিঅ’

আমাৰ নম্বৰ

৯৪০১০ ৩৩৮২৩




# খুমটাই গাঁও পঞ্চায়তত বিশেষ গাঁওসভাৰ মাজতে উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তা সেৱা, খুমটাই, ১৮ নৱেম্বৰ** ঃ খুমটাই গাঁও পঞ্চায়তত আজি অনুষ্ঠিত হোৱা বিশেষ গাঁওসভাৰ মাজতে সৃষ্টি হ’ল এক উত্তপ্ত পৰিস্থিতিৰ। পঞ্চায়তটোৰ আঁচনি ৰূপায়ণত অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি একাংশ হিতাধিকাৰীয়ে পঞ্চায়তটোত অনুষ্ঠিত বিশেষ গাঁওসভাৰ মাজতে উত্তেজিত হৈ জবাদিহি কৰে পঞ্চায়ত প্ৰতিনিধিসকলক। উত্তেজিত হিতাধিকাৰীসকলৰ অভিযোগ অনুসৰি প্ৰকৃত হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী আৱাস গৃহৰ আঁচনিৰ উপৰি পঞ্চায়টোৰ বিভিন্ন আঁচনি সুবিধা লাভ নকৰে, তাৰ পৰিৱৰ্তে আঁচনি পাব নলগীয়া লোকে আঁচনিসমূহ লাভ কৰে। ইয়াৰ উপৰি দীৰ্ঘদিনৰে পৰা পঞ্চায়তৰ বিভিন্ন আঁচনি ৰূপায়ণত পঞ্চায়ত প্ৰতিনিধিসকলে মইমতালিৰে অনিয়ম সংঘটিত কৰি অহাৰ অভিযোগ আনিছে ভুক্তভোগী হিতাধিকাৰীসকলে। ইফালে গাঁও সভাত দুৰ্নীতিৰ বিষয়ে আলোচনা কৰাৰ লগে লগেই একাংশ হিতাধিকাৰীয়ে পৰিস্থিতি উত্তপ্ত কৰি পঞ্চায়তটোৰ সভানেত্ৰীক জবাবদিহি কৰে। এটা সময়ত পৰিস্থিতি এনে পৰ্যায় পায়গৈ যে পঞ্চায়টোত খুমটাই আৰু কমাৰগাঁও আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইফালে পঞ্চায়তৰ সভানেত্ৰীগৰাকীৰ মতে তেওঁৰ কাৰ্যভাৰ লোৱাৰ আগতেই ঘৰৰ জিঅ’টেগ কৰা হৈছিল আৰু যিসকল প্ৰকৃত লোক বৰ্তমানো বঞ্চিত হৈ আছে তেওঁলোকক শীঘ্ৰে সুবিধা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে। আনহাতে, গাঁও পঞ্চায়তটোৰ বিভিন্ন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত হৈ থকা অনিয়মৰ বাবে স্থানীয় একাংশ ৰাইজে বিভাগীয় তদন্তৰ দাবী জনাইছে।


অসম চৰকাৰ

বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত 'ৰেপাৰটৰী'ৰ ২৫ সংখ্যক নাট্য নিবেদন

লাচিত বৰফুকন

সু-দৃঢ় প্ৰতিজ্ঞা আৰু অবিচলিত নিৰ্ভীকতাৰ প্ৰতীক ।
ইংলেণ্ডৰ লৰ্ড নেলছন আৰু ৱেলিংটন, ইটালীৰ মেটজিনি,
কেভোৰ গেৰিবল্ডি, ৰাজপুতনাৰ মহাৰাণা প্ৰতাপ, মহাৰাষ্ট্ৰৰ
শিৱাজীৰ সমকক্ষ বীৰ লাচিত। যাৰ বীৰত্বৰ
কাহিনীয়ে উদ্বুদ্ধ কৰে অসম আৰু অসমীয়াক ।
প্ৰতিজন ভাৰতীয়ৰ বাবেই লাচিত চিৰ নমস্য বীৰ ।
এইগৰাকী বীৰৰ বহু জনা-নজনা কথাৰেই......

লাচিত
বুৰঞ্জী লিখা তৰোৱাল



নয়নজ্যোতি ভট্টাচাৰ্যৰ মূল উপন্যাসৰ আধাৰত পুলক কুমাৰ ডেকাৰ নাট্যৰূপ–পৰিকল্পনা আৰু পৰিচালনা

অভিনয়ত :

পদ্ম হাজৰিকা, পৃথ্বিৰাজ ৰাভাৰ লগতে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, আঙুৰলতা ডেকা, মিষ্টাৰ ইণ্ডিয়া খ্যাত বিজিত গগৈ, ডাঃ জাহানাৰা বেগম, ভূপেন শৰ্মাৰ লগতে দুশৰো অধিক শিল্পীৰ শব্দ আৰু পোহৰৰ মায়াজালত ইতিহাস ৰোমন্থন ।

Janasanyog/D/16281/22

স্থানঃ তেজপুৰ হজৰাপাৰ ষ্টেডিয়াম
দিনাংকঃ ১৯ আৰু ২০ নৱেম্বৰ, ২০২২
নাট পৰিৱেশনৰ সময়ঃ সন্ধিয়া ৬.১৫ বজা
বিঃদ্ৰঃ প্ৰৱেশ বিনামূলীয়া। অনুষ্ঠানৰ ১৫ মিনিট পূৰ্বে আসন গ্ৰহণ কৰে যেন।



শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু দ্যা জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩, মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি